www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❒ PRGI REGD. NO. : ASASS/25/A2361

আটাইতকৈ পোন ৰেখাডাল আঁকোতে আটাইতকৈ অধিক কষ্ট সহিবলগীয়া হয়।
— লিঅ'নাৰ্ড দা ভিঞ্চি


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৮৩ ❒ দেওবাৰ ❒ ৩১ আগষ্ট, ২০২৫ চন ❒ ১৪ ভাদ, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 183 ❒ Sunday ❒ 31st August, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

'২৭ত গুৱাহাটী প্ৰদৰ্শিত হ'ব বৃন্দাবনী বস্ত্ৰ; মুখ্যমন্ত্ৰীৰ ঘোষণা

# ১৮ মাহৰ বাবে অসমলৈ অনা হ'ব বৃন্দাবনী বস্ত্ৰ

■ ব্ৰিটিছ মিউজিয়াম কৰ্তৃপক্ষই বান্ধি দিয়া কিছু চৰ্ত পূৰণ কৰিব লাগিব অসম চৰকাৰে ■





**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৃন্দাবনী বস্ত্ৰৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰি জানিছে যে, এই ঐতিহাসিক সাংস্কৃতিক সম্পদ অসমলৈ আনিবলৈ চৰকাৰ তৎপৰ হৈছে। আজি পুৱা লোকসেৱা ভৱনত সংবাদমেল সম্বোধন কৰি তেওঁ কয়, "বৃন্দাবনী বস্ত্ৰ বৰ্তমান ব্ৰিটিছৰ তিনিখন সংগ্ৰহালয়ত সংৰক্ষিত আছে। আমি ▸▸৬ পৃষ্ঠাত

বিটিচি নিৰ্বাচন

## বিপিএফৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ

**ষ্টাফ ৰিপ'টাৰ, চিৰাং, ৩০ আগষ্ট ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজ'ন (বিটিআৰ) নিৰ্বাচনৰ প্ৰস্তুতি ত্বৰান্বিত কৰি শনিবাৰে বড়ো পিপলছ ফ্ৰণ্ট (বিপিএফ) দলে তেওঁলোকৰ দ্বিতীয় প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। কোকৰাঝাৰত আয়োজিত এক অনুষ্ঠানত দলৰ ▸▸৬ পৃষ্ঠাত

## কংগ্ৰেছৰ ৩১টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, চিৰাং, ৩০ আগষ্ট ঃ** বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বি টি চি) নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলে সম্প্ৰতি ৩১টা সমষ্টিৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। দলটোৱে শেহতীয়াকৈ এই ঘোষণাৰ জৰিয়তে নিৰ্বাচনৰ প্ৰস্তুতি ত্বৰান্বিত কৰিছে। নিৰ্বাচনৰ এই ▸▸৬ পৃষ্ঠাত

২০১১ চনৰ পৰা মোৰ পিছত লাগি আছে মাদানি ঃ মুখ্যমন্ত্ৰী

## কংগ্ৰেছৰ টিকট প্ৰদানৰ আঁৰত থাকে জমিয়ত উলেমা

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জমিয়ত উলেমা-ই-হিন্দৰ নেতা আৰ্ছাদ মাদানীৰ বিৰুদ্ধে কঠোৰ সমালোচনা ▸▸৬ পৃষ্ঠাত

মাদানী অসমত হিৰ'ৰ পৰা জিৰ' হৈ পৰিছে





কাৰাগাৰ অধীক্ষকৰ পৃষ্ঠপোষকতাত নগাঁও কেন্দ্ৰীয় কাৰাগাৰত ড্ৰাগছৰ বেহা

## নগাঁও কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক মুকুল ভূঞাক গ্ৰেপ্তাৰ

❑ জিলা আয়ুক্তৰ পৰিদৰ্শনত কালত পোহৰলৈ চাঞ্চল্যকৰ তথ্য

❑ দুজন কাৰাগাৰৰ ৱাৰ্ডেনকো গ্ৰেপ্তাৰ

**অসম বাৰ্তা, নগাঁও, ৩০ আগষ্ট ঃ** নগাঁও কেন্দ্ৰীয় কাৰাগাৰৰ ড্ৰাগছ বিতৰ্ক এতিয়া চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। নগাঁৱৰ এই ▸▸৬ পৃষ্ঠাত



কৰিশ্মাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব বিষ্ণু প্ৰসাদ ৰাভা ট্ৰাষ্টে

## নাগাৰা নামৰ পাঠিকা কৰিশ্মা নাথৰ কলাগুৰুৰ সৃষ্টিক স্পৰ্ধা; বিতৰ্ক

**ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ৩০ আগষ্ট ঃ** অসমৰ স্বদেশপ্ৰেমী মহান শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অমৰ সৃষ্টি 'পৰজনমৰ শুভ লগনত' গীতটোৰ 'নাগাৰা নাম' শীৰ্ষকৰ বিকৃত ▸▸৬ পৃষ্ঠাত



## কংগ্ৰেছ হৈছে বাংলাদেশীৰ সমৰ্থক, অবৈধ অনুপ্ৰৱেশকাৰী আৰু বেদখলকাৰীৰ প্ৰিয়ভাজন ঃ পীযুষ হাজৰীকা

কংগ্ৰেছৰ বিৰুদ্ধে ক্ষুৰধাৰ সমালোচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ আগষ্ট ঃ** মন্ত্ৰী পীযুষ হাজৰীকাই কংগ্ৰেছ দলৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি সৰৱ হৈ পৰিছে। সামাজিক মাধ্যমত তেওঁ কংগ্ৰেছ দলক কটাক্ষ কৰি কৈছে যে, এই দলটোৱে পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক ব্যৱস্থাক কেৱল উপহাস কৰিব পাৰে, আন ▸▸৬ পৃষ্ঠাত






কংগ্ৰেছ চৰকাৰৰ মূল লক্ষ্য হ'ব সৰু মানুহৰ কল্যাণ ঃ গৌৰৱ গগৈ

## '২৬ত কংগ্ৰেছৰ যুঁজ হ'ব হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ আগষ্ট ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে ঘোষণা কৰিছে যে, ২০২৬ৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দিছপুৰৰ পৰা জোনাইলৈকে এক বৃহৎ যুঁজত অৱতীৰ্ণ হ'ব আৰু জয়ী হ'ব। এই যুঁজৰ প্ৰধান লক্ষ্য হ'ব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰ। ধেমাজি জিলাৰ জোনাই বিধানসভা সমষ্টিৰ চিমেন চাপৰি বিহুথলীত ধেমাজি জিলা যুৱ কংগ্ৰেছ আৰু অসম ▸▸৬ পৃষ্ঠাত

## GMCHৰ শিশুৰ মৃত্যুক ঘটনাৰ তদন্তৰ প্ৰতিবেদনৰ ওপৰত লোৱা হ'ব ব্যৱস্থা

৯, ৭০৪গৰাকী সখীক স্কুটী প্ৰদান ৰাজ্য চৰকাৰৰ

## 'জীৱিকা সখী'লৈ ৰাজ্য চৰকাৰৰ স্কুটী

সমৃদ্ধিশালী গাঁও-আত্মনিৰ্ভৰ অসমৰ লক্ষ্য ৰাজ্য চৰকাৰৰ ঃ মুখ্যমন্ত্ৰী




**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৩০ আগষ্ট ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত চলোৱা 'সখী এ'প্ৰেছ' আঁচনিৰ জৰিয়তে ৰাজ্যৰ ৯, ৭০৪ গৰাকী হিতাধিকাৰী মহিলাক শনিবাৰে এখনকৈ স্কুটী ▸▸৬ পৃষ্ঠাত

## অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে অব্যাহত কঠোৰ অভিযান; মুখ্যমন্ত্ৰীৰ ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত এক সংবাদমেলত ঘোষণা কৰিছে যে সীমান্তত ▸▸৬ পৃষ্ঠাত






উচ্ছেদিতক অনুপ্ৰৱেশকাৰী আখ্যা গৃহমন্ত্ৰীৰ; ক্ষমা খোজাৰ দাবী

## গৃহমন্ত্ৰীৰ অসম ভ্ৰমণক নিৰস, ব্যৰ্থ, হতাশাজনক আখ্যা লুৰীণজ্যোতি গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ আগষ্ট ঃ** ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ শেহতীয়া অসম ভ্ৰমণক ব্যৰ্থ, নীৰস আৰু হতাশাজনক আখ্যা দিছে অসম জাতীয় পৰিষদে। আজি (৩০ আগষ্ট)ডিব্ৰুগড়ত ▸▸৬ পৃষ্ঠাত




## জুলাইত ৮,৯০০ৰো অধিক মানৱ অধিকাৰ উলংঘনৰ অভিযোগ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৩০ জুলাই ঃ** ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে (এনএইচআৰচি) জুলাই মাহত সমগ্ৰ দেশৰ পৰা মানৱ অধিকাৰ উলংঘনৰ সৈতে জড়িত ৮, ৯১২টা অভিযোগ গ্ৰহণ কৰিছে। এই অভিযোগৰ ভিতৰত জিম্মাত মৃত্যু (পুলিচ আৰু ন্যায়িক), ▸▸৬ পৃষ্ঠাত

ৰামবানত ডাৱৰ বিস্ফোৰণত ৩ জনৰ মৃত্যু

## জম্মু-কাশ্মীৰত মহাপ্ৰলয়; ৰিয়াছিৰ ভূমিস্খলনত নিহত ৭



**অনলাইন ডেস্ক, অসম বাৰ্তা, ৩০ জুলাই ঃ** বিগত কেইদিনমানৰ পৰা জম্মু-কাশ্মীৰত প্ৰকৃতিয়ে কালৰূপ ধাৰণ কৰিছে। ডাৱৰ বিস্ফোৰণ, বৰষুণ, ভূমিস্খলনে বিভিন্ন অঞ্চলত অভাৱনীয় ▸▸৬ পৃষ্ঠাত



# কামৰূপ জিলাৰ অন্তৰ্গত ব্যক্তিগত কোম্পানী বা বিভিন্ন ব্যৱসায়ত থলুৱাৰ নিযুক্তিৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩০ আগষ্ট ঃ** যি সময়ত অসমৰ থলুৱা লাখ লাখ নিবনুৱাই এটি ব্যক্তিগত খণ্ডৰ কামৰ বাবে হাহাকাৰ কৰিব লগা হৈছে সেই সময়তে অসমৰ একাংশ বাহিৰাগত কোম্পানীৰ মালিকে থলুৱাক বঞ্চনা কৰি বিভিন্ন ৰাজ্যৰ পৰা অহা হেজাৰ হেজাৰ শ্ৰমিকক সংস্থাপনৰ বাট মুকলি কৰি থুলুৱা সকলক বঞ্চনা কৰা দেখিবলৈ পোৱা গৈছে। বিশেষকৈ কামৰূপ জিলাত শ-শ কোম্পানী লগতে বিভিন্ন লজিষ্টিকচ-ট্ৰেন্সপোৰ্ট এজেঞ্চি গঢ়ি উঠা হল যদিও কিন্তু থুলুৱা সকলক সংস্থাপনৰ ক্ষেত্ৰত তেনেই তাকৰ আৰু যি সমুহ কোম্পানীত থুলুৱা কৰ্মচাৰী নিযুক্তি দিছে তাৰে একাংশ কোম্পানীত কিছু অসাধু চক্ৰই শ্ৰমিক সকলক ঠিকা ভিত্তিত লগাই কোনোধৰণৰ কষ্ট নকৰাকৈ শ্ৰমিকৰ পাৰিশ্ৰমিকৰ আধা অংশই গিলি দিয়ে। এইক্ষেত্ৰত বহুবাৰ কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰক ছাত্ৰ সন্থাৰ তৰফৰ স্মাৰক পত্ৰ দিয়াৰ পিছতো জিলা আয়ুক্ত গৰাকীয়ে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰ বিষয়টোত সকলো ৰাইজৰ লগতে ছাত্ৰ সন্থাকো চিন্তিত কৰি তুলিছে। থলুৱা সকলক নিযুক্তি দিয়াৰ ক্ষেত্ৰত কেৱল বৈষম্য কৰি কেৱল মাত্ৰ থলুৱা সংস্থাপনৰ নামত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীহে মাত্ৰ কেইটামান উদ্যোগত সংস্থাপন দিয়া পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক গৰাকীয়ে প্ৰশ্ন তুলিছে যে, থলুৱা দক্ষতা থকা যুৱক যুৱতী সকলক উপযুক্ত সংস্থাপনৰ পৰা বঞ্চনা কৰা হৈছে কিহৰ বাবে? বৈষম্য নাৰাখি থলুৱা যুৱক যুৱতী সকলক কেৱল চতুৰ্থ বৰ্গতে নহয় দক্ষতা অনুযায়ী দ্বিতীয় আৰু তৃতীয় বৰ্গতো সংস্থাপন দিয়াৰ ব্যৱস্থা কৰক অন্যথা থলুৱাক বঞ্চিত কৰা উদ্যোগৰ বিৰুদ্ধে ছাত্ৰ সন্থাই অভিযান আৰম্ভ কৰিব বুলি নেতাগৰাকীয়ে উল্লেখ কৰে। তদুপৰি এই ক্ষেত্ৰত জিলা উপায়ুক্ত গৰাকীয়ে নিশ্চুপ হৈ নাথাকি উপৰোক্ত বিষয়ত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ছাত্ৰ সন্থাৰ তৰফৰ পৰা দাবী উত্থাপন কৰিছে ছাত্ৰ নেতা ভৰজ্যোতি ডেকাই।

# ভেৰগাঁৱৰ আটাৰীখাটত নৈশ যাপনৰ ফাণ্ডু; ইউপিপিএল কৰ্মীলৈও অভিযোগৰ আঙুলি

## সামান্য অৰ্থৰ বিনিময়ত কিশোৰীক অবৈধভাৱে ব্যৱহাৰৰ চেষ্টা

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৩০ আগষ্ট ঃ** আজিৰ সমাজত কিশোৰ-কিশোৰীক লক্ষ্য কৰি নানা ধৰণৰ প্ৰলোভনমূলক পথবোৰ মুকলি হৈ পৰিছে। সামান্য অৰ্থৰ প্ৰলোভনেৰে যুৱতী বোৰক ভুল পথলৈ টানি লৈ যাব খোজা অসামাজিক লোকৰ অভাৱ নাই। বিশেষকৈ শিক্ষাৰ অৱস্থাত থকা ছাত্ৰ-ছাত্ৰী বোৰে এনেকুৱা ফাণ্ডত পৰিলে সপোন আৰু ভৱিষ্যৎ দুয়ো শেষ হৈ পৰে। বহু সময়ত অভিভাৱকসকলে নিজৰ সন্তানৰ চলাফুৰা, পৰিচিতি আৰু সামাজিক মাধ্যমত যোগাযোগৰ ক্ষেত্ৰত সদায় সজাগ নথকা। বিদ্যালয়-কলেজৰ শিক্ষকে শিক্ষাৰ সৈতে সজাগতামূলক পৰামৰ্শ প্ৰদানৰ অভাৱত আনহাতে সমাজৰ সচেতন নাগৰিকে সন্দেহজনক লোক বা ঘটনাৰ বিষয়ে অতি সোনকালেই স্থানীয় আৰক্ষী বা সংগঠনক খবৰৰ অভাৱৰ ফলত এনে ধৰণৰ ঘটনা সংঘটিত হোৱা পৰিলক্ষিত হৈছে। এনে অপৰাধমূলক চক্ৰান্তৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰা আৰু ইয়াৰ জৰিয়তে সমাজত সতৰ্কবাণী পৌছোৱাটো আজিৰ সময়ত অতি গুৰুত্বপূৰ্ণ। এনে এক জ্বলন্ত উদাহৰণ ভেৰগাঁৱৰ আটাৰীখাটত বহিঃদেশলৈ নৈশ যাপনৰ বাবে নিব ওলোৱা দৰে জঘন্য ঘটনা। প্ৰেমৰ চলেৰে পঢ়ি থকা কিশোৰী বোৰক লক্ষ্য কৰি এইবাৰ ফাণ্ডত পৰিল ইউপিপিএলৰ কৰ্মী। এইবাৰ ইউ পি পি এল নেতাৰ যৌনতাৰ বেহাই জোকাৰিছে বিটিআৰ। মাত্ৰ ৫০০ টকাৰ বিনিময়ত বহিঃদেশলৈ নৈশ যাপনৰ বাবে নিবলৈ ওলাওতেই কৰায়ত্ব দুই যুৱতী। ঘটনাস্থলীৰ পৰা গাড়ী লৈ ওধাও দুই অভিযুক্ত। এইবাৰ ঘটনাৰ স্থান ওদালগুৰি জিলাৰ অন্তৰ্গত ভেৰগাঁৱৰ ডিমাকুছিত। ডিমাকুছিৰ দুই কিশোৰী ছাত্ৰীক প্ৰলোভনেৰে বহিঃৰাষ্ট্ৰ ভুটানলৈ নৈশ যাপনৰ বাবে নিবলৈ ওলাতেই হাতে লোটে দুই যুৱতীক কৰায়ত্ব কৰে কেইবাটাও হিন্দু সংগঠনৰ কৰ্মীয়ে। চল বুজি ঘটনাস্থলীৰ পৰা পলায়ন কৰে ঘটনাৰ মাষ্টাৰমাইণ্ড ইদ্ৰিছ আলী ওৰফে ৰণী আৰু ডেভিদ ৰাভা নামৰ যুৱকে। বিটিচিৰ কাৰ্যবাহী সদস্য তথা ভেৰগাঁও সমষ্টিৰ পাৰিষদ দাউবাইছা বড়োৰ অতি ঘনিষ্ঠ খাগ্ৰাবাৰীৰ ইদ্ৰিছ আলী ওৰফে ৰণী আৰু ইউপিপিএলৰ সক্ৰিয় কৰ্মী ডেভিদ ৰাভাৰ এই কাণ্ডই এতিয়া জোকাৰণি তুলিছে ভেৰগাঁৱত। ইউপিপিএলৰ এম্বেচাদৰ নয়ন নীলিমৰ দৰে বহু হাইপ্ৰফাইল ব্যক্তিৰ সৈতেও আছে ৰণীৰ ফটো। ইফালে আকৌ ৰণীৰ ফেচবুক পোষ্ট দেখিলে হাঁহি উঠিব আপোনাৰো চৰিত্ৰ সকলোৰে ভাল যেতিয়ালৈকে ধৰা নপৰে। এইদৰে কেইদিনমান পূৰ্বে ৰণীয়ে দিছে ফেচবুক পোষ্ট। দীৰ্ঘদিনে ৰণীয়ে ভেৰগাঁও - ডিমাকুছিত এই কুকাণ্ড চলাই অহাৰ অভিযোগ পোৱা গৈছে। বহু কম বয়সীয়া হিন্দু যুৱতীক প্ৰেমৰ জালত ফচাই ইদ্ৰিছ আলীয়ে অনৈতিক কাৰ্য চলাই অহাৰ অভিযোগ তুলিছে হিন্দু সংগঠনৰ নেতৃত্বই। ৰনিৰ আছে ডিমাকুছিৰ আটাৰীখাটত দুচকীয়া বাহনৰ ডিলাৰ। নিৰ্বাচনৰ প্ৰকমুহূৰ্তত ই এম দাউবাইছা বড়োৰ ঘনিষ্ঠ তথা ইউ পি পি এল কৰ্মী ইদ্ৰিছ ওৰফে ৰণীৰ এই অনৈতিক কাৰ্যক দলটোই কিদৰে গ্ৰহণ কৰে সেয়াহে হ'ব লক্ষণীয়। ইফালে হিন্দু সংগঠনৰ নেতৃত্বই আটক কৰা দুই যুৱতীক গতাই দিছে ডিমাকুছি আৰক্ষীক। ইতিমধ্যে দুই যুৱতীৰ পিতৃ-মাতৃয়ে মূল অভিযুক্ত ইদ্ৰিছ আলী ওৰফে ৰণীৰ ওপৰত ডিমাকুছি আৰক্ষী থানাত দাখিল কৰিছে এজাহাৰ।



# মৰিগাঁও জিলাৰ বিদ্যালয়সমূহত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ আগষ্ট ঃ** মৰিগাঁও জিলাৰ বিদ্যালয়সমূহত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হয়। ২৯ আগষ্টৰ পৰা ৩১ আগষ্টলৈ তিনিদিনীয়াকৈ পালন কৰা ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি বিদ্যালয়সমূহত শপতগ্ৰহণ কাৰ্যসূচী, প্ৰাক্তন খেলুৱৈৰ উপস্থিতিত সজাগতামূলক সভাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত কৰা হয়। মৰিগাঁও শংকৰ মাধৱ উচ্চ মাধ্যমিক বিদ্যালয় আৰু মৰিগাঁও ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ কাৰ্যসূচীত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া আৰু সহকাৰী আয়ুক্ত মৃগাক্ষী বৰুৱা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে মত-বিনিময় কৰে। উল্লেখযোগ্য যে উক্ত সভাত প্ৰৱীণ খেলুৱৈ বাবুল বৰদলৈ আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলুৱৈ পৰিক্ষীত কৈৰি সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

## প্ৰতিমূৰ্ত্তি নিৰ্মাণৰ বাবে দহ লাখ টকা দিব পৰিষদে

# ডিব্ৰুগড়ত মিচিং জনজাতিৰ প্ৰবাদপুৰুষ ডাঃ নুমল চন্দ্ৰ পেগুৰ জন্ম শতবাৰ্ষিকী উদযাপন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩০ আগষ্ট ঃ** অসমৰ দ্বিতীয় বৃহৎ জনজাতি মিচিং সকলৰ প্ৰথমগৰাকী বুৰঞ্জীবিদ, চিকিৎসক, লেখক, গীতিকাৰ, সমাজ সংস্কাৰক, বিলাতফেৰৎ ডাঃ নুমল চন্দ্ৰ পেগুৰ জন্ম শতবাৰ্ষিকী ডিব্ৰুগড়ত উদযাপন কৰা হয়। এই উপলক্ষে মিলন নগৰস্থিত মুৰংঘৰত ডাঃ নুমল চন্দ্ৰ পেগু সোঁৱৰণী ন্যাস আৰু ডিব্ৰুগড় টাউন মিচিং কৌবাঙৰ যৌথউদ্যোগত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডাঃ পেগুৰ 'সাহিত্য আৰু সংস্কৃতি বিষয়ক অৱদান' -শীৰ্ষক বিষয়ক বক্তৃতা প্ৰদান কৰি বিশিষ্ট ভাষাতত্ত্ববিদ, শিক্ষাবিদ, সাহিত্যাচাৰ্য, গৱেষক, নাগামিজ ভাষাৰ অভিধান প্ৰণেতা, প্ৰভেচৰ এমেৰিটাছ ড ভীমকান্ত বৰুৱাই কয় যে ডাঃ পেগুৱে তেওঁৰ চুটি জীৱন কালছোৱাত বহুকেইখন মূল্যৱান গ্ৰন্থ সৃষ্টি কৰি গ'ল। বিশেষকৈ ১৯৫৬ চনতে লিখা 'দি মিৰিজ' নামৰ ইংৰাজী ভাষাৰ গ্ৰন্থখনি সমগ্ৰ মিচিং সমাজৰ বাবে এক মাইলৰ খুঁটি। কাৰণ ইয়াৰ পূৰ্বে কোনো মিচিং লোকে এই জনজাতিটো সম্পৰ্কে বুৰঞ্জী লিখাৰ উদাহৰণ নাই। এই গ্ৰন্থখনি অত্যন্ত উচ্চমান। বিশিষ্ট, তদুপৰি আত্মজীৱনী লিখা কাৰ্যৰো প্ৰথমগৰাকী জনজাতীয় ব্যক্তি হিচাপে পৰিগণিত আছিল ডাঃ পেগু। তেওঁৰ দ্বাৰা প্ৰণীত আনকেইখন গ্ৰন্থ ক্ৰমে 'মিচিং আবীগ' (১৯৭৮), 'দি মিচিং অৱ দি ব্ৰহ্মপুত্ৰ ভেলী' (১৯৮১), 'কমদুং ৰুঃনৌনম' (১৯৮৫), 'গামিগ' (১৯৮৭), 'সাত সাগৰ তেৰ নদী' (১৯৮৮), 'মিচিংসকলক ইতিবৃত্ত আৰু সংস্কৃতি' (২০০০), 'মিচিং জনজীৱনৰ ৰূপৰেখা', 'দি ষ্ট্ৰাগ'ল অৱ মাই লাইফ' (২০০৩), 'অপাংক্তেয়' (২০০৪), 'আগম নেৰিং' (২০০৮) আৰু 'জীৱন যুঁজৰ কাহিনী' (২০১২) আৰু এই গ্ৰন্থকেইখনে অসমীয়া ভাষা-সাহিত্যৰ লগতে মিচিং ভাষা-সাহিত্যৰো ভঁৰাল চহকী কৰিছে। ইয়াৰে মিচিং জনজাতি সম্পৰ্কীয় গ্ৰন্থকেইখনে গৱেষক সকলৰ বাবে বিশেষ সমল গ্ৰন্থ হিচাপে পৰিচিত হৈছে বুলিও ড° বৰুৱাই ভাষণত উল্লেখ কৰি গ্ৰন্থকেইখনৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ আলোকপাত কৰে। অনুষ্ঠানত 'আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ'ৰ স'তে ডাঃ পেগু' শীৰ্ষক বক্তৃতা প্ৰদান কৰি কেন্দ্ৰটোৰ অনুষ্ঠান মুৰব্বী লোহিত ডেকাই ভাষণ প্ৰসংগত ১৯৭৬ চনত প্ৰচাৰিত ডাঃ পেগুৰ ৰচিত আৰু প্ৰয়াত শিল্পী নৰেন টাইৰ পৰিচালিত 'মিচিং সুৰৰ ছন্দে ছন্দে' শীৰ্ষক সংগীতালেক্ষ্যখনিৰ সম্পৰ্কত চমুকৈ আলোকপাত কৰি ইয়াৰ জৰিয়তে ডাঃ পেগুৰ দূৰদৰ্শী চিন্তা থকা সম্পৰ্কে আভাস প্ৰদান কৰে। আনহাতে 'ডাঃ নুমল চন্দ্ৰ পেগুৰ জীৱনপঞ্জী আৰু জীৱন সংগ্ৰাম' বিষয়ক বক্তৃতা প্ৰদান কৰে মুৰ্কংচেলেক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক কুমাৰ দলেই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি জোনাই সমষ্টিৰ বিধায়ক ভুবন পেগুৱে ভাষণ প্ৰসংগত ডাঃ পেগুৰ জীৱন-দৰ্শন আৰু দূৰদৰ্শী চিন্তাৰ শলাগলৈ চিকিৎসকৰ চাকৰিৰ মাজেৰেও মিচিং জনজাতিৰ বাবে কৰি যোৱা সেৱাই নতুন প্ৰজন্মক জ্ঞাত কৰাৰ প্ৰয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু সমগ্ৰ মিচিং সমাজৰ এনেবোৰ প্ৰবাদপ্ৰতীম ব্যক্তিৰ জীৱন-দৰ্শনৰ লগতে সৃষ্টিৰাজীক লৈ সম্ভাব্য আঁচনি গ্ৰহণৰ বাবে ৰাজ্যৰ সকলো কলেজ-বিদ্যালয়ৰ অধ্যাপক- শিক্ষকক লৈ এখনি মুকলি চিন্তাৰ মেজমেল অহা ছেপ্টেম্বৰ মাহত আয়োজন কৰাৰ কথাও সভাত জ্ঞাত কৰে। বিধায়ক গৰাকীয়ে ডাঃ পেগুৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে মিচিং স্বায়ত্তশাসিত পৰিষদৰ পৰা দহ লাখ টকাৰ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে। ডাঃ নুমল চন্দ্ৰ পেগু সোঁৱৰণী ন্যাসৰ সভাপতি ৰূপনাথ পেগুৱে পৌৰোহিত্য কৰা আৰু ন্যাসৰ উপসভাপতি তথা অসম চৰকাৰৰ জনজাতি পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব বিনীতা পেগু দলেই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত ডাঃ পেগুৰ ৰচিত এটি মিচি কবিতা আবৃত্তি কৰে আকাশবাণী ডিব্ৰুগড়ৰ অৱসৰী শিল্পী, সুৰকাৰ চৈয়দ ছাদুল্লাই। ন্যাসৰ সম্পাদক ড পৱিত্ৰ কুমাৰ পেগু আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই যৌথভাৱে আঁতধৰা অনুষ্ঠানত ডাঃ পেগুৰ ভাতৃ তথা চিলাপথাৰ ৰেচিডেন্সিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ ভূপেন্দ্ৰ পেগু, মিচিং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰশান্ত কুমাৰ বড়ি, মিচিং দূৰবৃ কৌবাঙৰ কোষাধ্যক্ষ হৰিপ্ৰসাদ মিলি, ডিব্ৰুগড় টাউন মিচিং কৌবাঙৰ প্ৰাক্তন সভাপতি লক্ষ্যনাথ কুলি, তুলসী পাংগিং আদিয়েও বক্তব্য আগবঢ়ায়। লেখক নেহেৰু পেগুৱে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত প্ৰয়াত ডাঃ পেগুৰ ৰচিত আৰু ড° পৱিত্ৰ কুমাৰ পেগুৰ সুৰাৰোপিত তথা অনাতাঁৰ শিল্পী দীপ্তিৰাণী পেগুৰ কণ্ঠৰ গীতৰ অনুষ্ঠান, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডুৰেইটৰ সহকাৰী অধ্যাপক ডেৰমী পেগুৰ পৰিচালিত নৃত্যানুষ্ঠান আৰু মাইকেল দলেৰ পৰিচালনাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা অধ্যয়ন কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশিত সংগীতানুষ্ঠানে অনুষ্ঠানটি বাংময় কৰি তোলে। অনুষ্ঠানত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ মিচিং জনজাতিৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি, ডাঃ পেগুৰ পৰিয়ালবৰ্গ, ন্যাস আৰু ডিব্ৰুগড় টাউন কেবাঙৰ বিষয়ববীয়া-সদস্য সকলৰ লগতে দ্বিশতাধিক লোক উপস্থিত থাকে। আনহাতে অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত ডাঃ পেগুৰ প্ৰতিচ্চবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি আৰু ডাঃ পেগুৰ প্ৰণীত গ্ৰন্থ সম্ভাৰৰ লগতে বিভিন্ন সময়ত লোৱা আলোকচিত্ৰৰ প্ৰদৰ্শনী 'স্মৃতিৰ সঁফুৰা' ফিতা কাটি উদ্বোধন কৰে লক্ষ্যনাথ কুলিয়ে।

# পুৰণিগুদাম চলচলিত নিচাযুক্ত দ্ৰব্য নিবাৰণৰ সজাগতা সভা

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ পুৰণিগুদাম চলচলি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাংগণত আজি চলচলি কেন্দ্ৰীয় সমিতিৰ উদ্যোগত নিচাযুক্ত দ্ৰব্য নিবাৰণৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। কলিয়াবৰ সমজিলাৰ আৰক্ষী অধীক্ষক বিতুল চেতিয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সভাত চলচলি কেন্দ্ৰীয় সমিতিৰ সকলো বিষয়ববীয়াৰ লগতে বৃহত্তৰ চলচলি অঞ্চলৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি, বিদ্যালয় প্ৰধান শিক্ষকৰ লগতে পুৰণিগুদাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, স্থানীয় ৰাইজ উপস্থিত থাকে। সভাত বিশিষ্ট অতিথি বিতুল





চেতিয়াই কয়, নগাঁওখন ড্ৰাগছৰ হাব। ড্ৰাগছৰ বহুত কেছ নগাঁৱত হয়। অসমৰ ভিতৰত সৰ্বাধিক ড্ৰাগছ নগাঁৱত বিক্ৰী হয় বুলি উল্লেখ কৰে আৰক্ষী বিষয়াগৰাকীয়ে। নগাঁৱলৈ ম্যানমাৰৰ পৰা ড্ৰাগছ সৰবৰাহ হয়। সেয়ে নগাঁৱত ড্ৰাগছ সুলভ। ড্ৰাগছ খোৱাজনেই অৱশেষত বেপাৰী হয়। অতি লাভজনক বেপাৰ হৈছে ড্ৰাগছ। কম টকা খুটুৱাই অধিক লাভ কৰিব পাৰি। সেই কাৰণে আৰক্ষীয়ে বেপাৰী ধৰি থকাৰ পিছতো নিয়ন্ত্ৰণ হোৱা নাই ড্ৰাগছৰ ব্যৱসায় বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, নগাঁও জিলাখনৰ ভিতৰতে ড্ৰাগছৰ বেপাৰী আৰু অবৈধ চুলাই মদৰ ভাটি চলচলি অঞ্চলত বহু দেখিবলৈ পোৱা যায়। উঠি অহা প্ৰজন্মৰ কাৰণে ভয়াবহ হৈ পৰা এই ড্ৰাগছ আৰু চুলাই মদ নিয়ন্ত্ৰণ হোৱা নাই চলচলি অঞ্চলত, যাৰ পৰিপ্ৰেক্ষিতত আজি ৰাইজে সজাগতা সভা অনুষ্ঠিত কৰি এই বৰবিহ সমাজৰ পৰা নাইকিয়া কৰাৰ প্ৰচেষ্টা হাতত লয়।

# উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত বিজ্ঞান আৰ্হিৰ প্ৰদৰ্শনীমূলক প্ৰতিযোগিতা

**অসম বাৰ্তা, নিমাতীঘাট, ৩০ আগষ্ট ঃ** উত্তৰ যোৰহাট বাহনা তিনিআলিস্থিত উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ত ২৯ আগষ্ট তাৰিখে এখনি বিজ্ঞান আৰ্হিৰ প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাৰ লগতে কৰ্মশালা আনুষ্ঠিত হৈ যায়। বিজ্ঞান আৰ্হিৰ প্ৰদৰ্শনীমূলক প্ৰতিযোগিতা উদ্বোধন কৰে বিদ্যালয়ৰ অধ্যক্ষ সৰ্বেশ্বৰ বৰাই। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমিতিৰ যোৰহাট জিলাৰ সমন্বয়ক হেমেন কুমাৰ শইকীয়া আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, মধ্য যোৰহাটৰ সমন্বয়ক বিপুল দুৱৰা সমল ব্যক্তি হিচাবে উপস্থিত থকা প্ৰতিযোগিতা খনিৰ কৰ্মশালাত আদৰণি ভাষণৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ শৈক্ষিক সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱাই। বিদ্যালয়ৰ অধ্যক্ষ সৰ্বেশ্বৰ বৰাই উপস্থিত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক-অভিভাৱিকা সকলক বিজ্ঞান আৰ্হিৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ব্যাখ্যা কৰাৰ লগতে দুয়োগৰাকী সমল ব্যক্তিক বিদ্যালয়খনিৰ শৈক্ষিক পৰিচালনা সমিতিৰ একোগৰাকী সন্মানীয় সদস্য হ'বৰ বাবেও আহ্বান জনায়। সমল ব্যক্তি হেমেন কুমাৰ শইকীয়াই তেওঁৰ ভাষণ প্ৰসঙ্গত ছাত্ৰ-ছাত্ৰী সকলক সৰুৰে পৰা অনুসন্ধিৎসু মনৰ অধিকাৰী হোৱাৰ লগতে সৰু সৰু বস্তুবোৰ পৰ্য্যবেক্ষন কৰি উদ্ভাৱনী মনোভাৱ গ্ৰহণ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াই। সমলব্যক্তি বিপুল দুৱৰাই সাধুৰ যোগেদি বিজ্ঞানৰ বহুকেইটা ৰসাল কাহিনীৰ লগতে উদ্ভাৱনৰ বিষয়ে ছাত্ৰ-ছাত্ৰী সকলক অৱগত কৰে। জেষ্ঠ শিক্ষয়িত্ৰী লেখিকা গগৈয়ে আঁতধৰা বঁটা বিতৰণী অনুষ্ঠানত বিজ্ঞান আৰ্হি প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে প্ৰয়াক্ষী হাতীবৰুৱা, প্ৰিয়াংগম নাথ আৰু যুটীয়াভাৱে মঃ আব্দুল ৱাহিদ, দেবাশীস বৰাই। জেষ্ঠশিক্ষয়িত্ৰী নিমিষা কলিতাই শলাগৰ শৰাই আগবঢ়োৱা কৰ্মশালাখনিত পঞ্চাছ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

# অভয়াপুৰী সমজিলা আয়ুক্তৰ ওচৰত অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাৰ স্মাৰকপত্ৰ

**অসম বাৰ্তা, অভয়াপুৰী, ৩০ আগষ্ট ঃ** অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাই আজি অভয়াপুৰী সম জিলা আয়ুক্তক সাক্ষাৎ কৰি অভয়াপুৰী চহৰৰ মৌলিক সমস্যাৰাজীৰ বিষয়ে আলোচনা কৰাৰ লগতে জ্যেষ্ঠ নাগৰিক সন্থাই এখন স্মাৰকপত্ৰও প্ৰদান কৰে। অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি তপন কুমাৰ দাস আৰু সম্পাদক অকন কৰ্মকাৰ স্বাক্ষৰিত উক্ত স্মাৰকপত্ৰখনত অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাৰ অভয়াপুৰীস্থিত কাৰ্যালয়টোৰ চৌহদত পানী জমা হৈ কৃত্ৰিম বানৰ পৰিৱেশ সৃষ্টি কৰা আৰু মুখ্যদ্বাৰত এখন তোৰণ প্ৰয়োজনীয়তাৰ বিষয়টো লিপিবদ্ধ কৰিছে। উল্লেখ্য যে প্ৰাক্তন মন্ত্ৰী প্ৰয়াত চন্দন কুমাৰ সৰকাৰে আগভাগ লৈ নিৰ্মাণ কৰা অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাৰ কাৰ্যালয়টো ২০১০ চনৰ ১ জুলাই তাৰিখত ৰাজ্যপাল জানকী বল্লভ পাটনায়কে উদ্বোধন কৰিছিল। সেই সময়ত কাৰ্যালয়টোৰ চৌহদত পানী জমা হোৱা নাছিল কিয়নো তেতিয়া পানী নিষ্কাষণৰ কাৰণে নলা সমূহ কাৰ্যক্ষম হৈ আছিল। কিন্তু পৰৱৰ্তী সময়ত সেই নলা সমূহৰে পৰ্যাপ্ত পৰিমাণৰ পানী নিষ্কাষণ নোহোৱাত এজাক বৰষুণ হলেই কাৰ্যালয়ৰ চৌহদত কৃত্ৰিম বানৰ সৃষ্টি হয় ফলত জ্যেষ্ঠ নাগৰিক সন্থাৰ কাৰ্যালয়টো বন্ধ ৰাখিবলগীয়া হয়। ইয়াৰ উপৰি সন্থাৰ কাৰ্যালয়ৰ সন্মুখৰ বেৰৰ সতে নাই তোৰণ বা গেট। সন্থাৰ বিষয়ববীয়া আৰু সদস্য সদস্যা সকলে জ্যেষ্ঠ নাগৰিক সন্থাৰ কাৰ্যালয়ৰ দক্ষিণ দিশত থকা এখন পানী যোগান আঁচনিৰ গেটয়েদি আহযাহ কৰে। সেই গেটখন বন্ধ কৰিলে জ্যেষ্ঠ নাগৰিক সকলে তেওঁলোকৰ কাৰ্যালয়তমলৈ প্ৰবেশ কৰিব নোৱাৰে আহযাহ কৰিবলৈ। এই মুখ্য সমস্যা দুটাৰ সমাধান বিচাৰি আজি জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি তপন কুমাৰ দাস, সম্পাদক অকন কৰ্মকাৰ, বিষয়ববীয়া ৰাধিকামোহন দাস, ডিম্বো ৰাম দাসে সমজিলা আয়ুক্তৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰাৰ উপৰিও অভয়াপুৰী চহৰৰ মৌলিক সমস্যা সমূহৰ বিষয়েও সম জিলা আয়ুক্তক অৱগত কৰে। অভয়াপুৰীৰ যানযঁট, চাফচিকুণতা, বিশুদ্ধ পানী যোগানৰ ব্যৱস্থা, নলা নৰ্দমা বেদখল মুক্ত কৰা আদি বিষয়েও সম জিলা আয়ুক্তক অৱগত কৰে।

## কৰ্ণধাৰ সমিতিৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

# ১৬ আৰু ১৭ অক্টোবৰত মৰিগাঁও মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সামৰণি অনুষ্ঠান

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক নিমন্ত্ৰণৰ প্ৰস্তাৱ গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ৩০ আগষ্ট ঃ** মৰিগাঁও জিলাৰ শৈক্ষিক আৰু বৌদ্ধিক শিক্ষাৰ প্ৰাণকেন্দ্ৰ মৰিগাঁও মহাবিদ্যালয়ৰ গৌৰৱোজ্জল হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠানটো অহা ১৬ আৰু ১৭ অক্টোবৰত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি আৰম্ভ কৰা হৈছে। ১৯৬৪ চনত স্থাপিত মৰিগাঁৱৰ একমাত্ৰ উচ্চ শিক্ষা অনুষ্ঠানটোৱে বৰ্তমান ৬১ বছৰত ভৰি দিছে। ২০২৪ বৰ্ষত মহাবিদ্যালয় খনে হীৰক জয়ন্তী উৎসৱৰ শুভাৰম্ভণী অনুষ্ঠানটো উদযাপন কৰাৰ পাছত চলিত বৰ্ষতে সামৰণি অনুষ্ঠানটো উদযাপন কৰিবলৈ চেষ্টা চলাই আছে। ইয়াৰ মাজতে আজি মহাবিদ্যালয় খনৰ হীৰক জয়ন্তী উৎসৱ উদযাপনৰ কৰ্ণধাৰ সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। মহাবিদ্যালয় খনৰ ড° হিমাংশু শৰ্মা সোঁৱৰণী সভাকক্ষত হীৰক জয়ন্তী উৎসৱ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি তথা মহাবিদ্যালয় খনৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক ড° অচ্যুত কুমাৰ দাসে আঁত ধৰা সভাখনত হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠানটো অহা ১৬ আৰু ১৭ অক্টোবৰত দুদিনীয়াকৈ উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মৰিগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ধনঞ্জয় কুচে, মায়ং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ কলিতা, মহাবিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সাহিত্যিক মিলেশ্বৰ পাতৰকে প্ৰমুখ্য কৰি বিশিষ্ট ব্যক্তি সকলে হীৰক জয়ন্তী উৎসৱটো যাতে সৰ্বাংগ সুন্দৰ হয় তাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। বিশেষকৈ চলিত বৰ্ষত মহাবিদ্যালয় খনে স্বতন্ত্ৰ মহাবিদ্যালয় স্বীকৃতি লাভ কৰাত সভাই সন্তুষ্টি প্ৰকাশ কৰে। লগতে হীৰক জয়ন্তী উৎসৱৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক নিমন্ত্ৰণ জনোৱা, দুখনকৈ গ্ৰন্থ প্ৰকাশ কৰা, বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা, ছাত্ৰ-ছাত্ৰীৰ উপকৃত হোৱাকৈ শৈশিক আলোচনা চক্ৰ, মুকলি সভা, সাংস্কৃতিক অনুষ্ঠানকে ধৰি ভালেকেইটা গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰা হয়। হীৰক জয়ন্তী উৎসৱটো সফল কৰি তোলাৰ বাবে সভাই মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ পূৰ্ণতাৰ সহায় সহযোগিতা কামনা কৰে।

# পূৰ্বাঞ্চলিক মহাবিদ্যালয়ত মহন শইকীয়াৰ সোঁৱৰণত বঁটা প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩০ আগষ্ট ঃ** গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়ত আজি ২০২৫ বৰ্ষৰ নৱাগত আদৰণি সভাখন অনুষ্ঠিত হৈ যায়। উক্ত সভাখন পৰিচালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন হাজৰিকাই। সভাৰ কাৰ্যসূচীৰ লগতে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ২০২৫ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ শান্তনু বৰাক প্ৰয়াত মহন শইকীয়া সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। এই বটা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক বিজিত শইকীয়াৰ প্ৰয়াত পিতৃ মহন শইকীয়া সোঁৱৰণত প্ৰদান কৰা হয়। উক্ত বঁটাত আছে এহেজাৰ টকা, কিতাপ আৰু অনুপ্ৰেৰণামূলক সম্বৰ্ধনা পত্ৰ। বঁটা প্ৰদান কৰে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই। অনুষ্ঠানত বিভিন্ন বিভাগৰ হাতে লিখা আলোচনী উন্মোচনৰ কাৰ্যসূচীত ৰাজনীতি বিজ্ঞান বিভাগৰ হাতে লিখা আলোচনী 'আলোক' উন্মোচন কৰা হয়। বহু শিক্ষাবিদ, গণ্যমান্য ব্যক্তি, আৰু স্থানীয় ৰাইজৰ উপস্থিতিত দিনজোৰা কাৰ্যসূচীৰ অন্ত পৰে।

**NAME CORRECTION**

My Mother's real Name is Majeda Begum on all identification documents like Aadhaar Card and all documents. But my birth certificate bearing Regd. No 493/2007 dated 09/07/2022 my mother's name has been wrongly recorded as Majeda Begum alias Must Mazida Begum instead of Majeda Begum.

Majeda Begum,
W/O : Abdul Rahim,
Vill : Raja Ali,
PO : Jurirpar, PS : Kachua,
Dist : Nagaon(Assam)
AB-127/2025

My real Name is Anar Hussain and my Wife's name is Manjila Begum on all identification documents like Aadhaar Card and all documents. But on my child Ayin Hussain's birth certificate bearing Regd. No 1236/2008 dated 28/07/2021 my name has been wrongly recorded as Anar Hussain alias Md Anwar Hussain instead of Anar Hussain and my wife's name wrongly recorded as Manjila Begum alias Manjoola Begum instead of Manjila Begum.

Anar Hussain
S/O : Taher Ali,
Vill : Ujanmari,
PO : Simaluguri, PS : Kachua,
Dist : Nagaon(Assam)
AB-128/2025

# টিলাপাৰাত জঘন্য হত্যাকাণ্ড, মৃত অৱস্থাত উদ্ধাৰ এজন

**অসম বাৰ্তা, অভয়াপুৰী, ৩০ আগষ্ট ঃ** লেংটিছিঙাৰ সমীপৰ টিলাপাৰা অঞ্চলত এক নিৰ্মম হত্যাকাণ্ডই অঞ্চলটোত শোকাৱহ পৰিস্থিতি সৃষ্টি হৈছে। এই ভয়ংকৰ হত্যাকাণ্ড সংঘটিত হোৱাৰ খবৰে সমগ্ৰ অঞ্চলক কঁপাই তুলিছে। নিজৰ শোৱনীকোঠাত মৃত অৱস্থাত উদ্ধাৰ হৈছে স্থানীয় যুৱক হাছানুৰ ৰহমান। সূত্ৰ মতে, আজি পুৱতি নিশা প্ৰায় দুই বজাত সংঘটিত হয়। মৃত যুৱকজন নিজৰ ঘৰৰ ভিতৰত ভাতৃৰ সৈতে পৃথক পৃথক কোঠালীত শুই আছিল। হঠাতে পৰিয়ালৰ লোকে অস্বাভাৱিক শব্দ শুনি সংশয়ত পৰে। পিছত কোঠালীত প্ৰৱেশ কৰাত হাছানুৰ ৰহমানক বিছনাৰ ওপৰত মৃত অৱস্থাত পৰি থকাৰ দৃশ্যই সকলোকে স্তমভিত কৰি তোলে। মৃতকৰ শৰীৰত গুৰুতৰ আঘাতৰ চিন পোৱা গৈছে, যাৰ ফলত হত্যাকাণ্ডৰ সন্দেহ প্ৰবল হৈছে। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে ঘটনাস্থলীত উপস্থিত হয় পৰিয়াল আৰু প্ৰতিৱেশী লোকসকল। খবৰ পোৱাৰ লগে লগে আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। লগতে ফৰেনচিকৰ দল আহি প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰে। মৃতদেহটো পৰৱৰ্তী সময়ত মৰণোত্তৰ পৰীক্ষাৰ বাবে বঙাইগাঁৱলৈ লৈ যোৱা হয়। এই অস্বাভাৱিক মৃত্যুক কেন্দ্ৰ কৰি সমগ্ৰ টিলাপাৰা আৰু কাষৰীয় অঞ্চলত আতঙ্ক সৃষ্টি হৈছে। হত্যাৰ অন্তৰালত কি কাৰণ আছিল আৰু কিদৰে এই ভয়ংকৰ ঘটনা সংঘটিত হ'ল ইয়াৰ তদন্তত ব্যস্ত আৰক্ষী।

# মেৰাপানীত সামাজিক ন্যায় আৰু সৱলীকৰণৰ উদ্যোগত ড্ৰাগছৰ সজাগতা সভা

**অসম বাৰ্তা, মেৰাপানী, ৩০ আগষ্ট ঃ** অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট মেৰাপানীত সামাজিক ন্যায় আৰু সৱলীকৰণৰ উদ্যোগত অনুষ্ঠিত হয় ড্ৰাগছ সজাগতা সভা। সভাত উপস্থিত থাকে মেৰাপানী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰাঞ্জল প্ৰকাশ চক্ৰৱতী, মেৰাপানীৰ ডি চেক্টৰ কামানডেণ্ট, মেৰাপানী টাউন হাইস্কুলৰ প্ৰধান শিক্ষক নগেন বৰা, বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকল, অংগনবাডী কৰ্মী, সহায়িকাসকলৰ লগতে বিশিষ্ট ব্যক্তিসকল। অসম নাগালেণ্ড সীমান্তত বহু যুৱক যুৱতী ড্ৰাগছৰ আসক্ত হোৱাৰ ফলত ভৱিষ্যত জীৱন অন্ধকাৰ হোৱাৰ দিশে আগবাঢ়িছে। তাৰ পৰা কি দৰে পৰিত্ৰাণ পাব পাৰি তাকে লৈ বিষদভাৱে আলোচনা কৰা হয় আজি ড্ৰাগছ সজাগতা সভাত। সভাখনতেই বিভিন্ন অঞ্চলত ড্ৰাগছৰ সজাগতা সভাৰ অনুষ্ঠিত কৰি নৱপ্ৰজন্মক ড্ৰাগছৰ কবলৰ পৰা মুক্ত কৰিবলৈ আহ্বান জনোৱা লগতে ড্ৰাগছ ব্যৱসায়ি সকলক চিনাক্ত কৰি ৰাইজে আৰক্ষীক চমজায় দিবলৈ প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনায়।

# ধুবুৰী বিধানসভা সমষ্টিত বিজেপিৰ টিকটৰ ব্যাপক চৰ্চা

**অসম বাৰ্তা, ধুবুৰী, ৩০ আগষ্ট ঃ** ২০২৬ ইং চনৰ বিধানসভা নিৰ্বাচন সমাগত হোৱাৰ লগে লগে ধুবুৰী বিধানসভা সমষ্টিতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। বিজেপিৰ নেতা-কৰ্মী সকলৰ মাজতো ব্যাপক আলোচনা-চৰ্চা আৰম্ভ হৈছে সম্ভাব্য প্ৰাৰ্থীক লৈ। দলীয় সূত্ৰই জনোৱা মতে, সমষ্টিটোৰ বাবে প্ৰাক্তন বিজেপি জিলাৰ সভাপতি প্ৰসেনজিত দত্ত (তাপস)কেই বহুলভাৱে আগবঢ়োৱা হৈছে। নেতা-কৰ্মী সকলৰ মাজতো তেওঁৰ নামেই বহুত চৰ্চিত হৈছে আৰু দলীয় টিকট লাভ কৰাৰ সম্ভাৱনা তেওঁৰ নামতেই অধিক দেখা গৈছে। ধুবুৰীত বিজেপিৰ সক্ৰিয় সংগঠক হিচাপে পৰিচিত প্ৰসেনজিত দণ্ড ২০২৬ চনৰ নিৰ্বাচনত দলীয় প্ৰাৰ্থী হোৱাৰ সম্ভাৱনাই বৰ্তমান ধুবুৰীৰ ৰাজনৈতিক পৰিৱেশত এক নতুন চাঞ্চল্য সৃষ্টি কৰিছে।

# বিশ্ব মহাবীৰ চিলাৰায় ভৱন শুভ উদ্বোধন আৰু জাতীয় পোছাক পাটানী বিতৰণ অনুষ্ঠান

**অসম বাৰ্তা, ধুবুৰী, ৩০ আগষ্ট ঃ** আজি ধুবুৰী চহৰৰ ওচৰৰ ঝগৰাৰ পাৰ দ্বিতীয় খণ্ড(ধামেৰ পাৰ)ত কোচ ৰাজবংশী সকলৰ নতুনকৈ এখন বিশ্ব মহাবীৰ চিলাৰায় ভৱনৰ শুভ উদ্বোধন কৰে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস। লগতে উপস্থিত থাকে কমতাপুৰৰ মুখ্য কাৰ্য্যবাহী সদস্য জীবেশ ৰায়, কমতাপুৰৰ অধ্যক্ষ হিতেশ ৰায়, বিজেপি দলৰ ধুবুৰী জিলা সভাপতি ৰঞ্জিত ৰায়, ধুবুৰী পৌৰসভাৰ অধ্যক্ষ ডাঃ দেৱময় সান্যাল, কে এ সিৰ সাধাৰণ সম্পাদক মায়াৰানী ৰায়, ধুবুৰী জিলা আক্ৰাছু সাধাৰণ সম্পাদক নৱ ৰায়, ঝগৰা পাৰ মণ্ডল বিজেপিৰ সভানেত্ৰী ৰিংকুমনি বৰ্মন লগতে স্থানীয় ৰাইজ সকল। ধুবুৰী বি জে পি টাউন মণ্ডলৰ সভানেত্ৰী ৰাখী কুণ্ডু দাস, ধুবুৰী পৌৰসভাৰ উপ সভানেত্ৰী আই ভি লতা ৰায়।

# খৈৰাবাৰী নিচিলামাৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল-জীৱন মিছন ধুৱাচাঙত

**অসম বাৰ্তা, খৈৰাবাৰী, ৩০ আগষ্ট ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগ টংলা সংমণ্ডলৰ অধিনৰ খৈৰাবাৰী নিচিলামাৰি গাঁৱৰ জল জীৱন মিছন ধুৱাচাঙত। নিচিলামাৰি গাঁৱত নিৰ্মাণ কৰা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিচনৰ কাম ১কোটি ২০ লাখ টকাৰে প্ৰকল্পটোৰ ঘৰ দুৱাৰৰ কাম সম্পূৰ্ণ কৰিছিল যদিও দুবছৰে ৰাইজে এটুপিও পানী খাবলৈ নাপালে। অতি নিম্নমানৰ পাইপ আৰু পানী টেংকীসমূহ ভাঙি চিঙি যোৱাৰ ফলত দুবছৰ ধৰি বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত নিচিলামাৰি গাঁৱৰ ৰাইজ। জল জীৱন মিছনৰ অধীনৰ ১৭৫ ঘৰ পৰিয়ালৰ লোক বঞ্চিত জল জীৱন মিছনৰ বিশুদ্ধ খোৱাপানীৰ পৰা। হাবি জংঘলৰে আবৰি অতি পৰিতপ্ত ভাৱে জল জীৱন মিছনৰ বিশুদ্ধ খোৱাপানীৰ এলেকা পৰি থকা পৰিলক্ষিত হৈছে। ৰাইজৰ অভিযোগ জল জীৱন মিছনৰ নামত চৰকাৰে কোটি কোটি টকা ব্যয় কৰি সময় আৰু ৰাইজৰ ধন অপচয় কৰিলে কিন্তু জনসাধাৰণ ইয়াৰ পৰা উপকৃত হব নোৱাৰিলে। সেয়ে দুই বছৰে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ থকা নিচিলামাৰি গাঁৱৰ একাধিক ৰাইজ ওলাই আহি বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়। টংলা সংমণ্ডলৰ জনস্বাস্থ্য কাৰিকৰী বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ অৱগত কৰাৰ পিছতো কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰিলে। ফলত নিচিলামাৰি গাঁৱৰ জল জীৱন মিছনৰ বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ থকিবলগীয়াত পৰিছে গাঁৱৰ খাতিখোৱা একাধিক দৰিদ্ৰ পৰিয়ালৰ লোকসকল। অৱশেষত নিচিলামাৰি গাঁৱৰ একাধিক ৰাইজ ওলাই আহি সংবাদ মাধ্যমৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষক পুনৰ পানীৰ পাইপ আৰু টেংকীসমূহ মেৰামতি কৰিবলৈ আহ্বান জনায়। লগতে অসমৰ মুখ্যমন্ত্ৰীক অনুৰোধ জনাই বিষয়টো গুৰুত্ব সহকাৰে লৈ অতি সোনকালে বিভাগীয় কৰ্তৃপক্ষক দ্বাৰ বিশুদ্ধ খোৱাপানীৰ যোগান ধৰিবলৈ আহ্বান জনাই।

## আমগুৰি বিজেপি উপ-সভাপতি নৃপেন গোহাঁইৰ মৃত্যু, শোক

**অসম বাৰ্তা, আমগুৰি, ৩০ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ অন্তৰ্গত আমগুৰি নগৰ মণ্ডল বিজেপিৰ উপ-সভাপতি তথা জনপ্ৰিয় সমাজকৰ্মী নৃপেন গোহাঁই (৬০) আজি আকস্মিকভাৱে পৰলোকগামী হয়। অমায়িক স্বভাৱৰ সৈতে সমাজসেৱামূলক কাৰ্যত সদায় আগভাগ লোৱা গোহাঁয়ে আমগুৰিত প্ৰথম কেব'ল টিভিৰে ডিজিটেল যুগৰ সূচনা কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ আৰু এগৰাকী কন্যাক ইহ সংসাৰত এৰি যায়। সহজ সৰল স্বভাৱৰ নৃপেন গোঁহাইৰ আকস্মিক মৃত্যুত আমগুৰি পৌৰসভাৰ পৌৰপতি অনামিকা নেওগ বৈশ্য, বিজেপিৰ আমগুৰি নগৰ মণ্ডলৰ নেতৃত্বই শোক প্ৰকাশ কৰাৰ লগতে আমগুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু গণ্যমান্য ব্যক্তিসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

# মৰিগাঁও জিলা আয়ুক্তৰ শিক্ষা বিভাগৰ বিষয়াৰে পৰ্যালোচনা বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩০ আগষ্ট ঃ** শুক্ৰবাৰে মৰিগাঁও জিলাৰ জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত শিক্ষা বিভাগৰ সৈতে এখনি গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকখন জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকখনৰ আৰম্ভণিতে অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) অনুসুয়া শৰ্মাই সূচনামূলক বক্তব্য প্ৰদান কৰে আৰু শিক্ষা খণ্ডৰ সম্বন্ধে এটা পাওৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যন আগবঢ়াবলৈ অনুৰোধ কৰে। এই বৈঠকত জিলা আয়ুক্ত গৰাকীয়ে বিদ্যালয়সমূহত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ নিয়মিত উপস্থিতি নিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়া সকলক নিৰ্দেশ দিয়ে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত নিয়মীয়াভাৱে বিদ্যালয়ত উপস্থিত নাথাকে, শিক্ষক সকলক সেই ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ সৈতে আলোচনা কৰি অনুপস্থিতিৰ কাৰণ নিশ্চিত কৰিব লাগিব বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। লগতে সময়মতে উপস্থিত নথকা শিক্ষক-শিক্ষয়িত্ৰীৰ ক্ষেত্ৰত প্ৰশাসনৰ পক্ষৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ নিৰ্দেশ দিয়ে। আনহাতে আগন্তুক ৫ ছেপ্তেম্বৰ শিক্ষক দিৱসৰ অনুষ্ঠান আয়োজনৰ বিষয়ে এই বৈঠকত আলোচনা কৰা হয়। বৈঠকত বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ লগতে শিক্ষা বিভাগৰ বিষয়াসকল আৰু বিভিন্ন বিদ্যালয়ৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

বৰপেটাত আৰোহণ কাৰ্যসূচী ৰূপায়ণ

# ছাত্ৰ-ছাত্ৰীৰ সৈতে জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাৰ মত বিনিময় অনুষ্ঠান

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩০ আগষ্ট ঃ** আজি বৰপেটা জিলাৰ পুথিভঁৰাল প্ৰেক্ষাগৃহত জিলা প্ৰশাসন, বৰপেটাৰ উদ্যোগত আৰু বিদ্যালয় শিক্ষা বিভাগ, বৰপেটাৰ সহযোগত ছাত্ৰ ছাত্ৰীৰ সৈতে জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাৰ মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰ, বিএইছ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠক, উপ আৰক্ষী অধীক্ষক বিদ্যুৎ বিকাশ বৰা ভূঞা আৰু বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে। এগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা এই কাৰ্যসূচীত বৰপেটা জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত জয়ন্ত বৰাই সকলোৰে উদ্দেশ্যি দিয়া আদৰণি ভাষণত উল্লেখ কৰে যে আৰোহণৰ মেণ্টৰ সকলে নিজৰ নিজৰ মেণ্টি সকলৰ লগত যোগাযোগ অক্ষুণ্ণ ৰাখিব লাগিব। তেওঁলোকে মেণ্টি সকলৰ শৈক্ষিক উন্নতিৰ লগতে সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰতো গাইড দিব লাগিব। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে মেণ্টি সকলৰ লগত যোগাযোগ কৰাৰ লগতে কিদৰে মেণ্টি সকলে পৰীক্ষা বোৰত ভালদৰে উত্তীৰ্ণ হৈ পাৰদৰ্শিতা দেখুৱাব পাৰে তাৰ বাবে অহৰহ ভাৱে যত্ন কৰাৰ উপৰিও ভালদৰে গাইড দিয়াৰ প্ৰয়োজন আছে। তেওঁ নিজৰ বক্তব্যত মেণ্টৰ সকলৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে বিস্তাৰিত ভাৱে ব্যাখ্যা আগবঢ়ায়। ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেন তালুকদাৰে কয় 'জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য থাকিব লাগিব। লক্ষ্য নাথাকিলে জীৱনত কোনোৰে সাৰ্থকতা লাভ কৰিব নোৱাৰে। জীৱনত উন্নতি সাধন কৰিবলৈ সকলোৰে নিজৰ লক্ষ্য অনুসৰি কঠোৰ পৰিশ্ৰম কৰিব লাগিব। আনহাতে বিশিষ্ট অতিথি ড° বিৰিঞ্চি কুমাৰ দাসে কয় যে ছাত্ৰ ছাত্ৰী সকলে আজিৰ দিনত বহুত সুবিধা লাভ কৰিছে। নিজৰ পঢ়া কালছোৱাত কোনো ধৰণৰ মেণ্টৰ মেণ্টি পদ্ধতি নাছিল। এতিয়া এই আৰোহণ কাৰ্যসূচীৰ অন্তৰ্গত মেণ্টৰ মেণ্টি পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰী সকলক যথেষ্ট পৰিমাণে উপকৃত কৰিছে। মেণ্টৰ সকলে যাতে এই মহান কামটোত নিজকে আত্মনিয়োগ কৰে তাৰ বাবে উপস্থিত সকলো মেণ্টৰকে তেওঁ আহ্বান জনায়। তেওঁ বক্তব্যত কয় যে মানুহ গঢ়াৰ আনন্দই সুকীয়া। আনহাতে বিএইছ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ভুষন চন্দ্ৰ পাঠকে বিশিষ্ট অতিথিৰ ভাষণত তেওঁ কয় যে ছাত্ৰ-ছাত্ৰী সকলে নিজক প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট পৰিমাণে পৰিশ্ৰম কৰিব লাগিব। "কষ্টৰ ফল মিঠা" গতিকে, সৰুৰে পৰা ছাত্ৰ ছাত্ৰী সকলে নিজৰ লক্ষ্য আগত ৰাখি পঢ়া-শুনা কৰিলেহে জীৱন সাৰ্থক হোৱাৰ একশ শতাংশ সম্ভাৱনা আছে। এই অনুষ্ঠানত বিদ্যালয় সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকাই কয় ছাত্ৰ ছাত্ৰী সকলে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ চৰকাৰে বিনামূলীয়াকৈ কিতাপ, মধ্যাহ্ন ভোজন, ঐক্যসাজ, চাইকেল, স্কুটী আদি দিয়াৰ লগতে আৰোহণ কাৰ্যসূচীৰ অধীনত একো একোজন মেণ্টৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মেণ্টি সকলক কিতাপ কিনিবলৈ এক হাজাৰকৈ টকাও দিছে, জ্ঞান অন্বেষণৰ লক্ষ্যৰে গুৱাহাটীৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থান ভ্ৰমণ কৰোৱাৰো ব্যৱস্থা গ্ৰহণ কৰিছে আৰু লগতে আজিৰ দৰে ছাত্ৰ-ছাত্ৰীৰ সৈতে জিলা আয়ুক্তৰ মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্ৰহণো কৰিছে। গতিকে, ছাত্ৰ-ছাত্ৰী সকলে যাতে ভালদৰে পঢ়া-শুনা কৰি জীৱনৰ লক্ষ্যত উপনীত হ'ব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনায়। বৰপেটাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত ভাৰ্জিল কলিতাই তেওঁৰ ভাষণত কয় যে ছাত্ৰ ছাত্ৰী সকলে অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ হ'লে এন চি ই আৰ টিৰ কিতাপত থকা সকলোবোৰ বিষয়বস্তু হৃদয়ংগম কৰিব লাগিব। মেণ্টৰ সুকন্যা শৰ্মাই মেণ্টৰ হিচাপে তেওঁৰ অভিজ্ঞতা ব্যক্ত কৰে। এই অনুষ্ঠানত অসম চৰকাৰৰ আৰোহণ কাৰ্যসূচীৰ অধীনত জ্ঞান অন্বেষণ যাত্ৰাৰ ওপৰত যুগুত কৰা তথ্য চিত্ৰ এখন প্ৰদৰ্শন কৰা হয়। সমগ্ৰ শিক্ষা বৰপেটাৰ জিলা আঁচনি বিষয়া নিৰঞ্জন ওজাই আঁত ধৰা এই অনুষ্ঠানত নীট উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী ক্ৰমে প্ৰীতম কলিতা আৰু বৃন্দা ৰায়চৌধুৰীয়ে নীট উত্তীৰ্ণ হ'বলৈ কিদৰে নিজকে প্ৰস্তুত কৰিছিল সেই সম্পৰ্কত নিজৰ নিজৰ অভিজ্ঞতা ছাত্ৰ-ছাত্ৰী সকলৰ লগত ব্যক্ত কৰে। মুঠ সাতশ মেণ্টৰ, মেণ্টি আৰু অভিভাৱকৰ উপস্থিতিত জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাই কয় যে চেষ্টা কৰিলে কোনো বিষয়ে ছাত্ৰ ছাত্ৰীৰ উন্নতিত হেঙাৰ হ'ব নোৱাৰে। জীৱনত উন্নতি কৰিব লাগিলে ছাত্ৰ ছাত্ৰী সকলে নিজৰ জীৱনৰ লক্ষ্য বান্ধি লৈ সেই মতে কঠোৰ পৰিশ্ৰম কৰাৰ লগতে বিষয়টোৰ সৈতে আত্মনিয়োগ কৰিব লাগিব। তেওঁ লগতে কয় যে অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ হ'লে ছাত্ৰ ছাত্ৰী সকলে এন চি ই আৰ টিৰ কিতাপ বোৰ পুংখানুপুংখ ভাৱে পঢ়িব লাগিব। ধৈৰ্য আৰু একাগ্ৰতা থাকিলে সকলো পৰীক্ষাতে ভালদৰে উত্তীৰ্ণ হব পাৰিব। মেণ্টি সকলৰ উন্নতিৰ ক্ষেত্ৰত মেণ্টৰ সকলৰ উল্লেখযোগ্য ভূমিকা আছে। মেণ্টি সকলে যাতে জীৱনৰ লক্ষ্যত উপনীত হ'ব পাৰে তাৰ বাবে মেণ্টৰ সকলে সঠিক ভাৱে গাইড দিব লাগিব। উল্লেখযোগ্য যে এই আৰোহণ কাৰ্যসূচীৰ অধীনত জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাই নৱম শ্ৰেণীৰ পাঁচজন ছাত্ৰ ছাত্ৰী ক্ৰমে বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শশাঙ্ক দাস, বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ বিজীত হালৈ, পৰমেশ তালুকদাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ জ্যোতিৰ্ময় চৌধুৰী, দক্ষিণ বৰপেটা বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী হৰ্ষিতা দাস আৰু জুৰোৱাম পাঠক ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী নৱনীতা দাসৰ মেণ্টৰ হিচাপে দায়িত্ব গ্ৰহণ কৰে।

নেশ্বনেল চেম্পিয়নশ্বিপ - ২০২৫ সন্মান

## উৰিষ্যাৰ কটকত টাইকোৱাণ্ডোত উজলিল বকোৰ ধৃতি কলিতা

**অসম বাৰ্তা, বকো, ৩০ আগষ্ট ঃ** আন্তঃৰাজ্যিক টাইকোৱাণ্ডো প্ৰতিযোগিতাত এই বেলি উজলি উঠিছে কামৰূপ জিলাৰ বকোৰ খেলুৱৈ। উৰিষ্যাৰ কটকত অনুষ্ঠিত হোৱা নেশ্বনেল চেম্পিয়নশ্বিপ-২০২৫ত সৰ্বোচ্চ সন্মান লাভ কৰি ক্ৰীড়া নগৰী বকোলৈ সুনাম কঢ়িয়াই আনিছে বকো ডনবস্ক হাইস্কুলৰ ছাত্ৰী তথা বকো ডাকুৱাপাৰা নিবাসী যুৱ সমাজকৰ্মী ভব কলিতা আৰু পল্লৱী কলিতাৰ জীয়ৰী ধৃতি কলিতা (ধুনু) ই। প্ৰাপ্ত তথ্য অনুসৰি উৰিষ্যাৰ কটকত অনুষ্ঠিত হয় আন্তঃৰাষ্ট্ৰীয় টাইকোৱাণ্ডো প্ৰতিযোগিতা - ২০২৫ ৰ খেল। এই খেলত ৪৭ কে জি শাখাত চতুৰ্থ চাৰ জুনিয়ৰ আৰু ছিনিয়ৰ খেল প্ৰদৰ্শন কৰি সৰ্বোচ্চ সন্মান লাভ কৰিবলৈ সক্ষম হয় ধৃতিয়ে। যোৱা ২৯ আগষ্টৰ নিশা হোৱা খেলৰ ফলাফলত উজলি উঠিল বকোৰ খেলুৱৈ গৰাকী। আন্তঃৰাষ্ট্ৰীয় টাইকোৱাণ্ডো প্ৰতিযোগিতাৰ নেশ্বনেল চেম্পিয়নশ্বিপ সন্মান আজুৰি আনা বাবে বকোৰ গৌৰৱ ধৃতিক বকোৰ সমাজ সচেতন ৰাইজৰ লগতে ক্ৰীড়া সংগঠক সমাজে আৰ্শীবাদ প্ৰদান কৰিছে। বকোৰ লুইত পৰীয়া ভয়ছৰ তৰফৰ পৰাও ধৃতিক জনাইছে শুভকামনা।

নাৰায়ণপুৰ প্ৰাথমিক বিদ্যালয়ত শ্ৰেণীকোঠাৰ অভাৱত একেটা কোঠাতে চাৰিটাকৈ শ্ৰেণীৰ পাঠদান

# বৰক্ষেত্ৰী শিক্ষাখণ্ডত শিক্ষা ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৩০ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী শিক্ষা খণ্ডৰ অন্তৰ্গত নাৰায়নপুৰস্থিত এখন বিদ্যালয় কেন্দ্ৰীয় চৰকাৰৰ "শিক্ষা নিশ্চিতকৰণ আঁচনি"ৰ জৰিয়তে ২০০৩ চনত স্থাপন হোৱা নাৰায়ণপুৰ প্ৰাথমিক বিদ্যালয়ত শ্ৰেণীকোঠাৰ অভাৱত একেটা শ্ৰেণীকোঠাতেই পাঠদান কৰিব-লগীয়া হৈছে চাৰিটাকৈ শ্ৰেণীৰ পাঠদান। উল্লেখ্য যে ২০০৩ চনত কেন্দ্ৰীয় চৰকাৰৰ এখন আঁচনিৰ জৰিয়তে স্থাপন হোৱা নাৰায়ণপুৰ প্ৰাথমিক বিদ্যালয়খনত আছে দুটা শ্ৰেণীকোঠা আৰু এটি ৰান্ধনীঘৰ। বিদ্যালয়খনৰ প্ৰধান শিক্ষক আয়ুব আলীয়ে জানিব দিয়া অনুসৰি ২০০৩ চনত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা নিশ্চিতকৰণ আঁচনিৰ জৰিয়তে স্থাপন হোৱা বিদ্যালয়খন ২০১০ চনত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ অধীনত চৰকাৰীকৰণ হয়। জানিব পৰা মতে বৰ্তমান বিদ্যালয়খনত প্ৰায় ৬০জন শিক্ষাৰ্থীৰ বিপৰীতে আছে মাত্ৰ দুজন শিক্ষক। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ দিনা বিদ্যালয়খনত ক্ৰীড়াক্ষেত্ৰত সজাগতা সৃষ্টি কৰিবলৈ এক সমদল উলিয়াই পালন কৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বিদ্যালয়খনৰ প্ৰধান শিক্ষক গৰাকীয়ে জানিবলৈ দিয়া অনুসৰি শ্ৰেণীকোঠাৰ অভাৱত ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষাদান কৰাব পৰা নাই বুলিও উল্লেখ কৰি বিদ্যালয়খনত শ্ৰেণীকোঠাৰ সু-ব্যৱস্থা কৰিবলৈও চৰকাৰক আহবান জনায়। বৰক্ষেত্ৰীৰ সৰ্বত্ৰ এতিয়া প্ৰশ্ন উত্থাপিত হৈছে এয়াই অসম চৰকাৰৰ উন্নত শিক্ষা ব্যৱস্থাৰ স্বৰূপ নেকি?

# নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম-শতবাৰ্ষিকী উদ্‌যাপন

**অসম বাৰ্তা, বঢ়মপুৰ, ৩০ আগষ্ট ঃ** অসমৰ সমগ্ৰ জিলাৰ লগতে নগাঁও জিলাটো নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত স্বাধীনতা সেনানী, জৰুৰীকালীন সময়ৰ ক'লা দিনবোৰত উদাত্ত কণ্ঠেৰে প্ৰতিবাদ কৰি দেশৰ গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে নিজক উৎসৰ্গিত কৰা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাদেৱৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানটি আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা হয়। জিলা আয়ুক্ত শ্ৰী দেৱাশিস শৰ্মা, ভা: প্ৰ: সে: ডাঙৰীয়াই অনুষ্ঠানৰ আৰম্ভণিতে গোলাপ বৰবৰাদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাপন কৰি প্ৰয়াত মুখ্যমন্ত্ৰী গৰাকীৰ কৰ্মৰাজিক শ্ৰদ্ধাৰে স্মৰণ কৰে। উল্লেখযোগ্য যে, ১৯২৫ চনৰ ২৯ আগষ্ট তাৰিখে জন্মগ্ৰহণ কৰা এই মহান নেতা গৰাকী ১৯৬৮ চনত অসমৰ পৰা ৰাজ্যসভালৈ বিৰোধীপক্ষৰ প্ৰথম গৰাকী সদস্য হিচাপে নিৰ্বাচিত হৈ সংসদৰ মজিয়াত দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ সমস্যা সাৱলীল তথা শক্তিশালী ৰূপত দাঙি ধৰিছিল। জৰুৰীকালীন অৱস্থাৰ পিছত প্ৰয়াত গোলাপ বৰবৰা দেৱৰ নেতৃত্বাধীন জনতা দলে কংগ্ৰেছক ক্ষমতাচ্যুত কৰি ১৯৭৮ চনৰ ১২ মাৰ্চ তাৰিখে তেখেতে অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰি অসমৰ ৰাইজৰ কল্যাণৰ হকে বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানটিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ভাৰত চৰকাৰৰ গৃহ আৰু সমবায় মন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ উপস্থিতিত আয়োজিত গোলাপ বৰবৰাদেৱৰ শতবাৰ্ষিকী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰী, অতিৰিক্ত আয়ুক্ত দ্বয় ক্ৰমে- পংকজ নাগবংশী, দেবাহুতি বৰা, জিলা তথ্য আৰু জনসংযোগ বিষয়া মন্দিৰা চায়েঙীয়াকে প্ৰমুখ্য কৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল আৰু জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে। সমান্তৰালভাৱে জিলাখনৰ নগাঁও বিশ্ববিদ্যালয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয় সমূহত এই দিৱসটি উদ্‌যাপন কৰাৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত শতবৰ্ষ অনুষ্ঠানটিৰ পোনপটীয়াকৈ সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়।



# উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত অভয়াপুৰীত শিক্ষক দিৱসৰ আয়োজন

**অসম বাৰ্তা, অভয়াপুৰী, ৩০ আগষ্ট ঃ** অহা ৫ চেপ্টেম্বৰত শিক্ষক দিৱস উপলক্ষে অভয়াপুৰীৰ বেজবৰুৱা ভৱনত এক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ উদ্যোক্তা উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী, য'ত সহযোগিতা আগবঢ়াব উত্তৰ শালমাৰাৰ মধ্য ইংৰাজী আৰু উচ্চ বুনিয়াদী শিক্ষক সন্থা, লগতে সৃজনগ্ৰাম, বইটামাৰী শিক্ষাখণ্ড আৰু অভয়াপুৰী সদৰে। শিক্ষক দিৱস উপলক্ষে আয়োজন কৰা কাৰ্যসূচী বিস্তৃত আৰু সমৃদ্ধ হ'ব বুলি জনোৱা হৈছে। মূল অনুষ্ঠানত শিক্ষকৰ আদৰ্শ, সমাজত শিক্ষকৰ ভূমিকা আৰু শিক্ষাৰ মান উন্নয়নৰ দিশত বিভিন্ন আলোচনাও অন্তৰ্ভুক্ত কৰা হ'ব। অনুষ্ঠানত সাংস্কৃতিক কাৰ্যসূচী, আলোচনা চক্ৰ আদি আয়োজনৰো ব্যৱস্থা কৰা হব বুলি জনা গৈছে। উল্লেখযোগ্য যে এই শিক্ষক দিৱসৰ দিনটোত দহজনীয়া বিশিষ্ট শিক্ষক-শিক্ষয়িত্ৰীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা প্ৰদান কৰা হ'ব। এই সম্বৰ্ধনাৰ উদ্দেশ্য হ'ল শিক্ষকৰ আত্মত্যাগ, কৰ্মনিষ্ঠা আৰু সমাজ গঠনমূলক অবদানক যথাযোগ্য মান্যতা জনোৱা। এই অনুষ্ঠানৰ সিদ্ধান্ত উত্তৰ শালমাৰাৰ বিদ্যালয়সমূহৰ উপ পৰিদৰ্শক কাৰ্যালয়ত কালি অনুষ্ঠিত এক সভাৰ মাজেৰে গ্ৰহণ কৰা হয়। সভাত উপস্থিত আছিল মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰবীন ৰাভা, সম্পাদক আব্দুল বাতেন আৰু একাংশ সদস্য। তেওঁলোকৰ সিদ্ধান্তত এই অনুষ্ঠানক শ্ৰদ্ধা, গৌৰৱ আৰু শিক্ষক সমাজৰ এক মিলনক্ষেত্ৰ ৰূপে উদযাপন কৰাৰ বাবে একমত হয়। উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে সকলো শিক্ষক-শিক্ষয়িত্ৰীক এই অনুষ্ঠানত উপস্থিত হৈ অনুষ্ঠানটি সফল কৰাৰ আহ্বান জনাইছে।

# ডিব্ৰুগড়ত জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ আগষ্ট ঃ** ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত জিলা পথ সুৰক্ষা সমিতিৰ বৈঠক জিলা আয়ুক্ত কাৰ্যালয়ৰ ভিডিঅ' কনফাৰেন্স কক্ষত অনুষ্ঠিত হয়। বৈঠকত চলিত মাহত জিলাখনৰ বিভিন্ন স্থানত সংঘটিত হোৱা পথ দুৰ্ঘটনাৰ কাৰণসমূহৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। জিলাখনত বৰ্ধিত পথ দুৰ্ঘটনাৰ প্ৰতি উদ্বিগ্নতা প্ৰকাশ কৰি জিলা আয়ুক্তই পৰিৱহণ বিভাগৰ লগতে আৰক্ষীৰ যানবাহন শাখাক জিলাখনত যানবাহন আইন কঠোৰভাৱে বলবৎ কৰিবলৈ আৰু যান-বাহন আইনৰ নীতি-নিৰ্দেশনা উলংঘাকাৰী সকলৰ বিৰুদ্ধে যাৱতীয় আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈয়ো নিৰ্দেশ দিয়ে। আনহাতে বিগত কিছু দিনত দ্ৰুত গতিত বাহন চলোৱাৰ বাবে কেইবাটাও দুৰ্ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্তই আৰক্ষীৰ যান-বাহন শাখাক ঠায়ে ঠায়ে ইণ্টাচেপ্টাৰৰ জৰিয়তে বাহন সমূহৰ গতিবেগ নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰীয় ঘাইপথত ভুল দিশৰে বাহন চলোৱাৰ ক্ষেত্ৰতো কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়া হয়। আনহাতে, আগন্তুক কৰম পূজাৰ সময়ছোৱাৰ পৰা দুৰ্গা পূজাৰ সময়ছোৱালৈকে পৰিবহণ বিভাগ আৰু আৰক্ষীৰ যান-বাহন শাখাক অধিক সক্ৰিয় হৈ থাকিবলৈ আহ্বান জনোৱা হয়। সভাত পথৰ ওপৰত অবৈধভাৱে স্থাপন কৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ ওপৰতো আলোচনা কৰা হয়। আনহাতে মানকটা পথৰ ওপৰত দূৰদৰ্শন কেন্দ্ৰৰ সমীপৱৰ্তী ৰে'লৱে অভাৰ ব্ৰীজৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হোৱাৰ বাবে ডিব্ৰুগড়ৰ পৰা খনিকৰ চাৰিআলি অভিমুখী যান-বাহনৰ বাবে বিকল্প পথৰ ব্যৱস্থা সন্দৰ্ভতো আলোচনা কৰা হয়। সভাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত জয় বিকাশ, খোৱাং সমজিলা আয়ুক্ত জয়ন্ত চাৰণ, অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, জিলা পৰিবহণ বিষয়া জয়ন্ত ডেকা প্ৰমুখ্যে জিলা পথ সুৰক্ষা সমিতিৰ সদস্যসকল আৰু অন্যান্য সংশ্লিষ্ট বিভাগ যেনে লোক নিৰ্মাণ পথ, আৰক্ষীৰ যান-বাহন শাখা, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন প্ৰাধিকৰণ, অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আনহাতে, জিলাখনৰ আটাইকেইখন ৰাজহচক্ৰৰ চক্ৰ বিষয়াসকল আৰু আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকলে ভিডিঅ' কনফাৰেন্স যোগে সভাত অংশগ্ৰহণ কৰে।

## গৌৰীসাগৰত নিচামুক্তি ভাৰত অভিযান

**অসম বাৰ্তা, জাঁজী, ৩০ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ সহযোগত নিচা মুক্তি ভাৰত অভিযানৰ লগত সংগতি ৰাখি এক শুভাযাত্ৰাৰ শুভাৰম্ভ কৰে বিদ্যালয়ৰ অধ্যক্ষ ভুৱন চন্দ্ৰ নেওগদেৱে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি কাৰৈমাৰী খণ্ডৰ কৰ্মী ও সহায়িকা সকলে বেটি বচাও বেটি পঢ়াও নামৰ এখন বাটৰ নাট মঞ্চস্থ কৰে। বিদ্যালয়ৰ উপাধ্যক্ষ সোণাৰাম ভাগৱতীদেৱে নাটৰ শেষত সংকল্প পাঠ কৰাই। অনুষ্ঠানটিত গৌৰীসাগৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰাক্তন চিকিৎসা বিষয়া তাজিম আহমেদ, গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া প্ৰণীতা বৰঠাকুৰকে ধৰি কাৰ্যালয়ৰ কৰ্মকৰ্তা সকল উপস্থিত থাকি কাৰ্যসূচী সফল ৰূপায়ণ কৰাত উদগনি যোগায়।

মাজুলী মহাবিদ্যালয়ত শোকসভা

# অৱসৰপ্ৰাপ্ত মুখ্য সহায়ক মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ পৰলোক

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ আগষ্ট ঃ** ঐতিহ্যমণ্ডিত মাজুলী মহাবিদ্যালয়ৰ অৱসপ্ৰাপ্ত মুখ্য সহায়ক, দৰিয়া গাঁৱৰ বিশিষ্ট সমাজ সংগঠক, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, একালৰ ক্ৰীড়াবিদ, দৰিয়া গাঁও পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, ধৰ্মপ্ৰাণ ব্যক্তি মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ আজি পুৱা ৮.৩৫ বজাত ৭৫ বছৰ বয়সত মৃত্যু হয়। শেহতীয়াকৈ কিছুদিন ধৰি তেওঁ শাৰীৰিক অসুস্থতাত ভুগি আছিল। ১৯৭২ চনৰপৰা ২০১১ চনলৈকে মাজুলী মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক হিচাপে সেৱা আগবঢ়োৱা বৰুৱাই ২০০৪ চনত মুখ্য সহায়কৰ পদলৈ পদোন্নতি লাভ কৰিছিল। নিজৰ মাতৃ প্ৰয়াত শয়নী বৰুৱাৰ পৱিত্ৰ স্মৃতিত মহেন্দ্ৰ প্ৰসাদ বৰুৱাই মাজুলী মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাস নিৰ্মাণৰ বাবে প্ৰায় এবিঘা মাটি মহাবিদ্যালয়লৈ দান দিছিল। বৃহত্তৰ দৰিয়া অঞ্চলৰে এগৰাকী অত্যন্ত কৰ্মদক্ষ আৰু নিকা ভাৱমূৰ্তিৰ লোক বৰুৱাৰ মৃত্যুৰ সংবাদ পোৱাৰ লগে লগেই তেওঁৰ বাসগৃহত বহুসংখ্যক গুণমুগ্ধ লোকৰ সমাগম হয়। মাজুলী মহাবিদ্যালয়ৰ তৰফৰপৰা অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীসকলে আনুষ্ঠানিকভাৱে শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰিও মাজুলী জিলা মইনা পাৰিজাত, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতি, সদৌ মাজুলী জিলা ছাত্ৰ সন্থা, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, দৰিয়া গাঁও উন্নয়ন সমিতি, যুৱ সমন্বয় কৃষ্টি সংঘ, দৰিয়া গাঁও যুৱক সংঘ, মাজুলী মিলন সংঘ, কমলাবাৰী একাডেমি স্কুল, মাজুলী জিলা আপকু, মাজুলী জিলা সাংবাদিক সন্থা, মাজুলী মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনী, ৰামধনু শাখা সাহিত্য সভা, দৰিয়া উত্তৰ কমলাবাৰী উচ্চ বুনিয়াদী বিদ্যালয়, ১ নং কমলাবাৰী নিম্ন বুনিয়াদী বিদ্যালয়, মাজুলী মহাবিদ্যালয় ছাত্ৰ একতা সভা আদিৰ প্ৰতিনিধিবৰ্গ উপস্থিত হৈ মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। অৱসৰপ্ৰাপ্ত মুখ্য সহায়কগৰাকীৰ বিয়োগত শোকস্তব্ধ শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থী সমন্বিতে মাজুলী মহাবিদ্যালয়ৰ আজি দুপৰীয়া ১২ বজাত মহাবিদ্যালয় প্ৰাংগণত এখনি শোকসভাৰ আয়োজন কৰে। মহাবিদ্যালয়ৰ অধ্যাপক তুলসী ৰাজখুৱাই আঁত ধৰা সভাখনিত সভাপতিত্ব কৰি অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়, "কৰ্মনিষ্ঠ ত্যাগীপুৰুষ মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ ঔদাৰ্যৰ কথা মাজুলী মহাবিদ্যালয়ে কেতিয়াও নাপাহৰিব নোৱাৰে। জীৱনটো অত্যন্ত জুখি-মাখি, মিতব্যয়ীভাৱে পাৰ কৰা বৰুৱাই নিজৰ সোণতলি হেন ভূমি দান কৰি মাজুলী মহাবিদ্যালয়ৰ প্ৰচুৰ উপকাৰ সাধি থৈ গ'ল।" মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগে তেওঁৰ ব্যক্তিগত জীৱন আৰু বদান্যতাৰ বিষয়ে বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ডঃ অনুপ কুমাৰ দলে, জ্যেষ্ঠ অধ্যাপক গীতাৰাণী গোস্বামী, বিপুল ৰাজখোৱা, ডঃ ৰূপজ্যোতি বৰা, বসন্ত বৰা, সুৰেন চন্দ্ৰ দাস, প্ৰণীতা ৰাজখোৱা, দেৱজ্যেতি খাটনিয়াৰ, প্ৰণৱজ্যোতি বৰা, অনন্যা বৰুৱা, দীনেশ পেগু, আচাৰ্য মোহন দাস, সুদৰ্শনা ফুকন, অভিনৱ শংকৰ গোস্বামী, বিদিশা ভট্টাচাৰ্য, গীতাশ্ৰী কলিতা, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা, দীনকান্ত হাজৰিকা প্ৰমুখ্যে সহস্ৰাধিক শিক্ষাৰ্থীৰ উপস্থিতিত সম্পন্ন হোৱা সভাখনিত বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সন্ধিয়া মাজুলী মহাবিদ্যালয় ছাত্ৰী নিৱাসৰ আৱাসীসকলে তেওঁৰ বিদেহ আত্মাৰ বন্তি প্ৰজ্বালন কৰি তেওঁলৈ শ্ৰদ্ধা নিৱেদন কৰে।

# প্ৰবীন চন্দ্ৰ শইকীয়া আৰু পুষ্পলতা শইকীয়া সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, বাহাৰঘাট, ৩০ আগষ্ট ঃ** অসম ফুটবল সন্থা আৰু নলবাৰী জিলা ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত বৰভাগ ইউনাইটেড স্পোৰ্টচ ক্লাৱৰ উদ্যোগত অহা ২০ চেপ্তেম্বৰত পঃবঃধীৰদত্ত উচ্চতৰ মাধ্যমিক খেলপথাৰত ৩৭তম বৰ্ষৰ তৃতীয় বাৰ্ষিক প্ৰয়াত প্ৰবীন চন্দ্ৰ শইকীয়া আৰু প্ৰয়াত পুষ্পলতা শইকীয়া সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতা ২০২৫ ৰ আয়োজন কৰিছে। ইতিমধ্যে খেলত অংশগ্ৰহণ কৰাৰ বাবে অসমৰ কেইবাটাও আগশাৰীৰ ফুটবল দলক আমন্ত্ৰণ কৰিছে। আনহাতে খেল পৰিচালনাৰ বাবে ব্ৰজেন কলিতাক সভাপতি আৰু দ্বীজেন চন্দ্ৰ দাসক সম্পাদক হিচাবে লৈ এখন সমিতি গঠন কৰিছে। ইচ্ছুক কোনোবা সদাশয় লোক তথা অনুষ্ঠান-প্ৰতিষ্ঠানে খেলৰ সবিশেষ জানিবৰ বাবে সম্পাদক( ৬০০১৯০৫৮৮৫)অথবা সভাপতি (৯৮৬৪৫৮৬২৫৯) ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

# সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ নিজাবীয়াকৈ হিন্দী শিক্ষক নিযুক্তি

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ আগষ্ট ঃ** মাজুলীৰ শিক্ষা বিভাগৰ অদূৰদৰ্শী চিন্তাৰ ফলশ্ৰুতিত, পূব মাজুলী অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান, নৱজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা একমাত্ৰ হিন্দী শিক্ষক গৰাকীক বদলি কৰাৰ বাবে, ১১৪ গৰাকী ছাত্ৰ ছাত্ৰীয়ে যোৱা জুন মাহৰ পৰা, হিন্দী পাঠ্যক্ৰমৰ পৰা বিৰত থাকিব লগা হৈছিল। মাজুলী জিলা ছাত্ৰ সন্থাৰ বিশেষ প্ৰতিনিধি দলে, বিদ্যালয় সমূহৰ, পৰিদৰ্শকৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰি কোনো সু-ফল লাভ নকৰাত ছাত্ৰ-ছাত্ৰী সকল উপকৃত হব পৰাকৈ নিজাববীয়া প্ৰচেষ্টাৰে, চুইটি বৰা নামৰ এগৰাকী অভিজ্ঞ হিন্দী শিক্ষয়িত্ৰীক অস্থায়ীভাৱে নিযুক্তি প্ৰদান কৰে। জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱা, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অজিত হাজৰিকা আৰু জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক যদুমণি হাজৰিকাই কয় যে, শিক্ষা বিভাগৰ দ্বাৰা অহা ১০ অক্টোবৰ ২০২৫ৰ ভিতৰত হব লগা নতুন নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে সমগ্ৰ মাজুলীৰ খালী হৈ থকা বিষয় শিক্ষকৰ পদ সমূহ সূক্ষ্ম বিশ্লেষণেৰে নিযুক্তি প্ৰদান কৰিবলৈ দাবী জনায়। ইফালে অস্থায়ী ভাৱে হলেও ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব পৰা মাজুলী জিলা ছাত্ৰ সন্থাই যি প্ৰচেষ্টা গ্ৰহণ কৰিলে তাক অঞ্চলবাসীয়ে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাক কৃতজ্ঞতা জনাইছে।

## সম্পাদকীয়

# বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ ঐতিহাসিক প্ৰচেষ্টা

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ এক গুৰুত্বপূৰ্ণ আৰু প্ৰশংসনীয় উদ্যোগ হাতত লৈছে। লোকসেৱা ভৱনত অনুষ্ঠিত এক সংবাদমেলত তেওঁ এই সম্পৰ্কে যি তথ্য দাঙি ধৰিছে, সেয়া সমগ্ৰ অসমবাসীৰ বাবে এক আশাৰ সংবাদ। এই ঐতিহাসিক সাংস্কৃতিক সম্পদবিধ অসমৰ মাটিলৈ ওভতাই অনাৰ চেষ্টা নিঃসন্দেহে এক কালজয়ী কাম হ'ব। বৃন্দাবনী বস্ত্ৰ অসমৰ সাংস্কৃতিক পৰম্পৰা আৰু শিল্পকৃষ্টিৰ এক উজ্জ্বল নিদৰ্শন। ইয়াৰ ঐতিহাসিক মূল্য অপৰিসীম। বৰ্তমান এই অমূল্য সম্পদ ব্ৰিটেইনৰ তিনিটা সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি, ২০২৭ চনলৈ এই বস্ত্ৰখিনি অসমলৈ আনিবলৈ চৰকাৰী প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। ইয়াৰ বাবে গুৱাহাটীৰ খানাপাৰাত এক বিশেষ সংগ্ৰহালয় নিৰ্মাণৰো প্ৰস্তাৱ কৰা হৈছে, যাৰ দায়িত্ব JSW গ্ৰুপে ল'ব। মুখ্যমন্ত্ৰীদেৱে এই ক্ষেত্ৰত আগবঢ়োৱা পদক্ষেপসমূহ যথেষ্ট যুক্তিসংগত আৰু সুচিন্তিত। প্ৰথমে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ডিজিটেল মাধ্যমৰ জৰিয়তে ইয়াক প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। তাৰপিছত ব্ৰিটিছ সংগ্ৰহালয়ৰ চৰ্ত অনুযায়ী এক অনুকূল আৰু আধুনিক সংৰক্ষণ ব্যৱস্থা সৃষ্টি কৰি ইয়াক স্থায়ীভাৱে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। অক্টোবৰ মাহত লণ্ডনলৈ কৰা তেওঁৰ আগমনীয় ভ্ৰমণটোৱে এই আলোচনাৰ গতিকেই ত্বৰান্বিত কৰিব বুলি আশা কৰা যায়। এই উদ্যোগক স্বাগতম জনোৱাৰ লগতে আমি কেইটামান কথাও গুৰুত্ব দিয়ে চাব লগা হ'ব। প্ৰথমতে, বৃন্দাবনী বস্ত্ৰৰ প্ৰকৃত ঐতিহাসিক সত্যতা নিৰ্ধাৰণ কৰাটো অতি প্ৰয়োজন। বিভিন্ন সময়ত এই বস্ত্ৰ ব্ৰিটেইন আৰু ফ্ৰান্সত থকাৰ কথা জনা যায়, কিন্তু ইয়াৰ সঠিক ইতিহাস আৰু প্ৰামাণিকতা সম্পৰ্কে নিশ্চিত হ'বলৈ historical researchৰ প্ৰয়োজন। দ্বিতীয়তে, সংগ্ৰহালয় নিৰ্মাণ আৰু সংৰক্ষণ প্ৰক্ৰিয়া আন্তৰ্জাতিক মানদণ্ড অনুসৰি হ'ব লাগিব, যাতে এই অমূল্য সম্পদ কোনো প্ৰকাৰৰ ক্ষতিৰ সন্মুখীন নহয়। তৃতীয়তে, এই বস্ত্ৰ কেৱল অসমৰেই নহয়, গোটেই দেশৰে সাংস্কৃতিক ঐতিহ্যৰ অংশ। সেয়েহে ইয়াৰ সংৰক্ষণ আৰু প্ৰদৰ্শনৰ দায়িত্ব অতি সাৱধানে আৰু দূৰদৰ্শীতাৰে ল'ব লাগিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ এই পদক্ষেপই অসমৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি থকা দায়বদ্ধতা আৰু দূৰদৰ্শিতাৰ পৰিচয় দাঙি ধৰে। বৃন্দাবনী বস্ত্ৰ অসমলৈ ওভতাই অনাটো এটা ৰাজহুৱা দাবীৰে ফলাফল হ'ব পাৰে, কিন্তু ইয়াৰ বাবে চৰকাৰে কৰা প্ৰচেষ্টা আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত কৰা আলোচনাই এটা শক্তিশালী নীতি আৰু সাংস্কৃতিক কূটনীতিৰ চিনাকি দিয়ে। আমি আশা কৰো যে, মুখ্যমন্ত্ৰীদেৱৰ এই ঐতিহাসিক উদ্যোগ সফল হ'ব আৰু অসমৰ এই গৌৰৱময় সাংস্কৃতিক সম্পদটোৱে নিজৰ মাটিতেই ঠাই পাব। ইয়াৰ জৰিয়তে অসমৰ ইতিহাস, সংস্কৃতি আৰু কৃষ্টি-কলাৰ প্ৰচাৰ-প্ৰসাৰত এক নতুন দিগন্তৰ সূচনা হ'ব।

ভাৰতীয় ন্যায়-ব্যৱস্থাত সি এটা অদ্ভুত কথা। কিন্তু সংবিধানে দিয়া অধিকাৰ অনুসৰি আদালতে সকলো মানুহক ন্যায় প্ৰদানৰ বাবে দায়বদ্ধ। বৈধ পত্নী আৰু লৰা-ছোৱালীৰে সৈতে বাস কৰা পৰিয়াল এটাত আৰু এগৰাকী পত্নীৰ উপস্থিতিয়ে কেনেকুৱা পৰিস্থিতৰ সৃষ্টি কৰিব, তাকো আদালতে নিশ্চয় চিন্তা কৰিব লাগিব। নতুন পত্নীক বৈধতা সমাজে দিব নে নিদিব, সেয়াও ডাঙৰ প্ৰশ্ন। যিকোনো পাৰিবাৰিক বা সামাজিক অনুষ্ঠানত নতুন পত্নীয়ে কেনে ব্যৱহাৰ পাব, তাতো জটিলতাই দেখা দিব। আনহাতে, ভাৰতীয় নিয়ম অনুসৰি এগৰাকী বৈধ পত্নী থাকোঁতে পতিয়ে দ্বিতীয় পত্নী গ্ৰহণ কৰাটো অপৰাধ। এনে ক্ষেত্ৰত পুৰুষজন দোষী সাব্যস্ত হ'ব নে নহ'ব, তাৰ বিচাৰ কোনে কৰিব?

# আদালত বনাম সামাজিক দৃষ্টিকোণ

**ড° আৰ কে বেজবৰুৱা**

ভাৰতীয় পৰম্পৰাত কিছুমান ব্যতিক্ৰমী নাৰীৰ উপস্থিতি অতি প্ৰাচীন কালৰ সাহিত্যতত পোৱা যায়। ৰজা শূদ্ৰকৰ 'মৃচ্ছকটিকম্' নাটকৰ মূল চৰিত্ৰ বসন্তসেনা আছিল এগৰাকী গণিকা। কিন্তু তেওঁক সম্ভ্ৰান্ত বুলি কোৱা হৈছে। মহাকবি কালিদাস সম্ৰাট দ্বিতীয় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্যৰ সভা কবি আছিল। বিক্ৰমাদিত্যৰ ৰাজধানীত লক্ষহীৰা নামৰ এজনী গণিকাও আছিল। লক্ষ্যহীৰাৰ ওচৰলৈ ৰজা বিক্ৰমাদিত্যৰ ৰাজসভাৰ গণ্য-মান্য ব্যক্তিৰ আগমন ঘটিছিল। তেওঁৰ হাতত কালিদাসৰ মৃত্যু হোৱাৰ কথা পোৱা যায়। উল্লেখযোগ্য যে কালিদাসে যেতিয়া দেৱী সৰস্বতীৰ বন্দনা কৰিছিল -

"কজ্জলপূৰিত লোচনভাৰে, স্তনযুগশোভিত মুক্তাহাৰে।
বীণাপুস্তকৰঞ্জিতহস্তে ভগৱতি! ভাৰতি! দেৱি! নমস্তে।।"

তেতিয়া বাগ্‌দেৱীয়ে কৈছিল যে নাৰী-বন্দনা সদায় পদযুগলৰ পৰা আৰম্ভ কৰিব লাগে। দেৱীৰ বক্ষৰ পৰা বন্দনা আৰম্ভ কৰি তেওঁক অপমানিত কৰা বাবে সৰস্বতীৰ অভিশাপৰ পাত্ৰ হৈ সামান্য গণিকাৰ হাতত কালিদাসৰ মৃত্যু হৈছিল।

প্ৰাচীন কালত ভাৰতবৰ্ষৰ ৰজা-মহাৰজাৰ পৃষ্ঠপোষকতাত ৰাজ্যৰ আটাইতকৈ ৰূপৱতী গাভৰু গৰাকীক প্ৰতিযোগিতাৰ দ্বাৰা নিৰ্বাচিত কৰা হৈছিল। তাৰ পিছত শ্ৰেষ্ঠ সুন্দৰী গৰাকীক অভিজ্ঞ ব্যক্তিৰ দ্বাৰা চৌষষ্ঠি ক'লাৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। সংগীত, নৃত্য আৰু কাম ক'লাৰ বিশেষ জ্ঞান দি তেওঁক ৰাজ গণিকা হিচাপে মৰ্যাদা প্ৰদান কৰা হৈছিল। তেওঁ ৰাজ্যৰ সম্পত্তি হৈ পৰে আৰু ভূপতিয়ে অজস্ৰ ধন তেওঁৰ বাবে খৰচ কৰে। কবিয়ে তেওঁক লৈ কবিতা লিখে। এই শ্ৰেষ্ঠ সুন্দৰী তথা ৰাজ গণিকাৰ বিয়া হ'ব নোৱাৰে। কিন্তু শূদ্ৰকৰ নাটকৰ নায়িকা বসন্তসেনাক আধ্যৱন্ত পুৰুষ চাৰুদত্তই বিবাহ কৰাইছিল বুলি কৰা বৰ্ণনাৰ পৰা ধাৰণা কৰিব পাৰি যে সেই সময়ত গণিকাসকল সমাদৰ দ্বাৰা সমাদৃত আছিল।

আধুনিক ভাৰতত বেশ্যা সৃষ্টিৰ এক ইতিহাস আছে। যেতিয়া বৃটিছে বংগত ৰাজধানী পাতিছিল, ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়া তথা বৃটিছ অফিচাৰ সকলে স্থানীয় বিধবাবোৰক উঠাই লৈ আহিছিল আৰু দেহৰ প্ৰয়োজন পূৰণ কৰিছিল। পিছলৈ সিহঁতৰ দৃষ্টি বিধবাতে সীমাবদ্ধ নাছিল। বঙালী গাভৰু আৰু মহিলাকো চিকাৰ কৰিছিল। মহাযুদ্ধৰ বিভীষিকাত অৰ্থৰ অভাৱত স্ব- ইচ্ছাই কিছুমান তিৰোতা এই পথত ভৰি দিছিল। ফলত গঢ়ি উঠিছিল বিভিন্ন ঠাইত বিভিন্ন বেশ্যালয়।

বৃটিছৰ শাসনকালত গঢ়ি উঠা ব্ৰ'থেলবোৰ বংগৰ মধ্যবিত্ত শ্ৰেণীৰ চকুত পৰিছিল যদিয়ো তেওঁলোকে সেইবোৰলৈ নোচোৱাকৈ বাট বুলিছিল। যেন বেয়া নকবা, বেয়া নুশুনিবা আৰু একো বেয়া নাচাবা। তেওঁলোকে একো দেখা নাছিল। একো শুনা নাছিল। এই মৌনতাৰ সুযোগতে কলিকতা চহৰ বিস্তাৰিত হৈছিল অবৈধ যৌনতাৰ পথাৰ ৰূপে। পৰৱৰ্তী সময়ত দেশীয় চৰকাৰে ভাৰতক নতুন ৰূপ দিলে যদিয়ো সেই বেশ্যালয়বোৰ নোহোৱা কৰাৰ কথা কোনেও নাভাবিলে। কালৰ গতিত পশ্চিম বংগৰ বিভিন্ন ঠাইত বিভিন্ন ৰূপত বেশ্যালয়বোৰৰ বিহ মেটেকাৰ দৰে প্ৰাদুৰ্ভাৱ ঘটিল। তাত একেবাৰে দুখীয়া বেশ্যালয়ৰ পৰা আৰম্ভ কৰি অতি আঢ্যৱন্ত বেশ্যালয় গঢ়ি উঠিল। বৃটিছৰ দিনতে গঢ়ি



উঠা আটাইতকৈ বৃহত আৰু আঢ্যৱন্ত বেশ্যালয় আছে সোণাগাচীত। বহু শ মাল্টি ষ্টৰৈড ষ্টলেৰে আৱৰা এই সোণাগাচী। ইয়াৰ একোটা ৰজনীৰ উপভোগ মূল্য ৩০০ টকাৰ পৰা ১০০০ টকাতকৈয়ো অধিক। কলকাতাৰ বেশ্যাৰ দাম-দৰো ভিন্ন। খান্না গ্ৰাম হৈছে কলকাতাৰ আটাইতকৈ দুখীয়া অঞ্চল। বৰ্তমান দেশৰ সকলো প্ৰান্ততে অত্যাধুনিক এচাম বেশ্যাৰ উদ্ভৱ হৈছে। বিভিন্ন হোটেল, বাসগৃহ আৰু ৰিজৰ্টবোৰত অত্যাধুনিক ব্যৱস্থাৰে মোবাইল, অন-লাইন ব্যৱস্থাৰ যোগেৰে এনেকুৱা বেশ্যা অতি সহজলভ্য।

উল্লেখযোগ্য যে বৃটিছৰ সেই দিনবোৰত বিধবাসকলৰ গৰ্ভত জন্ম হোৱা সন্তানসকলক ভাৰতৰ এংলোইণ্ডিয়ান বুলিছিল। সিহঁতৰ দায়িত্ব এটা সময়লৈকে বৃটিছ বাপেকবোৰে লৈছিল। যেতিয়া বৃটিছবোৰ ভাৰতৰ পৰা গুচি গৈছিল, সেই সময়ত হেনো ভাৰতৰ সদনত এংলোইণ্ডিয়ানৰ বাবে দুটা চীট সংৰক্ষণ কৰি থৈ গৈছিল।

বৰ্তমান বেশ্যাসকলক যৌন কৰ্মী বুলি অভিহিত কৰা হৈছে। তেওঁলোকৰ স্বাস্থ্য সম্বন্ধে, জীৱন প্ৰণালী সম্বন্ধে সজাগতা সৃষ্টি কৰিবলৈ সমাজৰ বিভিন্ন স্তৰৰ মানুহ আগবাঢ়ি আহিছে। ইতিমধ্যে তেওঁলোকৰ অধিকাৰ সম্পৰ্কে বিভিন্ন মহলত বিভিন্ন দাবী উত্থাপন হৈ আহিছিল।

শেহতীয়াকৈ সেই সকলক সম্ভ্ৰমেৰে নিজৰ কাম কৰি যোৱাৰ বাবে ভাৰতীয় সংবিধানৰ পটভূমিত দেশৰ সৰ্বোচ্চ আদালতে অনুমতি প্ৰদান কৰিছে। তাৰ আধাৰত সৰ্বোচ্চ ন্যায়ালয়ে পুলিচ বিভাগ, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰলৈ কিছুমান নিৰ্দেশনা জাৰি কৰিছে। সেয়া অন্য এক প্ৰসংগ।

পতিতাসকলক সামাজিক দৃষ্টিত ইমান দিনে ভুগি অহা লাঞ্ছনাৰ পৰা মুক্ত কৰাবলৈ ভাৰতীয় ন্যায়পালিকাৰ এক দৃঢ় পদক্ষেপ বুলি ক'ব পাৰি। কোনো নাৰীয়ে কেৱল মাত্ৰ ধন ঘটাৰ বাবেই দেহৰ ব্যৱসায় কৰে বুলি ভাবিব নোৱাৰি। অত্যন্ত জটিল পৰিস্থিতিত পৰিহে তেওঁলোকে এই কাম কৰিবলৈ বাধ্য হয়।

মানৱিক দৃষ্টিকোণৰ পৰাও চাবলৈ গ'লে যৌন কৰ্মীসকলৰ প্ৰতি এয়া ভৰতীয় সংবিধানৰ নৈতিক উদাৰতা। ইমান দিনে তেওঁলোকৰ কোনো সামাজিক স্থিতি নাছিল। যিসকলক অপহৰণ কৰি অনা হয়, তেওঁলোকৰ নাথাকে কোনো নিজা নাম, পৰিচয়, ঠিকনা। বহুতৰ জীৱনত এনেকুৱা দুৰ্ভাগ্যও ঘটে যে কেনেবাকৈ তাৰ পৰা ওলাই যাব পাৰিলেও সমাজ তথা নিজ পৰিয়ালেই আকৌ ঘূৰাই পঠিয়ায় আগৰ ঠাইলৈ। সেয়েহে উচ্চতম ন্যায়ালয়ে এনে মহিলা সকলক দেহ ব্যৱসায় কৰাৰ বাবে ন্যায়িক অধিকাৰ প্ৰদান কৰিছিল। গতিকে সকলো সময়তে নিৰাপত্তাহীনতাত ভুগি থকা এই মহিলাখিনিক আইনে অন্ততঃ সুৰক্ষা প্ৰদানৰ প্ৰথমটো অনুশীলন আৰম্ভ কৰিছে। এয়া ভাৰতীয় গণতন্ত্ৰৰ পূৰ্ণ বিকাশ বুলি ক'ব লাগিব। তাৰ সমান্তৰাল ভাৱে সংবিধান আৰু ন্যায়পালিকাৰ দায়িত্ব বিস্তাৰ কৰিবলৈ যাওঁতে সামাজিক শৃংখলাৰ দিশটো ক্ষতিগ্ৰস্ত হ'ব নে নহয় তাৰ প্ৰতি দৃষ্টি দিয়াত কিমান সফল হৈছে সেয়া বিচাৰ কৰা উচিত। ক'ৰবাত সামাজিক শৃংখলা বিঘ্নিত হৈছে নেকি? ন্যায়পালিকাৰ এই সিদ্ধান্তত সুস্থ সমাজ এখনৰ প্ৰতি হঠাতে এক ডাঙৰ প্ৰত্যাহবান আহিব পাৰে নেকি?

অতি সম্প্ৰতি ঠিক তেনেকুৱা পৰিস্থিতি এটাৰ উদ্ভৱ হৈছে। মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ত বয়স্ক যুৱতী এগৰাকীয়ে আবেদন কৰিছিল যে বিবাহিত পুৰুষ এজনৰ সৈতে তেওঁ থাকিব বিচাৰে। বিবাহিত হ'লেও পুৰুষজনক যুৱতীয়ে ভাল পায় আৰু একে লগে জীৱন যাপন কৰিব বিচাৰে। কিন্তু পৰিয়ালে তাত বাধাৰ সৃষ্টি কৰিছে।

ভাৰতীয় ন্যায়-ব্যৱস্থাত সি এটা অদ্ভুত কথা। কিন্তু সংবিধানে দিয়া অধিকাৰ অনুসৰি আদালতে সকলো মানুহক ন্যায় প্ৰদানৰ বাবে দায়বদ্ধ। বৈধ পত্নী আৰু লৰা-ছোৱালীৰে সৈতে বাস কৰা পৰিয়াল এটাত আৰু এগৰাকী পত্নীৰ উপস্থিতিয়ে কেনেকুৱা পৰিস্থিতৰ সৃষ্টি কৰিব, তাকো আদালতে নিশ্চয় চিন্তা কৰিব লাগিব। নতুন পত্নীক বৈধতা সমাজে দিব নে নিদিব, সেয়াও ডাঙৰ প্ৰশ্ন। যিকোনো পাৰিবাৰিক বা সামাজিক অনুষ্ঠানত নতুন পত্নীয়ে কেনে ব্যৱহাৰ পাব, তাতো জটিলতাই দেখা দিব।

আনহাতে, ভাৰতীয় নিয়ম অনুসৰি এগৰাকী বৈধ পত্নী থাকোঁতে পতিয়ে দ্বিতীয় পত্নী গ্ৰহণ কৰাটো অপৰাধ। এনে ক্ষেত্ৰত পুৰুষজন দোষী সাব্যস্ত হ'ব নে নহ'ব, তাৰ বিচাৰ কোনে কৰিব?

শুনামতে, মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ে বিবাহিত পুৰুষৰ সৈতে কোনো বয়স্ক মহিলাই জীৱন যাপন কৰিব পাৰিব বুলি ৰায় প্ৰদান কৰিছে। কিন্তু উচ্চতম ন্যায়ালয়ত বিষয়টো বিবেচনাধীন হৈ আছে বুলিও শুনা গৈছে। যদি উচ্চতম ন্যায়ালয়ে মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ ৰায় খাৰিজ নকৰে তেন্তে সামজিক দৃষ্টিকোণেৰে এই ব্যৱস্থাই সকলোকে বিপাঙত পেলাব আৰু সামাজিক অশান্তি বৃদ্ধি কৰিব বুলি সকলোৱে মত প্ৰকাশ কৰিছে। তাৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰিছে।

যিসকল বিশিষ্ট বিচাৰপতিয়ে নাৰী দেহৰ ব্যৱসায়ক বৈধতা প্ৰদান কৰি ঐতিহাসিক ৰায় প্ৰদান কৰিছিল, সেইসকলে পাশ্চাত্যৰ সমাজব্যৱস্থা আৰু ভাৰতীয় জীৱন শৈলীৰ অধ্যয়ন কৰিছিল নে- বুলিও প্ৰশ্ন এটা উঠিছিল। পশ্চিমীয়া দেশসমূহত পৰিয়ালৰ বান্ধোন নাই। মুক্ত যৌনতাৰ পয়োভৰ। সেই পৰম্পৰাই এতিয়াও ভাৰতীয় সমাজক সম্পূৰ্ণ প্ৰভাৱিত কৰিব পৰা নাই। কিন্তু দেহ ব্যৱসায়ৰ বৈধ কৰণে যিদৰে আমাৰ সমাজক আলোড়িত নকৰাকৈ নাথাকে, সেই দৰে বিবাহিত পুৰুষৰ সৈ দ্বিতীয় নাৰীৰ সহবাসে সমাজত উচ্ছৃংখলা সৃষ্টিত অৰিহণা যোগোৱাটো স্বাভাৱিক।

কাৰোবাক সংবিধান প্ৰদত্ত ন্যায় দিবলৈ যাওঁতে সমাজৰ বিশেষ কিবা বৈপ্-ৱিক পৰিবৰ্তন আহিব নে পৰিয়ালৰ শান্তি বিঘ্নিত হ'ব তাৰ বাবেও বিভিন্ন মানুহৰ মতামত সংগ্ৰহ কৰা দৰকাৰ।

ইতিমধ্যে লিভিং ৰিলেচনে বিভিন্ন বেমেজালিৰ সৃষ্টি কৰাটো সকলোৱে প্ৰত্যক্ষ কৰিছে। বহু যুৱতী বা নাৰী ফ্ৰীজত সোমোৱাৰ খবৰ আমি নিতৌ পাই আছোঁ। বৰ্তমানে অৰ্থনৈতিক ভাৱে অধিক সচ্ছল পুৰুষে প্ৰলোভন দি যুৱতী বা নাৰীক শোষণ কৰি থকাৰ খবৰ প্ৰায়েই শুনা যায়। ৰাজনৈতিক ভাবে শক্তিশালী ভ্ৰষ্ট নেতাৰ কথাও বাতৰিৰ শিৰোনামাত ওলাই থাকে। যদি শৰীৰৰ দাবী পূৰণ কৰাৰ সহজলভ্য উপায় থাকে, তেন্তে বিবাহৰ আৱশ্যকতা গৌণ হৈ পৰিব। ক্ষতিগ্ৰস্ত হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকিব পৰিয়ালৰ। লৰা-ছোৱালীৰ নৈতিক অধঃপতন আৰু দ্ৰুত হৈ সামাজিক শৃংখলা থান বান হৈ পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিব। এয়া ভাৰতীয় সংস্কৃতি নহয়। পাশ্চাত্য সভ্যতাৰ বিৰূপ প্ৰভাৱে ভাৰতীয় সমাজক আৰু কিমান ক্ষতিগ্ৰস্ত কৰিব, সেয়া সময়েহে ক'ব। যদি বিবাহিত পুৰুষৰ সৈতে দ্বিতীয় নাৰীক জীৱন যাপনৰ সুবিধা আইনে প্ৰদান কৰে তেন্তে ভাৰতীয় সমাজত মুক্ত যৌনাচাৰৰ প্ৰাদুৰ্ভাৱ ঘটিব আৰু সমাজৰ প্ৰাচীন পৰিকাঠামো সোলোক ঢোলোক হৈ পৰিব।

কথাবোৰ এতিয়াই চিন্তা কৰিব লাগিব আদালতৰ সিদ্ধান্তই সমাজিক সুস্থিৰতা ধৰি ৰাখিব নে সামাজিক দৃষ্টিকোণেৰে দায়বদ্ধতা অটুত ৰাখিব পৰা যাব।

# কৃষিভিত্তিক উৎসৱ কৰম পৰৱৰ সংক্ষিপ্ত আভাস

**লক্ষ্মীৰাম কুৰ্মী**

ভাৰতবৰ্ষৰ উত্তৰ পূৱ দিশত অৱস্থিত প্ৰাকৃতিক পৰিৱেশেৰে সমৃদ্ধিত আৰু সূৰ্য্য উঠা দেশ হিচাপে পৰিচিত একমাত্ৰ ৰাজ্যখনেই হ'ল 'অসম'। এই অসমভূমিত নদ-নদী, পৰ্বত- পাহাৰেৰে ভৰপূৰ আৰু বিভিন্ন জাতি জনগোষ্ঠীৰে বিভিন্ন ধৰ্মৰ এক মিলনভূমি স্বৰূপ। এই অসমৰ বিভিন্ন জাতি জনজাতিসমূহৰ ভিতৰত আদিবাসী চাহ জনগোষ্ঠী লোকসকলৰ অৱদান অপৰিসীম।

অসমৰ আদিবাসী চাহ জনগোষ্ঠী লোকসকলৰ কৃষিভিত্তিক উৎসৱ সমূহৰ ভিতৰত একমাত্ৰ বুকুৰ আপোন উৎসৱটিয়েই হৈছে কৰম পৰৱ। আদিবাসী চাহ জনগোষ্ঠী লোকসকলৰ কৃষিভিত্তিক কৰম পৰৱ ভাদ মাহৰ শুক্লা একাদশীৰ দিনাৰ পৰা আৰম্ভ হয়। এই কৰম পৰৱ পাঁচ/সাত/ন- দিনৰ আগতে জাৱা উঠোৱা বা ধৰাৰ নিয়ম আছে। এই জাৱা উঠোৱা বা ধৰাৰ নিয়ম গাঁৱৰ পাচঁ/সাতজনী কুমাৰী যুৱতীয়ে কৰে। ৰাতিপুৱা গা ধুই নদীৰ পাৰত জাৱা উঠাবলৈ যায়। জাৱা ধৰিবলৈ দুটাকৈ বাঁহৰ পাচি বাটোপা প্ৰয়োজন হয়। এই পাচিটোক কুড়মালি ভাষাত ডালি বুলি কয়। কুমাৰী যুৱতীসকলে যিদিনা জাৱা ধৰাৰ নিয়ম কৰিব সেইদিনা ব্ৰতত থাকি নদীৰ পাৰত পাচিত বালি-মাটি ভৰাই তাত মাটিমাহ, বুটমাহ, মগু, গোমধান, যৱধান, আদি শস্যৰ বীজ সিঁচি দিয়ে। শস্যৰ বীজ সমূহ সিঁচি প্ৰত্যেকে নিজৰ নিজৰ সিঁচা বীজৰ অংশ চিনাক্তকৰণৰ বাবে একোটাকৈ দাতোন (খৰিকা) নাইবা বাঁহৰ সৰু কাঠি বা কঁহুৱা ফুলৰ ঠাৰিৰে যুৱতীসকলে চিন দি লয়। বীজ বোৰ নষ্ট বা বেয়া নহ'বৰ বাবে হালধি পানী ছটিয়াই দিয়া হয়। পাচিত শস্যৰ বীজ বোৰ সিচি দিয়া পৰ্বটোক জাৱা উঠা বুলি কোৱা হয়। জাৱা উঠা বা ধৰা যুৱতীসকলক কৰমতী বুলি কয়। চাকি-বন্তি, আদিৰে যাৱতীয় নীতি-নিয়ম কৰাৰ পাছত কৰমতীসকলে জাৱা টুকুৰীক কেন্দ্ৰ কৰি শাৰী পাতি বৃত্ত আকাৰে ঘূৰি ঘূৰি জাৱা ধৰা গীত গায়। এনেদৰে যাৱতীয় নীতি-নিয়ম মাজেৰে জাৱা ধৰা পৰ্ব সম্পূৰ্ণ হয়। জাৱা ধৰা পাচিটো সকলো কৰমতীয়ে একেলগে ধৰি লগৰ দুজনীৰ মূৰত উঠাই পুখুৰী নাইবা নদীৰ পানী এঘটি লৈ ঘৰলৈ আহে। জাৱা ধৰা পাচি দুটা লৈ আহি এটা আছুতীয়া কোঠাত থৈ দিয়া হয়। যিসকল যুৱতীয়ে কৰম ব্ৰত পালন কৰে তেওঁলোকে নীতি নিয়ম অনুসৰি প্ৰতিদিন সন্ধিয়া গৃহস্থৰ চোতালত জাৱা ডালি (পাচি) পৰম্পৰা বিধি মতে উলিয়াই আনি গৃহস্থ ঘৰৰ চোতালৰ মধ্যম স্থানত পূব দিশত জাৱা ডালি (পাচি) স্থাপন কৰি পাচিটোক কেন্দ্ৰ কৰি বৃত্তকাৰে ঘূৰি ঘূৰি জাৱা গীত গায়। এই অনুষ্ঠানটোক জাৱা জাগৰণি বুলি কোৱা হয়। জাৱা জাগৰণি অনুষ্ঠানত প্ৰতিটো সন্ধিয়া নীতি নিয়ম অনুসৰি বেলেগ বেলেগ গীত গোৱা হয়। প্ৰথম দিনা গোৱা গীত দ্বিতীয় দিনা নাগায়। তৃতীয় দিনা জাৱা শস্যৰ অংকুৰবিলাক সুস্থ-সবল হ'বৰ বাবে গোবৰ পানী ছটিয়াই, চতুৰ্থ বা পঞ্চম দিনা হালধি পানী ছটিয়াই দিয়ে। জাৱা ধৰা অনুষ্ঠানত কোনোবা কৰমতী উপস্থিত থাকিব নোৱাৰিলে তৃতীয় দিনা জাৱা ডালিত (পাচি) নিজৰ নামত কঁহুৱা ফুলৰ ঠাৰি বা বাহঁৰ কাঠি পুতি কৰম ব্ৰত ধৰি কৰমতী হ'ব পাৰে। নিৰ্দিষ্ট জাগৰণী পৰ্ব শেষ হোৱাৰ পাছত জাৱা ডালিত (পাচিত) সেৱা জনায় ঘৰৰ ভিতৰত থয়। সেই সময়ত অংকুৰিত জাৱাসমূহক নিগনিয়ে যাতে নষ্ট নকৰে তাৰ বাবে নিগনিক সতৰ্ক কৰি গীত গায়।

এনেদৰে-

"জাৱা না'কুটৰে মুচা জাৱা না'কুটৰে
কচু পাতে চেকৰ মুচা
লুৰাঠি আগে বলবে।
জাৱা না'কুটবে মুচা জাৱা না'কুটবে
গণেশ বাবাক সেৱা মুচা
ইন্দ্ৰ ৰাজাক দোৱা।"

এনেদৰে জাৱা জাগৰণী পৰ্ব শেষ হোৱাৰ পাছত কৰমতীসকলে চোতালত সমবেত হৈ ঝুমইৰ নাচ-গানৰ আখড়া বান্ধে। এইদৰে প্ৰতিটো সন্ধিয়া জাৱা জাগৰণৰ পিছত নিশাৰ প্ৰথম প্ৰহৰলৈকে ঝুমইৰ নাচ-গান কৰে।

এনেদৰে অনুষ্ঠানটো নিয়ম নীতিৰে পাৰ হৈ থকাৰ মাজতে কৰম পূজাৰ নিৰ্দিষ্ট একাদশী বা পূৰ্ণিমাৰ আগদিনা কৰমতীসকলে মানি লোৱা কৰম ভায়েক হাবি জংঘলত গৈ পূজাৰ বাবে ডাল নিৰ্বাচন কৰি সেই সন্ধিয়া গছৰ তলত নিৰ্দিষ্ট নীতি নিয়ম মতে চাকি এগছি জ্বলাই কৰি পূজাৰ বাবে আমন্ত্ৰণ জনাই আহে। কৰম ভায়েকে (কৰমতীসকলে মানি লোৱা) পূজাৰ দিনা কৰমতীসকলৰ দৰে উপবাসে থাকি নিৰ্দিষ্ট সময়ত আগলি কলপাত বা কাঁহীত

পূজাৰ সামগ্ৰী চাকি বন্তি, ধূপ-ধুনা, সেন্দূৰ, কাজল, মাহ-প্ৰসাদ, পিঠা ৰুটি, আদি লৈ কৰমতীসকলক লগত লৈ কৰম ডাল আনিবলৈ যায়। কৰম গছৰ তলত নীতি নিয়ম অনুসৰি পূজা-অৰ্চনা কৰি কৰম ভায়েকে কটাৰীৰে একে চেৰত ডাল কাটে। লগে লগে কৰমতীসকলে ডাল মাটিত পৰিবলৈ নিদিয়াকে ওপৰতে ধৰি নাচ-গান আৰম্ভ কৰি দিয়ে। ইয়াৰ পাছত কৰমডাল লৈ উল্লসিত খোজেৰে সকলোৱে নাচ-গান কৰি ঘৰলৈ উভতি আহে। কৰমডাল লৈ গৃহস্থৰ চোতাল পোৱাৰ পিছত গৃহস্থই কৰম ডালক নীতি-নিয়ম অনুসৰি ঘটি পানীৰে ধোৱাই লৈ চাউল, আখৈ, দুবৰীবনৰে চুমন কৰি কৰমডালক গাত খান্দি ৰোপণ কৰে। লগে লগে কৰমতীসকলে নিজৰ নিজৰ ঘৰলৈ গৈ ফুল, প্ৰসাদ, পিঠাৰুটি, চাকি-বাতি, আদি পূজাৰ সামগ্ৰী, চুপত সজাই পৰাই লৈ পৰম্পৰাগত লালপাৰী শাৰী, আ-অলংকাৰ পৰিধান কৰি পূজাস্থলীত উপস্থিত হয়। সকলো কৰমতী উপস্থিত হোৱাৰ পিছত নিৰ্দিষ্ট নিয়মেৰে পুনৰ জাৱা গীত পৰিবেশন কৰি জাৱা পাচিসমূহ বাহিৰলৈ আনি কৰম ডালৰ তলত থৈ পূজাৰ কাহিনী কোৱা বুঢ়া নিৰ্দেশ অনুসৰি এগচি চাকি জ্বলাই কৰি ধূপ-ধূনা দি পবিত্ৰ অন্তৰেৰে মনৰ আশা পূৰ্ণ কৰাৰ কামনাৰে পূজাত বহে আৰু মনোযোগ দিয়ে। কাহিনী বুঢ়াই কৰম পূজাৰ আখ্যানমূলক কাহিনী ক'বলৈ আৰম্ভ কৰে। কাহিনী শেষ হোৱাৰ পাছত কৰমতীসকলে কৰমডালত সূতা বান্ধে। যিমান বছৰ কৰম পূজা পালন কৰি আহিছে, সিমান পাক ঘূৰাই সূতা বান্ধে। কৰম কাহিনী আৰু পূজাৰ কাজ সমাপন হোৱাৰ পাছত আৰতী গীত পৰিৱেশন কৰে। আৰতী গীত পৰিৱেশনৰ অন্তত কৰমতীসকলৰ কৰম পূজা কৰাৰ উদ্দেশ্যে আৰু ফলাফল লাভ কৰাৰ সন্দৰ্ভত কাহিনী বুঢ়াই পৰস্পৰে পৰস্পৰৰ মাজত প্ৰশ্ন কৰি উত্তৰ বিচাৰে। যেনে —

প্ৰশ্ন: কেকৰ কৰম, কেকৰ ধৰম?
উত্তৰ: হামৰ কৰম, ভাইক ধৰম।
প্ৰশ্ন: 'কৰম কৰকে কি পালি মায়া চব'
উত্তৰ: কহঁৰা এচন বেটা পালি, হামৰ মনে খজা ফল।

এনেদৰে প্ৰশ্ন-উত্তৰ হোৱাৰ পিছত পূজা সামৰণি হয় আৰু কৰমতীসকলে সমবেত ৰাইজক প্ৰসাদ বিতৰণ কৰে। প্ৰসাদ বিতৰণ কিছুসময়ৰ পাছত কাহিনী বুঢ়ায়ে ঝুমইৰ নাচ-গানৰ আখড়া শুভাৰম্ভণি কৰে। কাহিনী বুঢ়াই ৰাইজৰ বাবে আখড়া মুকলি কৰা পাছত সকলোৱে ঢোল-মাদলৰ চেঁৱে চেঁৱে নাচিব ধৰে। এনেদৰে প্ৰথম প্ৰহৰৰ (আগবেলা ৰাতি) পৰা দোকমোকালি ৰাতিপুৱা লৈকে ঢোল-মাদলৰ চেৰত নাচ-গান কৰে। ৰাতিপুৱা নাচ-গানৰ মাজতে এজনী নাইবা দুইজনী কৰমতীয়ে কৰমডাল বিসৰ্জনৰ বাবে সকলোবোৰ পূজাৰ সামগ্ৰী নিৰ্দিষ্ট এক পাচিত গোটাই লয় আৰু লগে লগে নিয়ম নীতি অনুসৰি কৰমডাল উঘালি বিসৰ্জনৰ বাবে কৰমতীসকলে আগবাঢ়ে। এনেদৰে গীত-মাত কৰি আনন্দ ফুৰ্তিৰ মাজত নৈ নাইবা জানৰ ঘাটত নিৰ্দিষ্ট নীতি নিয়মৰ মাজত কৰম পূজাত ব্যৱহাৰিত সকলো সামগ্ৰী যেনে- জাৱা, টুকুৰী, পূজাত উচৰ্গিত সামগ্ৰীসমূহৰ লগতে কৰম ডালক পানীত বিসৰ্জন কৰি সামৰণি মাৰে। আকৌ বিসৰ্জন কৰা দিনা গধূলি পুনৰ কৰমডালৰ গাঁতৰ কাষত চাকি-বন্তি জ্বলায় আৰু একো মুঠি মাটিৰে গাঁতটো পুতি পেলায়। এই পৰ্বক 'গাড়া ভোতা' (গাত বন্ধ কৰা) বুলি কোৱা হয়। অসমৰ কোনো কোনো ঠাইত কৰম পূজা অনুষ্ঠিত হোৱাৰ আঠ দিনৰ দিনাহে গাড়া ভোতা অনুষ্ঠান কৰে। সময়ৰ লগে লগে বিভিন্ন কাৰণত অৱশ্যে পৰম্পৰাগত নিয়মৰ কিছু সাল-সলনি হোৱাও দেখা যায়। মূলত: কৃষিভিত্তিক এই কৰম পূজা আদিবাসী চাহ জনগোষ্ঠী সমাজৰ পূজা-পাৰ্বণসমূহৰ ভিতৰত আটাইতকৈ আড়ম্বৰপূৰ্ণ, উৎসাহ ভৰা আৰু গুৰুত্বপূৰ্ণ উৎসৱ বুলি গণ্য কৰা হয়।

তলত দুটামান গীত উল্লেখ কৰা হ'ল-

জাৱাগীত-
এটি এটি জাৱা
কিয়া কিয়া জাৱা
ধান বনাই'ল!
চেহসৰে ধানা
এক পাচী ছাইৰে।

ডাল আদৰি আনিবলৈ যোৱা সময়ত গোৱা গীত —
"দে দাদা দে দাদা,
ডাইৰ কাইট দে
দে ভজি দে ভজি,
ৰটি ছাইক দে।
দে ভজি দে ভজি
শাৰী পিন্ধাই দে
দে ভজি দে ভজি
ডাইৰ ঝইক দে।"

কাহিনী কোৱা বুঢ়াই কৰম দেৱতাক আদৰণি জনোৱা গীত-
নৱা ডালি নাৱা চুপ নাৱাৰে কৰমতী,
বাইৰ দিয়া হৌ লাল ৰেচম কে বাতি
আইজ ৰে কৰ্মা কেৰ ৰাতি
ভাদকে একাদশী পূৰ্ণিমা তিথি।
কৰমা গাড়াইল ৰাতি
ডাইৰ ধৰে বৰ মাগে
যতৰে উপাচি
আইজৰে কৰমাকেৰ ৰাতি।

ঝুমই'ৰ গীত (আখড়া গীত)-
"আখড়া বন্দনা কৰি
সৰস্বতী মাইগ বলি
আখড়া বন্দনা ব্ৰত নাৰী
মদনে ঝুমই'ৰ লাগল ভাৰি।"

# উপযুক্ত সাজ-পোছাক আৰু নগ্নতা

**নিবেদিতা হাজৰিকা**

সাজ-পোছাক হ'ল আমাৰ আভূষণ। যিয়ে আমাৰ শৰীৰটো আৱৰি ৰখাত সহায় কৰে। লাজ নিবাৰণৰ বাবেই মুখ্যতঃ কাপোৰ পিন্ধা হয়। আদিম যুগত মানুহ যেতিয়া অজ্ঞানী আৰু বৰ্বৰ অৱস্থাত আছিল তেতিয়া লাজ কি বস্তু বুজি পোৱা নাছিল। কিন্তু কালক্ৰমত সভ্যতাৰ পোহৰ পৰাৰ লগে-লগে লাজ কি বস্তু বুজি পোৱা হ'ল আৰু মানৱ জাতিয়ে বস্ত্ৰ পৰিধান কৰিবলৈ শিকলে। বৰ্তমান সমাজখনৰ বহুতো পৰিৱৰ্তন ঘটিল, সমাজলৈ পৰিৱৰ্তন আহিল। যিটো অতিশয় স্বাভাৱিক। সময়ে সাজ-পোছাকৰ ক্ষেত্ৰতো বহু পৰিৱৰ্তন আনিলে। সময় সলনি হ'লেও স্থান ভেদে ভিন্ন পোছাক আদি পৰিধান কৰিলেও ইয়াৰ এটা সীমা থকা উচিত। নিজকে আধুনিক দেখুৱাবলৈ গৈ দৃষ্টিকটু সাজ-পোছাক কৰাটো কোনো কাৰণতে গ্ৰহণ যোগ্য নহয়। কিন্তু উদ্বেগ তথা চিন্তাৰ বিষয় এয়ে যে আজি-কালি আধুনিকতাৰ নামত দূৰদৰ্শন আদিৰ অনুগ্ৰহত ঘৰতে স্বল্প বসনা নাৰী, অল্প বসনা নাৰী সঘনে দেখিবলৈ পোৱা যায়। এই সমূহৰ দ্বাৰা অনুপ্ৰাণিত হৈ আজিৰ উঠি অহা প্ৰজন্মৰ বহুতেই এই সমূহ অনুকৰণ কৰা দেখা যায়। এই সমূহ বিজ্ঞাপন বা দৃশ্যাংশৰ দ্বাৰা অনুপ্ৰাণিত হৈ সেই ধৰণৰ পোছাক, বেশ-ভূষা আদি আঁকোৱালি ল'ব ধৰিছে। বহুতৰ বাবে এইবোৰ সাধাৰণ কথা যেন লাগিলেও এই বিষয় সমূহ কেতিয়াও উলাই কৰিব নোৱাৰি বা উলাই কৰা উচিত নহয়। সাম্প্ৰতিক সময়ত উঠি অহা প্ৰজন্মৰ বহুতেই আধুনিকতাৰ নামত পশ্চিমীয়া সংস্কৃতিক যিদৰে আঁকোৱালি লৈছে সচেতন মহলত সি এক চিন্তাৰ বিষয় হৈ পৰিছে।

নগ্নতা -যাক প্ৰায় সকলোৱে অশ্লীল বুলি ভাবে। কিন্তু নগ্নতা আৰু অশ্লীলতাৰ মাজত পাৰ্থক্য আছে। নগ্নতা মানেই অশ্লীল নহয়। আমোদজনক কথা এয়ে যে নগ্নতা বুলি ক'লে প্ৰথমেই নাৰী আৰু নাৰীয়ে পৰিধান কৰা সাজ-পোছাকযোৰৰ কথাহে মনলৈ আহে। সকলোৰে ধাৰণা -যেন নাৰীয়েহে মাৰ্জিত পোছাক কৰিব লাগে, শালীনতা বজাই ৰাখিব লাগে। নাৰীৰ শৰীৰটো উন্মুক্ত বা অনাবৃত্ত হৈ থাকিলেই নগ্ন, অশ্লীল, দৃষ্টিকটু আদি বিভিন্ন বিভূষণেৰে বিভূষিত কৰা হয়। অথচ নগ্নতাৰ বিচাৰত পুৰুষজনে কি পিন্ধিছে বা পিন্ধা নাই সেই বিষয়ে গুৰুত্ব দিয়া নহয়। যেন পুৰুষ মানেই সকলো ৰূপতে গ্ৰহণ যোগ্য, পুৰুষৰ সকলো ৰূপেই গ্ৰহণযোগ্য। এটা কথা ঠিক যে আবুৰতাই সৌন্দৰ্য বৃদ্ধি কৰে, আনৰ চকুত আকৰ্ষণীয় কৰি তোলে। নিজৰ ব্যক্তিত্ব উজ্জ্বলাই তোলাৰ ক্ষেত্ৰত সাজ-পোছাকৰ ভূমকা অদ্বিতীয়। স্থান, কাল, পাত্ৰ ভেদে আমি সাজ-পোছাক পৰিধান কৰিবলৈ শিকা উচিত। নিজৰ ব্যক্তিত্ব আৰু সামাজিক মৰ্যাদা অটুট ৰাখি সাজ-পোছাক পৰিধান কৰিব জনাটো বা শিকাটো এক প্ৰকাৰৰ কলা। ইয়াৰ উপৰিও এযোৰ উপযুক্ত পোছাকে আমাৰ জাতীয় সংস্কৃতি তথা পৰম্পৰা আদিকো প্ৰতিনিধিত্ব কৰে। সেয়ে আমি সাজ-পোছাকযোৰক মৰ্যাদা দিয়া উচিত আৰু সাজ-পোছাক নিৰ্বাচনৰ ক্ষেত্ৰত সচেতন হোৱা উচিত। কিয়নো ই আমাৰ সুৰুচিৰো পৰিচায়ক। সৌন্দৰ্য, শালীনতা তথা পৰম্পৰা এই সকলোখিনি আমাৰ সাজ-পোছাকযোৰতেই লুকাই আছে। সেয়ে আমি সকলোৱে সাজ-পোছাক নিৰ্বাচন আৰু পৰিধানৰ ক্ষেত্ৰত সচেতন হোৱা উচিত। এটা কথা সঁচা যে সকলোৰে ব্যক্তিগত কিছুমান ৰুচি, পছন্দ-অপছন্দ থাকে। সেই ৰুচি-অভীৰুচি সমূহ জলাঞ্জলি দি বা বলপূৰ্বক ভাৱে দমন কৰিবলৈও যাব নোৱাৰো বা যোৱা উচিত নহয়। কিন্তু মাৰ্জিত, ৰুচিবোধ সম্পন্ন কৈ তথা নিজৰ ব্যক্তিত্ব দাঙি ধৰিব, উজ্জ্বলাই তুলিব নিশ্চয় কৈ পাৰো। এটা কথা মনত ৰখা ভাল যে আপুনি, মই, আমাৰ সন্তানে পৰিধান কৰা কাপোৰ সাজে বহু কথাই কয়। সেয়ে সাজ-পোছাক নিৰ্বাচনৰ ক্ষেত্ৰত আমি সচেতন হোৱা উচিত। উপযুক্ত স্থানত উপযুক্ত সাজ এযোৰ পৰিধান কৰিব শিকাটো এটা সু-সংস্কাৰ বা বুদ্ধিমত্তাৰ পৰিচায়ক। যি সাজ কাপোৰে আমাৰ সৌন্দৰ্য বৃদ্ধি নকৰে, আমাৰ সন্মান বৃদ্ধিৰ পৰিৱৰ্তে সন্মান হানি কৰে, এচাম নীচ লোকৰ মন-মগজুত লোলুপ দৃষ্টি জাগ্ৰত কৰে সেই সাজ -পোছাক সৰ্বদা, সৰ্বক্ষণে বৰ্জন কৰা উচিত। উপযুক্ত স্থানত উপযুক্ত কাপোৰ পৰিধান কৰিবলৈ শিকাটো বা জনাটোও এক ধৰণৰ কলা, সেয়ে সেই কলাৰ অধিকাৰী হ'বলৈ শিকাটো বুদ্ধিমানৰ কাম।

# ঐতিহ্যমণ্ডিত চতিয়া থানা

অঞ্জন বাচকোটা

> *অসমৰ প্ৰায় নেতৃস্থানীয় কংগ্ৰেছী নেতাসকল গ্ৰেপ্তাৰ হোৱাৰ পিছত তেজপুৰৰ কংগ্ৰেছ অফিচত অমিয় কুমাৰ দাসৰ নিৰ্দেশ মৰ্মে কৰ্মকৰ্তা আৰু স্বেচ্ছা সেৱকসকলৰ এখন বৈঠক অনুষ্ঠিত হৈছিল। সেই বৈঠকত অমিয় কুমাৰ দাস (নৰিয়া দেহৰ বাবে গ্ৰেপ্তাৰ হোৱা নাছিল) সহিতে বিজয় চন্দ্ৰ ভাগৱতী, বিমান চন্দ্ৰ বৰা আৰু ১২ জন স্বেচ্ছাসেৱকৰ উপস্থিতিত দৰং জিলাৰ অন্যতম থানা- চতিয়া থানাত 'থানা দখল, থানা অৱৰোধ'ৰ বাবে নিৰ্বাচিত কৰি বিমান চন্দ্ৰ বৰাক এই ঐতিহাসিক কাৰ্য সমাধা কৰিবলৈ দায়িত্ব প্ৰদান কৰা হৈছিল।*

মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত দেশজুৰি আৰম্ভ হোৱা অহিংস আন্দোলনে এক ব্যাপক ৰূপ লাভ কৰিছিল। তাতে ১৯৪২ চনত বোম্বাইত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ পূৰ্ণ স্বাধীনতা (স্বৰাজ)ৰ প্ৰস্তাৱে যিদৰে শাসক পক্ষৰ নিদ্ৰা হৰণ কৰিছিল একেদৰে দেশবাসীৰ মাজত স্বাধীনতা সংগ্ৰামক ত্বৰান্বিত কৰিছিল। বোম্বাই অধিৱেশনৰ এই প্ৰস্তাৱৰ পিছতে মহাত্মা গান্ধীকে প্ৰমুখ্য কৰি দেশৰ আগশাৰীৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাসকলক ৯ আগষ্টত বৃটিছ প্ৰশাসনে আটক কৰিলে। বোম্বাই অধিৱেশনৰ পৰা ফিৰি অহাৰ পথত গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাক প্ৰশাসনে ধুবুৰীত আটক কৰে (*স্বাধীনতাৰ সোণোৱালী জয়ন্তী বৰ্ষৰ 'স্মৃতিগ্ৰন্থ', ১৯৯৭, চতিয়া, সম্পাদকঃ লীলা কটকী, পৃ. ৬৪*)। এফালে 'ভাৰত ত্যাগৰ প্ৰস্তাৱ' অন্যহাতে জাতীয় কংগ্ৰেছৰ কেন্দ্ৰীয় তথা প্ৰাদেশিক নেতাসকলৰ গ্ৰেপ্তাৰে '42 ৰ আন্দোলনক এক সুকীয়া গতি প্ৰদান কৰিলে। ইয়াৰ মাজতে জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰত ত্যাগ আন্দোলন সম্পূৰ্ণ 'অহিংস নীতি'ৰ মাজেদিহে সম্পাদন হ'ব লাগিব বুলি দৃঢ়তাৰে কৈছিল।

সৰ্বভাৰতীয় পৰ্যায়ত জাতীয় কংগ্ৰেছ দলে গ্ৰহণ কৰা প্ৰায় প্ৰতিটো কাৰ্যসূচীতে অসমৰ অংশগ্ৰহণ আছিল যদিও ভাৰত ত্যাগ আন্দোলনে ব্যাপকতা লাভ কৰিছিল। '42 ৰ জন আন্দোলন দমন কৰিবলৈ চৰকাৰ প্ৰশাসনে চলোৱা দমন, উৎপীড়নে কিন্তু প্ৰজাগণক আন্দোলনত অংশগ্ৰহণ কৰিবলৈ উদ্‌গনিহে যোগাইছিল। এই '42 ৰ ভাৰত ত্যাগ আন্দোলনত গ্ৰহণ কৰা অন্যান্য প্ৰস্তাৱ তথা কাৰ্যসূচীসমূহৰ ভিতৰত 'থানে দখল'ৰ (থানা দখল) কাৰ্যসূচীটো আছিল এক অন্যতম।

বৃটিছৰ প্ৰশাসনীয় ব্যৱস্থাৰ এক অন্যতম থলী আছিল চৰকাৰে স্থাপন কৰা থানাসমূহ। আইন শৃঙ্খলাজনিত বিষয়, সাধাৰণ প্ৰশাসনীয় দিশ আদি থানাৰ জৰিয়তে পৰিচালিত তথা নিয়ন্ত্ৰিত হৈছিল। William Wilson Hunter ৰ'A Statistical Account of Assam Vol 1', ত উল্লেখ থকা অনুসৰি 'The Present regular Police was constituted in 1861 (pg. 111)। তদানুসৰি প্ৰতিটো জিলাত আৰক্ষী মুখ্যালয় স্থাপনৰ জৰিয়তে জিলা সদৰ আৰু সেই জিলাৰ বিভিন্ন ঠাইত দেশৰ শান্তি-শৃঙ্খলা, প্ৰশাসনিক ব্যৱস্থা নিয়ন্ত্ৰণৰ বাবে থানাদি স্থাপন কৰা হৈছিল। এই উদ্ধৃতিৰ আলমত আমি ক'ব পাৰো যে চতিয়া থানাখন ১৮৬১ চনত স্থাপন হৈছিল।

আমি প্ৰস্তুত প্ৰবন্ধত ১৯৪২ চনৰ গণ আন্দোলনৰ মাজলৈ বিস্তৃতভাৱে সোমাই যোৱাৰ বিপৰীতে ১৯৪২ চনৰ ২০ আগষ্টত দৰং জিলাৰ (তেতিয়াৰ) চতিয়া থানাত কিদৰে জাতীয় পতাকা উত্তোলন কৰা হৈছিল আৰু কিদৰে বৃহত্তৰ চতিয়া অঞ্চলৰ মুক্তিকামী জনতা এই ঐতিহাসিক তথা বিৰল মুহূৰ্ত্তৰ সাক্ষী হৈছিল সেই বিষয়েহে সবিস্তাৰে আলোচনা কৰিম। William Wilson Hunter ৰ'A Statistical Account of Assam Vol 1', ৰ ১১১ নং পৃষ্ঠাত উল্লেখ থকা Abstract of Population of each subdivision and police circle of Darrang District, 1872 ত Tezpur, Chutia (বৰ্তমানৰ Sootea/Chatia চতিয়া) আৰু Gohpur থানাৰ উল্লেখ আছে। তেতিয়া চতিয়া থানাৰ ক্ষেত্ৰ জীয়া ভৰলী নদীৰ পূব প্ৰান্তৰ পৰা পশ্চিমে বুঢ়ীগাং নদীলৈকে, উত্তৰে ডফলা পাহাৰ আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদীলৈকে বিস্তাৰিত আছিল। গতিকে স্বাভাৱিকতে ভাব হয় উক্ত দিনা পতাকা উত্তোলন, থানা দখল, থানা অৱৰোধৰ কাৰ্যসূচী সফল কৰিবলৈ জামুগুৰিহাট, নাগশংকৰ, বিশ্বনাথ চাৰিআলি আৰু বিভিন্ন ঠাইৰ পৰা বহু লোকৰ সমাগম হৈছিল আৰু শান্তিপূৰ্ণভাৱে পতাকা উত্তোলনৰ কাৰ্যসূচীভাগ সুসম্পন্ন হৈছিল।

জাতীয় কংগ্ৰেছৰ বোম্বাই অধিৱেশনত গ্ৰহণ কৰা ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনক সাফল্যমণ্ডিত কৰিবলৈ কেইবাটাও শ্লোগান ৰচনা কৰা হৈছিল। ইয়াৰে 'Do or Die', 'কৰিম কিম্বা মৰিম', 'সমুখ সমৰ সমুখত মুক্তি যুঁজাৰু হুচিয়াৰ' আদিয়ে মুক্তিকামী জনতাৰ মনত প্ৰাণৰ সঞ্চাৰ কৰিছিল, আন্দোনৰ প্ৰতি উদ্বুদ্ধ কৰিছিল। একেদৰে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱে ৰচনা কৰা বিপ্লৱী গীত মাতেও অসমীয়া দেশপ্ৰেমীসকলৰ মনত দেশাত্মবোধৰ ভাব জাগৃত কৰাৰ লগতে দেশৰ কাৰণে মৃত্যু জিনিবলৈ সাহ দিছিল। সেইবাবেই মৃত্যু বাহিনীৰ সৈনিকসকলে মৃত্যুলৈ ভয় নকৰোঁ বুলি নিজৰ আঙুলিৰ তেজেৰে প্ৰতিজ্ঞা পত্ৰত চহী কৰিব পাৰিছিল। কিমানখিনি দেশাত্মবোধ, দেশমাতৃৰ প্ৰতি ভাল পোৱা আৰু দেশক পৰাধীনতাৰ শিকলিৰ পৰা মুক্তি দিয়াৰ তাড়না থাকিলে একো একোজন সাধাৰণ গঞাই নিজৰ ৰক্ত ৰঞ্জিত স্বেচ্ছা পত্ৰ লিখি 'মোৰ মৃত্যুৰ বাবে আন কোনো দায়ী নহয়, দেশৰ মুক্তিৰ বাবে মই নিজেই আগবাঢ়ি আহিছোঁ' বুলি মুকলিকৈ স্বাক্ষৰ কৰি দেশৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত নামি পৰিব পাৰে।

১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনৰ প্ৰস্তাৱে স্বাধীনতা সংগ্ৰামীসকলৰ মনত আশাৰ সঞ্চাৰ জগাই তুলিছিল। আমাৰ অসমতো দিগ্‌দৰ্শী নেতাসকলৰ প্ৰচেষ্টাত শান্তি বাহিনী, মৃত্যু বাহিনী আৰু কংগ্ৰেছ দলৰ স্বেচ্ছা সেৱকসকলৰ দ্বাৰা গাঁৱে গাঁৱে আন্দোলনক ত্বৰান্বিত কৰা হৈছিল। ৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা প্ৰস্তাৱ-সিদ্ধান্ত আদিবোৰ পত্ৰাচাৰৰ দ্বাৰা প্ৰাদেশিক সমিতি, জিলা সমিতি, আঞ্চলিক সমিতি তথা গাঁৱৰ প্ৰতিজনৰ মাজলৈ বিস্তাৰিত হৈছিল। '৪২ ৰ ভাৰত ত্যাগ আন্দোলনৰ চতিয়াত ব্যাপক প্ৰভাৱ পৰিছিল। চতিয়াৰ শিক্ষক, ছাত্ৰ, কৃষক-বণুৱা, মহিলা-যুৱতী, শিক্ষয়িত্ৰী, শিপিনী আদি সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰিছিল। চতিয়াত মহিলাসকলৰ নেতৃত্ব দিছিল স্বাধীনতা সংগ্ৰামী স্বৰ্ণপ্ৰভা মহন্তই আৰু বহুকেইগৰাকী মহিলাই কাৰাবৰণ খাটিবলগীয়া হৈছিল।



এই প্ৰবন্ধত ইতিমধ্যে উল্লেখ কৰা হৈছে যে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ তেজোদীপ্ত গীত-মাত, কবিতাই সকলোৰে মনত দেশাত্মবোধ জগাই তোলাত মুখ্য ভূমিকা পালন কৰিছিল। ৰূপকোঁৱৰৰ 'বিশ্ব বিজয়ী নৱ জোৱান' শীৰ্ষক এই কালজয়ী গীতটো চতিয়াতে ৰচনা কৰিছিল আৰু চতিয়াৰ ঔখোৱা বাকৰিত জ্যোতি প্ৰসাদ আগৰৱালাৰ নেতৃত্বত স্বেচ্ছাসেৱকসকলক প্ৰশিক্ষণ দিয়া হৈছিল। এই গীতসমূহে জাতীয় কংগ্ৰেছৰ ভলন্টিয়াৰ, মৃত্যু বাহিনী আৰু শান্তি বাহিনীৰ কেডাৰসকলক শিকাইছিল গান মাষ্টৰ গোলক চন্দ্ৰ শইকীয়াই। এই কাৰ্যৰ বাবে তেখেতক বৃটিছ চৰকাৰে ১৯৩২ চনত ৪ মাহ কাৰাদণ্ড বিহিছিল।

অসমৰ প্ৰায় নেতৃস্থানীয় কংগ্ৰেছী নেতাসকল গ্ৰেপ্তাৰ হোৱাৰ পিছত তেজপুৰৰ কংগ্ৰেছ অফিচত অমিয় কুমাৰ দাসৰ নিৰ্দেশ মৰ্মে কৰ্মকৰ্তা আৰু স্বেচ্ছা সেৱকসকলৰ এখন বৈঠক অনুষ্ঠিত হৈছিল। সেই বৈঠকত অমিয় কুমাৰ দাস (নৰিয়া দেহৰ বাবে গ্ৰেপ্তাৰ হোৱা নাছিল) সহিতে বিজয় চন্দ্ৰ ভাগৱতী, বিমান চন্দ্ৰ বৰা আৰু ১২ জন স্বেচ্ছাসেৱকৰ উপস্থিতিত দৰং জিলাৰ অন্যতম থানা- চতিয়া থানাত 'থানা দখল, থানা অৱৰোধ'ৰ বাবে নিৰ্বাচিত কৰি বিমান চন্দ্ৰ বৰাক এই ঐতিহাসিক কাৰ্য সমাধা কৰিবলৈ দায়িত্ব প্ৰদান কৰা হৈছিল। তেজপুৰত অনুষ্ঠিত সেই আলোচনাৰ পিছতেই সেই দিনাই বিমান চন্দ্ৰ বৰা চতিয়াত আহি উপস্থিত হৈ চতিয়াৰ বহু কেইজনৰ সৈতে আলোচনা কৰি চতিয়াৰ প্ৰতিটো গাঁৱতে স্বায়ত্ব শাসনৰ বাবে নিজকে প্ৰস্তুত কৰি বৃটিছৰ অধীনৰ কোনো অনুষ্ঠান-প্ৰতিষ্ঠানত সহযোগ নকৰিবলৈ, কৰ কাটল আদি নিদিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। তেখেতে লগতে চতিয়া থানা দখলৰ বাবে জিলা নেতৃত্বই দিয়া দায়িত্ব আৰু এই সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া যোজনাৰ বিষয়েও ৰাইজক বুজনি দিয়ে।

১৯৪২ চনৰ ১১ আগষ্টত চতিয়াৰ কছাৰী গাঁও নামঘৰত আয়োজিত বিৰাট জনসভাত ভাষণ দিয়াৰ অপৰাধত বিজয় চন্দ্ৰ ভাগৱতী আৰু কামাখ্যা ত্ৰিপাঠীক গ্ৰেপ্তাৰ কৰা হৈছিল। জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ কাৰ্যসূচী অনুসৰি ২০ চেপ্টেম্বৰ ১৯৪২ ত ৰাজ্যৰ প্ৰতিটো থানা দখল, ত্ৰিৰঙ্গ পতাকা উত্তোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। কিন্তু চতিয়াত সাংগঠনিক কাম-কাজ অতি সক্ৰিয়তাৰে অনুষ্ঠিত হৈ থকাৰ বাবে মুক্তিকামী জনতাই দেশৰ হকে কিবা কৰাৰ বাসনাত উদ্‌গ্ৰীৱ হৈ উঠে। গাঁৱে গাঁৱে আন্দোলনে বিস্তৃতি লাভ কৰিলে। কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলে প্ৰশিক্ষণ গ্ৰহণ কৰি নিজকে সাজু কৰি তুলিছিল। চতিয়া হাইস্কুলৰ শিক্ষক-ছাত্ৰই স্কুল এৰি ওলাই আহিছিল। চতিয়া হাইস্কুলৰ শিক্ষক বিমান চন্দ্ৰ বৰা, বলো বৰমুদৈ, মহেন্দ্ৰনাথ বৰকটকী, থুলেশ্বৰ হাজৰিকা আৰু বিহালী হাইস্কুলৰ পৰা ডিম্বেশ্বৰ হাজৰিকা, কুলধৰ হাজৰিকাই চাকৰি বাদ দি আন্দোলনত যোগ দিছিল। চতিয়া হাইস্কুলৰ ছাত্ৰসকল আছিল-দেবেন্দ্ৰনাথ শৰ্মা, বীৰেন বৰকটকী, স্বৰ্ণপ্ৰভা মহন্ত, চেনীধৰ দাস, পোৱাল বৰুৱা, চন্দ্ৰ বৰা আদি।

সেই অনুসৰি নিৰ্ধাৰিত সময়তকৈ এমাহ পূৰ্বে অৰ্থাৎ ২০ আগষ্ট ১৯৪২ৰ দিনাই চতিয়া থানাত পতাকা উত্তোলনৰ কাৰ্যসূচী সমাপন কৰাটো ঠিক হ'ল আৰু সেইমতে অতি গোপনে প্ৰচাৰ-প্ৰসাৰ চলোৱা হ'ল। উক্ত দিনা চতিয়া হাইস্কুলৰ পৰা শিক্ষক-ছাত্ৰৰ নেতৃত্বত এটা বিৰাট শোভাযাত্ৰা উলিয়াই কছাৰী গাঁও, হাজাৰিমল, বাৰভূঞাই দি ৰে'ল লাইন চৰাইজনীয়া হৈ হস্পিতাল পথেদি মৰনৈৰ কাষেৰে চতিয়া থানাত উপস্থিত হৈ থানা অৱৰোধ কৰি থানা চৌহদত ৰাজহুৱাভাৱে সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰে। এই শোভাযাত্ৰাত প্ৰায় তিনি হেজাৰ লোকৰ সমাগম হৈছিল (*Govt. M.V School, Sootia, Darrang ৰ প্ৰধান শিক্ষক যামিনী কান্ত দাসৰ চিঠিৰ নকল ৰখা বহীৰ পৰা উদ্ধৃত*)। শোভাযাত্ৰাকাৰীসকলে দুশমান ত্ৰিৰঙ্গ পতাকা, পাঁচখনমান শান্তিৰ পতাকা লৈ জয় ধ্বনি, দেশ প্ৰেমমূলক শ্লোগান দি আগবাঢ়িছিল। থানা দখলৰ বাবে অহা সকলো লোক থানা চৌহদত প্ৰৱেশ কৰিব নোৱাৰি থানাৰ উত্তৰে থকা ৰাস্তাত থিয় দিছিল, জনতাৰ গছক থানাৰ দুৱাৰমুখ পৰ্যন্ত পাইছিল। থানা দখলৰ পিছতেই বিমান চন্দ্ৰ বৰাৰ সভাপতিত্বত এখন জনসভা অনুষ্ঠিত হৈছিল। বিমান চন্দ্ৰ বৰাই সাধাৰণ জনতাক থানা দখলৰ অৰ্থ বুজাই দিছিল। তেখেতৰ উদাত্ত ভাষণে স্বাধীনতা সংগ্ৰামীৰ মনত স্বাধীনতাৰ আশা সঞ্চাৰিত কৰিছিল। সেই শোভাযাত্ৰাৰ সমুখভাগত আছিল বলোৰাম বৰমুদৈ আৰু ডিম্বেশ্বৰ হাজৰিকা। স্বৰ্ণপ্ৰভা মহন্তই হাতত ডাঙৰ ত্ৰিৰঙ্গ পতাকা লৈ আহিছিল আৰু ছাত্ৰসকলে হাতেৰে আঁকা সৰু সৰু পতাকা লৈ শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল। সমগ্ৰ দেশৰ ভিতৰতেই চতিয়া থানাতেই পোন প্ৰথমবাৰৰ বাবে ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰা হৈছিল। চতিয়া থানা চৌহদত পতাকা উত্তোলন কৰাৰ অপৰাধত উক্ত নিশা বিমান চন্দ্ৰ বৰা, ডিম্বেশ্বৰ হাজৰিকা, মহেন্দ্ৰ বৰকটকী, বীৰেন বৰকটকী, কুলধৰ হাজৰিকা, চন্দ্ৰনাথ বৰা, শ্ৰেণীধৰ দাস, বলোৰাম বৰমুদৈ, দেবেন্দ্ৰ নাথ শৰ্মা, বিপ্লৱী নেতা পোৱাল বৰুৱা আদিক আটক কৰা হৈছিল।

'৪২ ৰ ২০ আগষ্টত সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে আৰু সফলতাৰে পতাকা উত্তোলন আৰু থানা অৱৰোধৰ কাৰ্যসূচী সমাপত হোৱাৰ পিছত ১৯৪২ চনৰ ২০ চেপ্টেম্বৰতো কংগ্ৰেছৰ নেতৃস্থানীয় লোকৰ বুদ্ধি আৰু কৌশলৰ বলত ৰাতিপুৱা সাত বজাত পুলিচ-মিলিটাৰী বাহিনী সাজু নৌহওতেই চতিয়াৰ মৃত্যু বাহিনীৰ চেক্সনেল কামাণ্ডাৰ গোলক শইকীয়াই চতিয়া হাইস্কুলৰ ছাত্ৰ, মৃত্যু বাহিনীৰ সহযোগত সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে পতাকা উত্তোলন কৰে। সেই সময়ত আচাম ৰাইফলছৰ বিশেষ বাহিনী আৰু আৰক্ষীৰ লোক থানাত মজুত আছিল যদিও থানা চৌহদ লোকে লোকাৰণ্য হোৱা দেখি তেঁওলোক থানাৰ পৰা বাহিৰলৈ ওলাই অহা নাছিল। দৰং জিলাৰ গহপুৰ আৰু ঢেকিয়াজুলি থানা চৌহদ সেই দিনা ছহিদৰ তেজেৰে ৰাঙলী হৈছিল। চতিয়াত কিন্তু নেতৃস্থানীয় নেতাসকলৰ তৎপৰতাত দুয়োটা কাৰ্যসূচীয়েই সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হৈ গৈছিল।

এইখিনিতে চতিয়া আৰু ত্ৰিৰঙ্গ পতাকা উত্তোলনৰ পৃষ্ঠভূমিৰ কথা অলপ উল্লেখ নকৰিলে এই প্ৰবন্ধটো আধৰুৱা হৈ ৰ'ব। তেজপুৰ জিলা কংগ্ৰেছ অথবা লোকনায়ক অমিয় কুমাৰ দাসদেৱকে প্ৰমুখ্য কৰি প্ৰাদেশিক নেতৃত্বই চতিয়া থানাতেই প্ৰথম ত্ৰিৰঙ্গ পতাকা উত্তোলন হ'ব লাগে বুলি চতিয়া থানাক নিৰ্বাচন কৰাৰ আঁৰৰ কাহিনী জানিবলৈ আমি ১৯৪২ৰ পৰা দহ বছৰ আগলৈ অৰ্থাৎ ১৯৩২? চনলৈ ফিৰি যাব লাগিব। ১৯৩২ চনৰ ১৮ মাৰ্চ তাৰিখে চতিয়াৰ মালৰ গাঁৱৰ ভূমিধৰ বৰদলৈয়ে চতিয়াৰ পৰা গৈ তেজপুৰৰ কছাৰী ঘৰত উৰি থকা বৃটিছৰ ইউনিয়ন জেক নমাই কংগ্ৰেছৰ ত্ৰিবৰ্ণ ৰঞ্জিত পতাকা উৰুৱাই 'মহাত্মা গান্ধীকী জয়', 'বন্দে মাতৰত', 'ভাৰত মাতাকী জয়' ধ্বনি দিছিল। তেতিয়াই প্ৰাদেশিক নেতাসকলৰ মনত ভাব হৈছিল বেলেগ কোনেও কৰিব নোৱৰা কাম চতিয়াৰ মানুহে কৰিব পাৰিব। সেই সময়ত ভূমিধৰ বৰদলৈয়ে প্ৰদৰ্শন কৰা সাহসক মূলধন হিচাপে লৈ ১৯৪২ চনত অৰ্থাৎ তেজপুৰৰ কছাৰী ঘৰত পতাকা উত্তোলন কৰাৰ সুদীৰ্ঘ দহ বছৰৰ পিছতো চতিয়াতে পুনৰবাৰ ইতিহাস ৰচিবলৈ দিহা কৰিছিল নেতৃত্বই আৰু এই কাৰ্যত সফলো হৈছিল।

এইদৰে সমগ্ৰ দেশৰ ভিতৰতে পোন প্ৰথমবাৰৰ বাবে ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰা ঐতিহ্যমণ্ডিত চতিয়া থানাখন চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ সংপ্ৰচেষ্টাত, চতিয়াবাসী ৰাইজ তথা নেতৃস্থানীয় সংস্থা-সংগঠনৰ একানপতীয়া প্ৰচেষ্টাত ঐতিহাসিক কীৰ্তি চিহ্ন হিচাপে প্ৰতিষ্ঠা হয়। ২০১৭ চনৰ ২৩ জানুৱাৰীত অসমৰ তদানীন্তন মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱালে পৰিদৰ্শন কৰিছিল। অসম বিধান সভাৰ মজিয়াতো তদানীন্তন স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই ঐতিহ্যমণ্ডিত চতিয়া থানাৰ বিৰল কৃৰ্তীত্বৰ বিষয়ে উল্লেখ কৰিছিল। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চতিয়া থানাৰ ঐতিহ্য সন্দৰ্ভত কেইবাবাৰো ভাষণ প্ৰসঙ্গত উল্লেখ কৰাৰ লগতে ৰাষ্ট্ৰীয় সংবাদ মেলতো চতিয়া থানাৰ বিষয়ে উল্লেখ কৰিছে।

চতিয়াৰ এই খ্যাতি আৰু গৰিমা উত্তৰ প্ৰজন্মলৈ প্ৰবাহিত কৰাৰ স্বাৰ্থত চতিয়াৰ সচেতন ৰাইজে স্থানীয় বহু কেইটা সংস্থা-সংগঠনৰ সহযোগত ২০ আগষ্ট তাৰিখে 'চতিয়া দিৱস' হিচাপে যোৱা ২০২২ চনৰ পৰা উদ্‌যাপন কৰি অহা হৈছে।

এইখিনিতে এটি উল্লেখযোগ্য কথাটো হ'ল চতিয়া থানাৰ প্ৰতিষ্ঠা কালক লৈ মানুহৰ মাজত ভিন্ন মত দেখিবলৈ পোৱা যায়। হান্টাৰ চাহাবৰ গ্ৰন্থত চতিয়া থানৰ প্ৰতিষ্ঠা কাল ১৮৬১ বুলি লিখা আছে যদিও চতিয়া থানাত থকা ফলকত ইয়াৰ প্ৰতিষ্ঠা কাল ১৯১৩ বুলি লিখা আছে। ইমান পুৰণি থানা এখনৰ প্ৰতিষ্ঠা কাল কেনেকৈ ১৯১৩ হ'ব পাৰে? অসমৰ আৰক্ষী প্ৰশাসনেও এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।

উল্লেখযোগ্য যে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাদেৱে ২০২৪ চনৰ ২৯ আগষ্টৰ দিনা অসম বিধান সভাৰ পবিত্ৰ মজিয়াত 'চতিয়া দিৱস'ৰ তাৎপৰ্য ব্যাখ্যা কৰি এই দিৱসটোক চৰকাৰী মৰ্যাদা প্ৰদানৰ বাবে অনুৰোধ জনায়। বিধায়কৰ অনুৰোধৰ প্ৰতি তাৎক্ষণিকভাৱে সঁহাৰি জনাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে ২০২৫ বৰ্ষৰ পৰা চৰকাৰীভাৱে চতিয়া দিৱস উদ্‌যাপনৰ সিদ্ধান্ত ঘোষণা কৰে। এই বাৰৰ পৰা চতিয়া দিৱস চৰকাৰীভাৱে চতিয়াত অনুষ্ঠিত হ'ব। এই লৈ অসম চৰকাৰে চতিয়া থানা (ঐতিহাসিক থানা)ৰ সৌন্দৰ্য্য বৰ্ধন, কৃতী চিহ্ন সংৰক্ষণ আদিৰ বাবে এক মোটা অংকৰ ধন মোকলাই দিছে। এয়া নিশ্চয় চতিয়াবাসীৰ বাবে এক সু-খবৰ।

প্ৰস্তুত প্ৰবন্ধৰ মোখানি মাৰৰ পূৰ্বে অসম চৰকাৰলৈ আহ্বান জনাও যে চতিয়া থানাৰ এই সু-কৃৰ্তীৰ গাথা ভাৰতীয় স্বাধীনতা আন্দোনলৰ ইতিহাসত সোণোৱালী আখৰেৰে লিপিবদ্ধ কৰাবলৈ হাত উজান দিব লাগে। সৰ্বভাৰতীয় ইতিহাস, ৪২ ৰ সোণসেৰীয়া ইতিহাসত চতিয়া থানাৰ গৌৰৱোজ্জ্বল কথা সন্নিবিষ্ট হ'ব লাগিব। আমাৰ গৌৰৱোজ্জ্বল ইতিহাস আমি সময় থাকোতে লিপিবদ্ধ কৰিব নোৱাৰিলে অথবা সংৰক্ষণ কৰিব নোৱাৰিলে লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী পালন কৰাৰ দৰে হ'ব। সেয়েহে আমি চৰকাৰক আহ্বান জনাওঁ চতিয়াৰ ইতিহাস যাতে ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যাবলৈ আমি আৰু অধিক অপেক্ষা কৰিবলগীয়া নহওঁক। যিদৰে আমি শিৱাজী মহাৰাজৰ বিষয়ে পাঠ্যক্ৰমত পঢ়িবলগীয়া হয়, ৰাণী লক্ষ্মীবাঈৰ বিষয়ে পঢ়িবলগীয়া হয় একেদৰে গুজৰাট, পাঞ্জাৱ, হাৰিয়ানা, কেৰেলাৰ ছাত্ৰ-ছাত্ৰীয়েও লাচিত বৰফুকন, কনকলতা বৰুৱা, চতিয়া থানা আদিৰ বিষয়ে পাঠ্যক্ৰমত পঢ়িব লাগিব। এই ক্ষেত্ৰত অসম চৰকাৰ, শিক্ষা বিভাগ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম আদিয়ে সময়োচিত উদ্যোগ ল'ব বুলি আশা কৰিলোঁ। পৰিশেষত স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া প্ৰতিগৰাকী ছহিদলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে পৰলোক গমন কৰা আমাৰ অতি শ্ৰদ্ধাৰ মুক্তি যুঁজাৰসকলৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধা নিবেদিলোঁ...।


সহায়ক গ্ৰন্থাৱলীঃ

১. স্বাধীনতাৰ সোণালী জয়ন্তী 'স্মৃতিগ্ৰন্থ', চতিয়া, ১৯৯৭, সম্পাঃ লীলা কটকী।

২. A Statistical Account of Assam, Vol 1, William Wilson Hunter, 2020 (ed.)

৩. চতিয়া ৰাজ্য-শ'লাল ৰাজ্য (ইতিহাস), কৰুণানন্দ হাতীবৰুৱা, ২০১৮

৪. ন-দুৱাৰ (প্ৰাচীন ইতিহাস), কৰুণানন্দা হাতীবৰুৱা, ২০২১

৫. অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান 'নাট্যসম্ৰাট প্ৰফুল্ল বৰাৰ ১৬ সংখ্যক স্মৃতিদিৱস উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'সিপৰীয়া দৰ্পণ', সম্পাঃ অঞ্জন বাচকোটা, ২০২১, 'ঐতিহাসিক কীৰ্তি চিহ্নঃ চতিয়া থানা য'ত দেশৰ ভিতৰতে প্ৰথম উৰিছিল পতাকা- হেমাংগ হাজৰিকা, পৃঃ ১০৭-১০৮)

৬. পচ্‌পতিপাল দৰ্পণ, ২০২৩, সম্পাঃ অঞ্জন বাচকোটা, পৃঃ ১১-১২।


*লেখক সাহিত্য অকাডেমীৰ যুৱ পুৰস্কাৰ ২০২০ প্ৰাপক*

# গণিতৰ গভীৰতাত আধ্যাত্মিক সৌন্দৰ্য্যৰ সন্ধান

সত্যব্ৰত বৰা


গণিত এনে এটা বিষয় য'ত সংখ্যা, প্ৰতীক আৰু সূত্ৰৰ মাধ্যমেৰে নিয়মবোৰক বুজা যায়। কিন্তু গণিত কেৱল সংখ্যাৰ খেল নহয়; ইয়াৰ গভীৰতাৰ মাজত এক আধ্যাত্মিক মাত্ৰা থাকিব পাৰে বুলি বিখ্যাত পদাৰ্থবিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে কৈছিল। তেওঁৰ মতে, "এই যুক্তিগত সৌন্দৰ্য্যৰ প্ৰচেষ্টাত, প্ৰকৃতিৰ নিয়মবোৰৰ গভীৰতালৈ সোমাবলৈ আধ্যাত্মিক সূত্ৰৰ প্ৰয়োজন।" কথাষাৰৰ জৰিয়তে আইনষ্টাইনে গণিতৰ সৌন্দৰ্য্য আৰু ইয়াৰ আধ্যাত্মিক সংযোগৰ কথা উল্লেখ কৰিছিল। গণিতৰ আধ্যাত্মিক দিশটোৰ ওপৰত চিন্তা কৰিলে আমি বুজিব পাৰোঁ যে ই কেৱল যুক্তি আৰু বিজ্ঞানৰ সীমাৰ মাজতে সীমাবদ্ধ নহয়, বৰঞ্চ ই আমাক বিশ্বৰ সৌন্দৰ্য্য আৰু গভীৰ সত্যৰ সৈতেও সংযোগ কৰে।

গণিতৰ সৌন্দৰ্য্যৰ মাজত এটা সৰ্বজনীন শৃংখলা আৰু সাদৃশ্য থাকে। যেতিয়া আমি এটা জটিল সমীকৰণ সমাধান কৰোঁ বা এটা জ্যামিতিক আকৃতিৰ মাজত সৌন্দৰ্য্য দেখোঁ, তেতিয়া আমি প্ৰকৃতিৰ এটা গভীৰ নিয়মৰ সৈতে সংযোগ অনুভৱ কৰোঁ। আইনষ্টাইনৰ দৰে বিজ্ঞানীসকলে গণিতক প্ৰকৃতিৰ ভাষা বুলি গণ্য কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে গণিতৰ সূত্ৰবোৰৰ জৰিয়তে আমি বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ৰহস্যৰ ওচৰ চাপিব পাৰোঁ।

আমি প্ৰাচীন গ্ৰীক দাৰ্শনিক পাইথাগোৰাছৰ কথা উল্লেখ কৰিব পাৰো। তেওঁ বিশ্বাস কৰিছিল যে সংখ্যাই বিশ্বৰ মূল ভিত্তি। তেওঁৰ মতে, সংখ্যাৰ মাজত এটা শৃংখলা আছে, যিটো প্ৰকৃতিৰ প্ৰতিটো দিশত প্ৰকাশ পায়। উদাহৰণস্বৰূপে, পাইথাগোৰাছৰ ত্ৰিভুজৰ সূত্ৰ বা সোণালী অনুপাতৰ ধাৰণাটো প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু সমন্বয়ৰ প্ৰতীক। এই সোণালী অনুপাত প্ৰকৃতিৰ বিভিন্ন দিশত, যেনে ফুলৰ পাহিৰ গঠন, শামুকৰ খোলাৰ স্পাইৰেল, আনকি মানৱ শৰীৰৰ অনুপাততো দেখা যায়। এই ধৰণৰ গাণিতিক নিয়মৰ মাজত এক আধ্যাত্মিক সৌন্দৰ্য্য আছে, যিয়ে আমাক বিশ্বৰ সৃষ্টিৰ পৰিকল্পনাৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য কৰে।

আইনষ্টাইনৰ কথাৰ পৰা আমি বুজিব পাৰোঁ যে গণিতৰ জৰিয়তে আমি প্ৰকৃতিৰ গভীৰতম নিয়মবোৰৰ ওচৰ চাপিব পাৰোঁ। তেওঁৰ বিখ্যাত সমীকৰণ $E=mc^2$ এটা সাধাৰণ গাণিতিক সূত্ৰ যদিও ই বিশ্বব্ৰহ্মাণ্ডৰ শক্তি আৰু ভৰৰ সম্পৰ্কৰ এক গভীৰ সত্য প্ৰকাশ কৰে। এই সূত্ৰটোৱে কেৱল বিজ্ঞানৰ ক্ষেত্ৰতেই নহয়, দাৰ্শনিক আৰু আধ্যাত্মিক চিন্তাধাৰাতো প্ৰভাৱ পেলাইছিল। ই আমাক দেখুৱাইছে যে বিশ্বৰ সকলো বস্তু এটা সূক্ষ্ম শক্তিৰ জৰিয়তে সংযুক্ত। ধাৰণাটো বহুতো আধ্যাত্মিক পৰম্পৰাৰ সৈতে সাদৃশ্যপূৰ্ণ, য'ত বিশ্বৰ সকলো বস্তু এটা সৰ্বজনীন শক্তিৰ দ্বাৰা সংযুক্ত বুলি কোৱা হয়।

গণিতৰ আধ্যাত্মিক দিশৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ সৌন্দৰ্য্যৰ প্ৰতি আমাৰ মানৱীয় প্ৰতিক্ৰিয়া। যেতিয়া এজন গণিতজ্ঞ এটা সূত্ৰৰ সৌন্দৰ্য্যত মুগ্ধ হয় বা এটা জটিল সমস্যাৰ সমাধান পাই আনন্দ অনুভৱ কৰে, তেতিয়া সেই অনুভূতি প্ৰায় আধ্যাত্মিক ধ্যানৰ দৰে। এনে ধৰণৰ অভিজ্ঞতাৰ মাজত এক ধৰণৰ তৃপ্তি আৰু শান্তি থাকে, যিটো ধৰ্মীয় বা আধ্যাত্মিক সাধনাৰ সৈতে তুলনা কৰিব পাৰি।



প্ৰাচীন ভাৰতীয় গণিতজ্ঞসকল যেনে আৰ্যভট্ট বা ব্ৰহ্মগুপ্তই কেৱল বিজ্ঞানৰ বাবেই গণিতৰ কামবোৰ কৰা নাছিল; তেওঁলোকৰ কামৰ জ্যোতিৰ্বিজ্ঞান আৰু দাৰ্শনিক চিন্তাৰ সৈতে গভীৰ সম্পৰ্ক আছিল। ভাৰতীয় গণিতৰ এটা অমৰ অৱদান হ'ল শূন্যৰ ধাৰণা। ই এটা আধ্যাত্মিক ধাৰণাও। শূন্যই কেৱল সংখ্যাৰ অভাৱৰ প্ৰতীক নহয়, ই অসীমতা আৰু শূন্যতাৰ দাৰ্শনিক ধাৰণাৰ সৈতেও জড়িত। বৌদ্ধ আৰু বেদান্ত দৰ্শনত শূন্যৰ ধাৰণাই বিশ্বৰ চৰিত্ৰ আৰু আমাৰ অস্তিত্বৰ স্বৰূপৰ বিষয়ে গভীৰ প্ৰশ্ন উত্থাপন কৰে।

গণিতৰ আধ্যাত্মিকতাৰ আন এটা দিশ হ'ল ইয়াৰ সৰ্বজনীনতা। গণিতৰ ভাষা সকলো সংস্কৃতি, ধৰ্ম আৰু জাতিৰ বাবে একে। ইয়াৰ সূত্ৰবোৰ সময় আৰু স্থানৰ সীমাৰ বাহিৰত। এই সৰ্বজনীনতাই আমাক এক বৃহত্তৰ সত্যৰ সৈতে সংযোগ কৰে, যিটো বহুতে আধ্যাত্মিক বুলি গণ্য কৰে। যেতিয়া আমি গণিতৰ সূত্ৰৰ মাজত সত্যৰ সন্ধান কৰোঁ, তেতিয়া আমি এনে এক ক্ষেত্ৰত প্ৰৱেশ কৰোঁ য'ত আমাৰ সীমিত মানৱীয় অস্তিত্বৰ সীমাবদ্ধতা অতিক্ৰম কৰা যায়।

আইনষ্টাইনৰ দৃষ্টিকোণৰ পৰা গণিত আছিল এক সঁজুলি, যাৰ জৰিয়তে তেওঁ প্ৰকৃতিৰ ৰহস্য উন্মোচন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ বাবে গণিতৰ সৌন্দৰ্য্য আৰু শৃংখলাই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তাৰ মনৰ সৈতে সংযোগৰ ইংগিত দিছিল। তেওঁ বিশ্বাস কৰিছিল যে গণিতৰ জৰিয়তে আমি বিশ্বৰ সৌন্দৰ্য্য আৰু সমন্বয়ৰ ওচৰ চাপিব পাৰোঁ। এনে ধাৰণাৰ পৰা আমি বুজিব পাৰোঁ যে গণিত কেৱল এক বিজ্ঞান নহয়, ই এক আধ্যাত্মিক পথো হ'ব পাৰে।

গণিতৰ আধ্যাত্মিকতা আমাৰ মনৰ দৃষ্টিকোণৰ ওপৰত নিৰ্ভৰ কৰে। যদি আমি গণিতক কেৱল সংখ্যা আৰু সূত্ৰৰ সংকলন বুলি ভাবোঁ, তেন্তে ইয়াৰ গভীৰতা আমাৰ বাবে লুকাই থাকিব। কিন্তু যদি আমি ইয়াক প্ৰকৃতিৰ ভাষা আৰু বিশ্বৰ সৌন্দৰ্য্যৰ প্ৰকাশ বুলি গণ্য কৰোঁ, তেন্তে ই আমাক এক গভীৰ আধ্যাত্মিক অভিজ্ঞতাৰ পথ দেখুৱাব পাৰে। আইনষ্টাইনৰ দৰে মহান চিন্তাবিদৰ বাবে গণিত আছিল এনে এটা পথ, যাৰ জৰিয়তে তেওঁ বিশ্বৰ সত্য আৰু সৌন্দৰ্য্যৰ সৈতে সংযোগ স্থাপন কৰিছিল। আমিও যদি গণিতৰ এই দিশটোৰ প্ৰতি মনোযোগ দিওঁ, তেন্তে আমি ইয়াৰ মাজত এক আধ্যাত্মিক সৌন্দৰ্য্য আৰু গভীৰতা আৱিষ্কাৰ কৰিব পাৰোঁ।


উৎস ঃ

1. The World of Numbers by Herbert Spencer
2. The Elegant Universe by Brian Greene

## '২৬ত কংগ্ৰেছৰ যুঁজ

প্ৰদেশ যুৱ কংগ্ৰেছৰ সহযোগত আয়োজিত 'ভোটাৰ অধিকাৰৰ যুৱ সন্মিলন'ৰ এখন সভাত এই মন্তব্য প্ৰকাশ কৰে গগৈয়ে। সভাত গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক 'শকুনি মামা'ৰ সৈতে তুলনা কৰি তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "কংগ্ৰেছৰ নীতি সদায় শান্তি আৰু সম্প্ৰীতিৰ। আমি কেতিয়াও সংঘাতৰ পক্ষপাতী নহয়। কংগ্ৰেছ চৰকাৰ গঠন কৰিলে অসমৰ সকলো চৰকাৰী কৰ্মচাৰীয়ে সময়মতো দৰমহা পাব। আমাৰ SOP হ'ব—কোনো মন্ত্ৰী বা তেওঁৰ পৰিয়ালে চৰকাৰী আঁচনিৰ সুবিধা ল'ব নোৱাৰিব। গাঁৱৰ মদৰ দোকান বন্ধ কৰি তাৰ ঠাইত চৰকাৰী বিদ্যালয় স্থাপন কৰা হ'ব। যুৱক-যুৱতীসকলক বন্দুকৰ পৰিৱৰ্তে শিক্ষাৰ সুবিধা আৰু জলপানৰ ব্যৱস্থা কৰা হ'ব।" গগৈয়ে স্থানীয় উদ্যোগীসকলৰ প্ৰতি গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰি কয়, "দিছপুৰৰ ডাঙৰ ঠিকাদাৰৰ পৰিৱৰ্তে জোনাই আৰু ধেমাজিৰ স্থানীয় ঠিকাদাৰসকলক কামৰ সুযোগ দিয়া হ'ব। সাংবাদিকসকলৰ সুৰক্ষাৰ বাবেও পদক্ষেপ লোৱা হ'ব।" তেওঁৰ মতে, কংগ্ৰেছ চৰকাৰৰ মূল লক্ষ্য হ'ব সৰু মানুহৰ কল্যাণ। তেওঁ কয়, "আমি ডাঙৰ ঠিকাদাৰ বা কোম্পানীৰ পৰিৱৰ্তে স্থানীয় উদ্যোক্তাসকলক সমৰ্থন কৰি এক সুস্থ পৰিৱেশ গঢ়ি তুলিম।" গৌৰৱ গগৈয়ে বিজেপি চৰকাৰৰ সমালোচনা কৰি কয়, "বিজেপিৰ শাসনকালত মূল্যবৃদ্ধিয়ে জনসাধাৰণক জুৰুলা কৰিছে, কিন্তু সাধাৰণ মানুহৰ কোনো লাভ হোৱা নাই। বিজেপি নেতাসকলৰ হাতত এতিয়া শতাংশ বিঘা মাটি। তেওঁলোকে ভোট চুৰি কৰিছে আৰু চৰকাৰী অনুদানৰ অপব্যৱহাৰ কৰিছে।" মুখ্যমন্ত্ৰীক লক্ষ্য কৰি তেওঁ কয়, "হিমন্ত বিশ্ব শৰ্মা এতিয়া কোটি কোটি টকাৰ মালিক। তেওঁৰ পুত্ৰৰ নামত অগাধ সম্পত্তি, কোম্পানী আৰু সংবাদ মাধ্যম। তেওঁ খিলঞ্জীয়া লোকৰ মাটি কাঢ়ি আদানী আৰু আম্বাণীৰ হাতত তুলি দিছে। চিলাপথাৰত বাঙালী আৰু কোকৰাঝাৰত বড়ো সম্প্ৰদায়ক উচ্ছেদ কৰা হৈছে। দুখীয়া মানুহে ন্যায় বিচাৰিলে তেওঁলোকক পুলিচৰ গুণ্ডাবাহিনীৰে মাৰপিট কৰা হৈছে।" তেওঁ আৰু অভিযোগ কৰে, "বিজেপি চৰকাৰে বিদ্যালয় বন্ধ কৰি মদৰ দোকান খুলিছে। যুৱক-যুৱতীসকলক শিক্ষাৰ পৰিৱৰ্তে বন্দুক দিয়াৰ পৰিকল্পনা কৰিছে। পূৰ্বৰ কংগ্ৰেছৰ শাসনকালত জনসাধাৰণৰ বাবে যিসকল সুবিধা আছিল, সেই সকলো বিজেপিয়ে কাঢ়ি লৈছে। ২০২৬ত এই অৱস্থাৰ পৰিৱৰ্তন হ'ব। কংগ্ৰেছ জনসাধাৰণৰ সপোন বাস্তৱায়িত কৰিবলৈ চৰকাৰ গঠন কৰিব।" সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক জিতেন্দ্ৰ সিঙে বিজেপি চৰকাৰৰ তীব্ৰ সমালোচনা কৰি কয়, "বিজেপি হৈছে ভোট চোৰ আৰু গাদী চোৰ। তেওঁলোকে আমাৰ ভোটৰ অধিকাৰ কাঢ়ি লৈছে। ভাৰতৰ নিৰ্বাচন আয়োগে বিজেপিৰ কাৰ্যকৰ্তাৰ দৰে কাম কৰি মৃত লোকক জীৱিত আৰু জীৱিত লোকক মৃত দেখুৱাই ভোটৰ খেলিমেলি কৰিছে। ৰাহুল গান্ধীয়ে এই সকলো তথ্য জনসাধাৰণৰ আগত তুলি ধৰিছে। আমি সকলোৱে ভোটৰ অধিকাৰৰ বাবে সজাগ হ'ব লাগিব।" এই সভাত কংগ্ৰেছৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ বিভিন্ন দলৰ প্ৰায় ২০০ কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। সভাত অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি জুবেইৰ আনম মজুমদাৰ, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক বিকাশ উপাধ্যায়, প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগু, প্ৰাক্তন সাংসদ ৰাণী নৰহ আদি উপস্থিত আছিল। ২০২৬ৰ নিৰ্বাচনক লক্ষ্য কৰি কংগ্ৰেছৰ এই সভাই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন গতি সঞ্চাৰ কৰিছে। গৌৰৱ গগৈৰ নেতৃত্বত দলটোৱে জনসাধাৰণৰ সমৰ্থন লাভৰ বাবে তীব্ৰ প্ৰচাৰ অভিযান চলাবলৈ প্ৰস্তুত হৈছে।

## 'জীৱিকা সখী'লৈ ৰাজ্য

বিতৰণ কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত এক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, লোকসভাৰ সাংসদ বিজুলী কলিতা মেধি, মন্ত্ৰী যোগেন মহন, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু মুখ্য সচিব ড° ৰবি কোটাৰ উপৰিও ৯, ০০০ৰো অধিক জীৱিকা সখী উপস্থিত আছিল। এই স্কুটী বিতৰণৰ মূল লক্ষ্য হৈছে আত্মসহায়ক গোটৰ কাৰ্যকলাপ ত্বৰান্বিত কৰা, যাতায়াতৰ খৰচ হ্ৰাস কৰা আৰু মহিলাসকলৰ সৃষ্টিশীলতা তথা উপাৰ্জন বৃদ্ধিৰ সুযোগ সৃষ্টি কৰা। স্কুটী প্ৰদানৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, "মহিলাসকলে ৰাজ্যৰ প্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমাৰ লক্ষ্য হৈছে মহিলাসকলক শক্তিশালী কৰা, আৰু এই কাৰণে আমি ইতিমধ্যে তেওঁলোকৰ বাবে কেইবাটাও আঁচনি গ্ৰহণ কৰিছো।" তেওঁ আৰু জনাই, "অসমত বৰ্তমান ৪০ লাখ মহিলা আত্মসহায়ক গোটৰ সৈতে জড়িত। এই গোটসমূহে ১৮৯ কোটি টকাৰ সামূহিক বিনিয়োগ পুঁজি লাভ কৰিছে। বেংকৰ পৰা ১৬, ০০০ কোটি টকাৰ ঋণ লাভৰ ক্ষেত্ৰতো এই গোটসমূহ সফল হৈছে। আমাৰ প্ৰধান লক্ষ্য হৈছে এই ৪০ লাখ মহিলাক লাখপতি কৰা। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে আমি প্ৰতিটো সমষ্টিৰ মহিলাক আৰ্থিক সাহায্য প্ৰদান কৰিম।" মুখ্যমন্ত্ৰীয়ে আৰু উল্লেখ কৰে, "এই অভিযানৰ প্ৰথম পৰ্যায়ত আমি প্ৰতিজন মহিলাক ১০, ০০০ টকা প্ৰদান কৰিম। অহা বছৰ তেওঁলোকক ২৫, ০০০ টকা দিয়া হ'ব, য'ত ১২, ৫০০ টকা চৰকাৰৰ পৰা ৰাজসাহায্য হিচাপে আৰু বাকী ১২, ৫০০ টকা বেংকে ঋণ হিচাপে প্ৰদান কৰিব। বেংকৰ ঋণৰ সুদ চৰকাৰে বহন কৰিব। জীৱিকা সখীসকলে পৰৱৰ্তী পৰ্যায়ত ৪০, ০০০ টকা পাব।" তেওঁ লগতে কয়, "জীৱিকা সখী, বেংক সখী আৰু পশু সখীসকল আমাৰ সমাজৰ প্ৰেৰণাৰ উৎস। হিন্দু হওক বা মুছলমান হওক, আমাৰ সখীসকল সমাজৰ মূল শক্তি। তিনিটা সন্তানৰ পিছত পৰিয়াল পৰিকল্পনাত গুৰুত্ব দিয়া উচিত। চাহ জনগোষ্ঠীৰ ক্ষেত্ৰত তিনি-চাৰিটা সন্তানৰ ক্ষেত্ৰত আমাৰ কোনো আপত্তি নাই, কাৰণ তেওঁলোক সংখ্যালঘু। কিন্তু সকলোৱে নিজৰ পৰিয়ালৰ পৰিকল্পনাৰ প্ৰতি সচেতন হ'ব লাগিব।" মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত আৰু কয়, "আমি নিশ্চিত কৰিম যে কম বয়সত কোনো ছোৱালীৰ বিয়া নহয়। যিসকল জীৱিকা সখীয়ে এতিয়ালৈ অৰুণোদয় আঁচনিৰ সুবিধা পোৱা নাই, তেওঁলোকক আমি সোনকালে এই সুবিধা প্ৰদান কৰিম। আজিৰ এই অনুষ্ঠানত উপস্থিত নোহোৱা সখীসকলকো আমি অৰুণোদয়ৰ সুবিধা প্ৰদান কৰিম। স্কুটীৰ সৈতে আমি হেলমেট পিন্ধাৰ গুৰুত্বৰ ওপৰত জোৰ দিছো আৰু ইন্ধনৰ বাবে মাহে ৫০০ টকা প্ৰদান কৰা হ'ব।" এই কাৰ্যসূচীয়ে অসমৰ গ্ৰামীণ মহিলাসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত এক নতুন দিশৰ সূচনা কৰিছে আৰু ৰাজ্য চৰকাৰৰ এই পদক্ষেপে মহিলা সশক্তিকৰণৰ পথত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## নাগাৰা নামৰ পাঠিকা

পৰিবেশনৰ বাবে কৰিশ্মা নাথৰ বিৰুদ্ধে ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। এই ঘটনাই কলাগুৰুৰ সাংস্কৃতিক ঐতিহ্যক অপমান কৰাৰ অভিযোগ উত্থাপন কৰিছে, আৰু তেওঁৰ পুত্ৰ হেমৰাজ ৰাভা এই কাৰ্যৰ বিৰুদ্ধে ক্ষুব্ধ হৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। শনিবাৰে তেজপুৰত সংবাদ মাধ্যমৰ সন্মুখত হেমৰাজ ৰাভাই কৈছে যে, কৰিশ্মা নাথে কোনো অনুমতি নোলোৱাকৈ 'নাগাৰা নাম'ৰ অধীনত এই কালজয়ী গীতটো বিকৃতভাৱে পৰিবেশন কৰিছে। তেওঁ এই কাৰ্যৰ বাবে গভীৰ দুখ প্ৰকাশ কৰি কয়, "এনে বিকৃতিৰ বাবে মই অত্যন্ত কষ্ট পাইছোঁ। বিষ্ণু প্ৰসাদ ৰাভা ট্ৰাষ্টৰ পৰা আমি এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিম, আৰু অসমৰ ৰাইজে এই ঘটনাৰ বিচাৰ কৰিব।" হেমৰাজ ৰাভাই আৰু জনাই যে, বৰগীত, জ্যোতি সংগীত, বিষ্ণুৰাভা সংগীত, আৰু ৰবীন্দ্ৰ সংগীতৰ মৰ্যাদা হানি কৰাৰ কোনো কাৰ্যক তেওঁ সহ্য নকৰে। তেওঁ ঘোষণা কৰে যে, বিষ্ণু প্ৰসাদ ৰাভা ট্ৰাষ্টৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনা কৰি কৰিশ্মা নাথৰ এই কাৰ্যৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণ কৰা হ'ব। তেওঁ অভিযোগ কৰে যে, কৰিশ্মা নাথে ব্যক্তিগত প্ৰচাৰৰ স্বাৰ্থত এই গীতটো বিকৃত কৰি পৰিবেশন কৰি কলাগুৰুৰ স্মৃতিক অপমান কৰিছে আৰু অসমৰ সাংস্কৃতিক ঐতিহ্যক কলুষিত কৰিবলৈ চেষ্টা কৰিছে। তেওঁৰ দলটোৱে এই ক্ষেত্ৰত ইচ্ছাকৃতভাৱে ভূমিকা পালন কৰিছে বুলি অভিযোগ কৰি ৰাভাই চৰকাৰৰ ওচৰত এই দলটোৰ ওপৰত নিষেধাজ্ঞা জাৰিৰ দাবী জনায়। তেওঁৰ মতে, অসমৰ কোনো স্থানত এই দলটোৱে কোনো ধৰণৰ পৰিবেশন আগবঢ়াব নোৱাৰিবলৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা উচিত। তেজপুৰৰ বিভিন্ন সংগঠন আৰু সাধাৰণ ৰাইজ এই ঘটনাক কলাগুৰুৰ সাংস্কৃতিক অৱদানৰ প্ৰতি অপমান হিচাপে গণ্য কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে।

## কংগ্ৰেছৰ ৩১টা সমষ্টিৰ

তালিকাত বিভিন্ন সমষ্টিৰ বাবে মনোনীত প্ৰাৰ্থীসকলৰ নাম সংযোজন কৰা হৈছে। জামদুৱাৰ সমষ্টিৰ বাবে কংগ্ৰেছে ৰঞ্জনা বসুমতাৰীক প্ৰাৰ্থী হিচাপে মনোনীত কৰিছে। তেনেদৰে, চৰাইবিল সমষ্টিৰ বাবে ৰণঞ্জয় নাৰ্জাৰী, কচুগাঁও সমষ্টিৰ বাবে ক্ৰণ মুছাহাৰী, ফকিৰাগ্ৰাম সমষ্টিৰ বাবে চহৰ আলী, দতমা সমষ্টিৰ বাবে দুইমু ৰজী, আৰু বনাৰগাঁও সমষ্টিৰ বাবে মতিলাল বসুমতাৰীক প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। কংগ্ৰেছৰ ঘোষিত প্ৰাৰ্থীসকল- ৰঞ্জনা বসুমতাৰী (জামদুৱাৰ), ৰণঞ্জয় নাৰ্জাৰী (চৰাইবিল), ক্ৰণ মুছাহাৰী (কচুগাঁও), চহৰ আলী (ফকিৰাগ্ৰাম), দুইমু ৰজী (দতমা), মতিলাল বসুমতাৰী বনাৰগাঁও) সুনীল নাৰ্জাৰী (বাউখুংৰী), ৰাজীব বসুমতাৰী (চালাকাটি), এনোছ ঈশ্বৰী(চিৰাং), অময়ো নাৰ্জাৰী (চিৰাং দুৱাৰছ), অগোষ্টিন নাৰ্জাৰী (নিচিমা), অভিনাশ ব্ৰহ্ম (মানাছ চেৰফাং), ছফিউৰ ৰহমান(মাথাংগুৰী), বুদ্ধদেৱ ফডাংগাৰী (চালবাৰী), জগদীশ মাদাহী (কোকলাবাৰী), বুবুল দাস (দিহিৰা), ধৰ্মেশ্বৰ বাৰো (মুছলপুৰ), কন্দৰ্প দাস (বাগানপাৰা), শেজান গয়াৰী (দৰংগাজুলি), উদয় বিশ্বাস (নগৰীজুলি), ৰুমি সিং মুছাহাৰী (গয়বাৰী), সুৰজিৎ বসুমতাৰী (চুকলাই চেৰফাং), খগেন ৰাভা (খৈৰাবাৰী), টেনজিং বডছা (ভেৰগাঁও), ৰোহিত পৰিগা (ননৈ চেৰফাং), অনিল দৈমাৰী (খলিং দুৱাৰ), হিমাংগ শইকীয়া (মুদৈবাৰী), চিত্তৰঞ্জন ভাওনা (হৰিচিংগা), ৰিলন মুছাহাৰী(ধানশিৰী), নৰাজ বসুমতাৰী (ভৈৰবকুণ্ডা), স্বৰাংশ্ব দৈমাৰী (ৰৌটা)। এই তালিকাৰ জৰিয়তে কংগ্ৰেছে বি টি চি নিৰ্বাচনৰ বাবে নিজৰ প্ৰাৰ্থীসকলক চূড়ান্ত কৰি নিৰ্বাচনী প্ৰচাৰৰ প্ৰস্তুতি আৰম্ভ কৰিছে। দলটোৰ এই ঘোষণাই নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাক আৰু তীব্ৰ কৰি তুলিব বুলি আশা কৰা হৈছে।

## ১৮ মাহৰ বাবে অসমলৈ

২০২৭ চনত এই বস্ত্ৰ অসমলৈ আনিবলৈ প্ৰচেষ্টা চলাইছো। অসমত ১৮ মাহৰ বাবে এই বস্ত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। এই উদ্দেশ্যে খানাপাৰাত এবিঘা ভূমিত এক বিশেষ মিউজিয়াম নিৰ্মাণ কৰা হ'ব, আৰু JSW গ্ৰুপে এই মিউজিয়াম নিৰ্মাণৰ দায়িত্ব গ্ৰহণ কৰিব।" মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে যে, বৃন্দাবনী বস্ত্ৰ শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত ডিজিটেল মাধ্যমৰ জৰিয়তে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। তেওঁ জনায় যে, এই বিষয়ে আলোচনাৰ বাবে তেওঁ অ'ৌবৰত লণ্ডনলৈ যাত্ৰা কৰিব। ব্ৰিটিছ মিউজিয়ামৰ পৰা ইতিমধ্যে এই সন্দৰ্ভত তেওঁলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। তেওঁ আৰু কয়, "বৃন্দাবনী বস্ত্ৰ প্ৰদৰ্শনৰ বাবে কিছুমান নিৰ্দিষ্ট নিয়ম মানি চলিব লাগিব। আমি ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰণালয়ৰ জৰিয়তে এই বস্ত্ৰ পুনৰ ঘূৰাই আনিবলৈ পত্ৰ প্ৰেৰণ কৰিছো।" মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে, বৃন্দাবনী বস্ত্ৰ ব্ৰিটেইন আৰু ফ্ৰান্সত আছে বুলি বিভিন্ন সময়ত চৰ্চা হৈ আহিছে, কিন্তু এই বস্ত্ৰৰ প্ৰকৃততা নিৰ্ধাৰণ কৰাটো কঠিন। তেওঁ কয়, "JSW নামৰ এক সংস্থাই অসম চৰকাৰ আৰু ব্ৰিটিছ মিউজিয়ামৰ মাজত যোগাযোগৰ মধ্যস্থতা কৰিছে। শেহতীয়াকৈ ব্ৰিটিছ মিউজিয়ামে কেইটামান চৰ্ত প্ৰদান কৰিছে, য'ত প্ৰথম চৰ্ত হৈছে বস্ত্ৰখন ডিজিটেল মাধ্যমত প্ৰদৰ্শনৰ ব্যৱস্থা। আমি এই বছৰৰ ভিতৰতে এই ব্যৱস্থা কৰিম।" মুখ্যমন্ত্ৰীয়ে জনাই যে, বৃন্দাবনী বস্ত্ৰ অসমলৈ আনিবলৈ অনুমতি প্ৰদানৰ ক্ষেত্ৰত ব্ৰিটিছ মিউজিয়ামে দ্বিতীয় চৰ্ত হিচাপে এক অনুকূল পৰিৱেশৰ মিউজিয়াম নিৰ্মাণৰ কথা উল্লেখ কৰিছে। তেওঁলোকৰ প্ৰতিনিধিয়ে জানিছে যে, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই বস্ত্ৰ সংৰক্ষণৰ উপযুক্ত পৰিৱেশ নাই। মুখ্যমন্ত্ৰীয়ে কয়, "মই লণ্ডনত ব্ৰিটিছ মিউজিয়ামৰ সৈতে আলোচনা কৰি তেওঁলোকৰ প্ৰয়োজন অনুসৰি মিউজিয়াম নিৰ্মাণৰ বিষয়ে সিদ্ধান্ত ল'ম। তাৰ পিছত ব্ৰিটিছ মিউজিয়ামৰ প্ৰতিনিধি অসমলৈ আহি মিউজিয়াম পৰিদৰ্শন কৰিব। সকলো চৰ্ত পূৰণৰ পিছত বস্ত্ৰখন প্ৰদৰ্শনৰ বাবে মুম্বাইতো দেখুওৱাৰ সম্ভাৱনা আছে। ১৮ মাহৰ পিছত বস্ত্ৰখন কোনো ক্ষতি নোহোৱাকৈ ওভতাই পঠোৱা হ'ব।"

## বিপিএফৰ দ্বিতীয়খন প্ৰাৰ্থী

সভাপতি হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত ৯জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হয়। এই ঘোষণাৰ সময়ত দলৰ বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকল উপস্থিত আছিল। প্ৰকাশিত তালিকা অনুসৰি, ৩৯ নম্বৰ পাঁচনৈ চেৰফাং সমষ্টিৰ প্ৰাৰ্থী হিচাপে শ্যাম চণ্ডী, ৪০ নম্বৰ ৰৌটা সমষ্টিৰ পৰা চৰণ বড়ো, আৰু ৩৩ নম্বৰ ননৈ চেৰফাং সমষ্টিৰ পৰা পল টপ্পক মনোনীত কৰা হৈছে। ইয়াৰ উপৰি, ১৯ নম্বৰ মানাছ চেৰফাং সমষ্টিৰ বাবে জাংগিলা হাজৱাৰী, ২১ নম্বৰ শালবাৰী সমষ্টিৰ বাবে দিগন্ত গয়াৰী, আৰু ২২ নম্বৰ কোকলাবাৰী সমষ্টিৰ বাবে চমখৰ বড়োক প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। একেদৰে, ৭/২৮ নম্বৰ গয়বাৰী (তামুলপুৰ) সমষ্টিৰ পৰা জীতেন মুছাহাৰী, ১৮ নম্বৰ থুৰিবাৰী সমষ্টিৰ পৰা খালিলুৰ ৰহমান, আৰু ৩৪ নম্বৰ খালিং দুৱাৰ সমষ্টিৰ পৰা প্ৰাক্তন কাৰ্যবাহী সদস্য বঞ্জাৰ দৈমাৰীক প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। লক্ষণীয় যে, বিটিআৰ নিৰ্বাচনৰ বাবে ইউ পি পি এল, বিপিএফ, আৰু গণ সুৰক্ষা পাৰ্টীয়ে ইতিমধ্যে তেওঁলোকৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। কিন্তু শাসকীয় বিজেপি দলে এতিয়াও তেওঁলোকৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰা নাই, যাৰ ফলত ৰাইজৰ মাজত আৰু অন্যান্য ৰাজনৈতিক দলৰ মাজত উৎকণ্ঠা বৃদ্ধি পাইছে। গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত শনিবাৰে অনুষ্ঠিত এক সভাত বিজেপিৰ নেতৃত্বই ওডালগুৰিৰ প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰিছে। আশা কৰা হৈছে যে দেওবাৰে এই তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থী তালিকা ঘোষণাৰ পিছত, ৰৌটা সমষ্টিৰ পৰা টিকটপ্ৰাপ্ত বিধায়ক চৰণ বড়োৱে সাংবাদিকৰ সন্মুখত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "মই ৰৌটা সমষ্টিৰ সকলো কাৰ্যকৰ্তাক ধন্যবাদ জনাইছো। এইবাৰ দলৰ স্বাৰ্থত টিকট প্ৰদান কৰা হৈছে। মই টিকটৰ দাবীদাৰ নাছিলো, কিন্তু সমষ্টিৰ স্বাৰ্থত দলৰ নেতৃত্বই মোক এই দায়িত্ব দিছে।" একেদৰে, পাঁচনৈ চেৰফাং সমষ্টিৰ পৰা টিকট লাভ কৰা শ্যাম চণ্ডীয়ে তেওঁৰ জয়ৰ বিষয়ে আত্মবিশ্বাস প্ৰকাশ কৰি দলৰ কাৰ্যকৰ্তাসকলক ধন্যবাদ জনায় আৰু আগন্তুক নিৰ্বাচনত সকলোৱে সহযোগিতা কামনা কৰে। টিকট লাভৰ পিছত দুয়োগৰাকী প্ৰাৰ্থীৰ সমৰ্থকসকলে ফটকা ফুটাই আনন্দ উদযাপন কৰাৰ লগতে তেওঁলোকক উষ্ম আদৰণি জনায়।

## জম্মু-কাশ্মীৰত মহাপ্ৰলয়

পৰিস্থিতিৰ সৃষ্টি কৰিছে। তাৰ মাজতে শনিবাৰে পুৱা পুনৰ জম্মু-কাশ্মীৰৰ ৰামবান জিলাত ডাৱৰ বিস্ফোৰণৰ খবৰ আহিছে। জিলাখনৰ এখন গাঁৱত ডাৱৰ বিস্ফোৰণৰ ফলত ৩ গৰাকী লোক নিহত হোৱাৰ লগতে কেইবাজনো লোক সন্ধানহীন হৈ আছে। জিলা প্ৰশাসনৰ বিষয়াসকলে জনোৱা মতে প্ৰচণ্ড বৰষুণ আৰু ডাৱৰ বিস্ফোৰণৰ ফলত ৰামবানৰ ৰাজগাড অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হয়। ইতিমধ্যে প্ৰশাসনে উদ্ধাৰ অভিযান আৰম্ভ কৰিছে আৰু কৰ্তৃপক্ষই নিৰুদ্দেশ হোৱা লোকসকলক বিচাৰি আছে। লগতে ডাৱৰৰ বিস্ফোৰণৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলক তাৎক্ষণিকভাৱে সকাহ দিয়াৰ ব্যৱস্থাও কৰিছে। ডাৱৰৰ বিস্ফোৰণক আকস্মিক বতৰৰ পৰিঘটনা বুলি ক'ব পাৰি য'ত কোনো অঞ্চলত কম সময়ৰ ভিতৰতে যথেষ্ট পৰিমাণৰ বৰষুণ হয়। এঘণ্টাৰ ভিতৰত ১০০ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হয়। ৰামবানৰ ডাৱৰ বিস্ফোৰণৰ কিছু সময়ৰ পাছতে সমীপৱৰ্তী ৰিয়াছি জিলাৰ মাহোৰে অঞ্চলৰ এটা আৱাসগৃহত ভূমিস্খলন হয়। ফলত ৭জন লোকৰ মৃত্যুৰ আশংকা কৰিছে প্ৰশাসনে। সম্ভৱতঃ মহোৰৰ বদ্দাৰ গাঁৱত হোৱা নেৰানেপেৰা বৰষুণৰ ফলতে ভূমিস্খলন সংঘটিত হয়। খবৰ অনুসৰি নিৰুদ্দেশ হোৱা পৰিয়ালটোৰ সন্ধান উলিয়াবলৈ উদ্ধাৰ অভিযান চলি আছে। ঘৰৰ মালিক নাজিৰ আহমদ, পত্নী আৰু পাঁচ নাবালক পুত্ৰ সন্ধানহীন হৈ আছে। এই ভূমিস্খলনটো ইমানেই ভয়াৱহ যে পৰিয়ালৰ আটাইকেইজনৰ ইতিমধ্যে মৃত্যু হোৱা বুলি সন্দেহ ব্যক্ত কৰিছে বিভাগীয় এগৰাকী বিষয়াই। যোৱা ২৬ আগষ্টত নিকটৱৰ্তী ৰিয়াছি জিলাৰ কাটৰা অঞ্চলৰ বৈষ্ণো দেৱী মন্দিৰৰ সমীপতো অনুৰূপ ঘটনা সংঘটিত হৈছিল। ধাৰাসাৰ বৰষুণৰ পিছত হোৱা ভূমিস্খলনৰ ফলত প্ৰায় ৩৫ গৰাকী ভক্তই প্ৰাণ হেৰুওৱাৰ লগতে বহু ভক্ত আহত হৈছিল। ১৪ আগষ্টত মাচাইল মাতা মন্দিৰলৈ যোৱাৰ পথতো চিছ'টি গাঁৱত ডাৱৰ বিস্ফোৰণৰ ফলত ৬০ জনতকৈ অধিক লোকৰ মৃত্যু হৈছিল। কেইবাজনো নিৰুদ্দেশ হোৱাৰ লগতে শ শ লোক আহত হৈছিল। উল্লেখযোগ্য যে, কেৱল জম্মু-কাশ্মীৰে নহয় উত্তৰ ভাৰতৰ কেইবাখনো ৰাজ্য শেহতীয়াকৈ প্ৰকৃতিৰ ৰোষত পৰিছে। ধাৰাসাৰ বৰষুণৰ ফলত কৃত্ৰিম বান আৰু ভূমিস্খলনৰ ফলত জীৱন আৰু সম্পত্তিৰ ব্যাপক ক্ষতি হৈছে। এনে পৰিস্থিতিতো তীৰ্থযাত্ৰাৰ অনুমতি দিয়াৰ বাবে বিভিন্নজনে চৰকাৰ তথা জম্মু-কাশ্মীৰৰ লেফটেনেণ্ট গৱৰ্ণৰ মনোজ সিনহাক সমালোচনা কৰিছে। তাৰ মাজতে বৈষ্ণো দেৱী মন্দিৰত সংঘটিত ভূমিস্খলনৰ তদন্তৰ বাবে ৩ জনীয়া এখন সমিতি গঠনৰ নিৰ্দেশ দিছে সিনহাই। চৰকাৰী আদেশ অনুসৰি জম্মু-কাশ্মীৰৰ জল শক্তি বিভাগৰ অতিৰিক্ত মুখ্য সচিব শ্বালিন কাব্ৰাই এই সমিতিৰ নেতৃত্ব দিব, য'ত জম্মুৰ সাংমাণ্ডলিক আয়ুক্ত আৰু আৰক্ষী মহাপৰিদৰ্শকক অন্তৰ্ভুক্ত কৰা হৈছে। এই আদেশত কোৱা হৈছে যে সমিতিখনক বিশদ তদন্ত কৰি দুসপ্তাহৰ ভিতৰত এল জি তথা মাতা বৈষ্ণো দেৱী শ্ৰাইন ব'ৰ্ডৰ অধ্যক্ষ মনোজ সিনহাক প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়া হৈছে।

## কংগ্ৰেছ হৈছে

একো নহয়। তেওঁৰ মতে, কংগ্ৰেছ হৈছে বাংলাদেশীৰ সমৰ্থক, অবৈধ অনুপ্ৰৱেশকাৰী আৰু বেদখলকাৰীৰ প্ৰিয়ভাজন। তদুপৰি, দলটোৱে নিজৰ মাজতে গণতান্ত্ৰিক মূল্যবোধক প্ৰতিনিয়ত নস্যাৎ কৰি আহিছে। মন্ত্ৰী হাজৰীকাই স্মৰণ কৰি কয় যে, এটা সময়ত বৰ্তমানৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে অসমলৈ আহি ৭৮জন কংগ্ৰেছী বিধায়কৰ পৰা মুখ্যমন্ত্ৰী পদৰ বাবে মতামত সংগ্ৰহ কৰিছিল। তেতিয়া ৫৪জন বিধায়কে ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে সমৰ্থন জনাইছিল, আনহাতে মাত্ৰ ১২জনে তৎকালীন মুখ্যমন্ত্ৰীৰ পক্ষত মত দিছিল, আৰু বাকী বিধায়কসকল নিৰপেক্ষ আছিল। কিন্তু এই প্ৰবল সমৰ্থন সত্ত্বেও কংগ্ৰেছে ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী পদত নিযুক্তি নিদিলে। তেওঁ আৰু কয় যে, ৫৪জন বিধায়কৰ সমৰ্থন থকা ড° হিমন্ত বিশ্ব শৰ্মাক কংগ্ৰেছৰ যুৱৰাজ ৰাহুল গান্ধীয়ে অপমান কৰাৰ প্ৰতিবাদত আৰু তৎকালীন মুখ্যমন্ত্ৰীক মাত্ৰ ১২জন বিধায়কৰ সমৰ্থনত পদত বহাল ৰখাৰ বিৰুদ্ধে তেওঁ কংগ্ৰেছ ত্যাগ কৰিবলৈ বাধ্য হৈছিল। মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছৰ বৰ্তমানৰ নেতাসকলক উদ্দেশ্যি কৈছে যে, তেওঁলোকৰ এই কাৰ্যকলাপৰ কথা মনত ৰখা উচিত। পীযুষ হাজৰীকাই গৌৰৱৰ সৈতে উল্লেখ কৰে যে, তেওঁলোক এতিয়া এনে এক দলৰ সদস্য নহয়, যিয়ে বাংলাদেশী, অবৈধ অনুপ্ৰৱেশকাৰী আৰু বেদখলকাৰীৰ স্বাৰ্থত কাম কৰে। তেওঁৰ মতে, কংগ্ৰেছ দলটো এটা ৰাজপৰিয়ালৰ নেতৃত্বত দশকৰ পাছত দশক ধৰি গণতান্ত্ৰিক মূল্যবোধক উপেক্ষা কৰি আহিছে আৰু পৃথিৱীৰ বৃহত্তম গণতন্ত্ৰক কেৱল উপহাস কৰিবলৈ সক্ষম। মন্ত্ৰীগৰাকীয়ে অসমৰ কংগ্ৰেছী নেতাসকলক সম্বোধন কৰি কৈছে যে, বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত তেওঁলোকে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষাৰ বাবে অহৰহ কাম কৰি আছে আৰু ভৱিষ্যতেও কৰি যাব। সামাজিক মাধ্যমত মন্ত্ৰী হাজৰীকাৰ এই সমালোচনাই ৰাজনৈতিক মহলত যথেষ্ট তাৎপৰ্য বহন কৰিছে।

# গৃহমন্ত্ৰীৰ অসম ভ্ৰমণক

আয়োজন কৰা এখন সংবাদ মেলত দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে অসম জাতীয় পৰিষদে কেন্দ্ৰীয় গৃহ মন্ত্ৰী গৰাকীৰ সন্মুখত উত্থাপন কৰা ৰাইজৰ প্ৰশ্নসমূহৰ উত্তৰ দিব নোৱাৰে কিছুমান চালে বেৰে কোবোৱা, সংগতিবিহীন, অবান্তৰ আৰু মিথ্যাচাৰেৰে পৰিপূৰ্ণ, লগতে হাস্যকৰ কথা কৈ অসম এৰি গৈছে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত আয়োজিত সংবাদ মেলখনত গগৈয়ে কয়, "ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ অসম ভ্ৰমণ উপলক্ষে আমি কালি মুঠ ১১টা (৭টা আৰু ৪ টা) প্ৰশ্ন উত্থাপন কৰিছিলো। এই প্ৰশ্নকেইটা ঠিক আমাৰ নহয়। এইকেইটা আছিল জনগণৰ মনত খুদুৰাই থকা প্ৰশ্ন। প্ৰশ্নকেইটা এই কাৰণে জৰুৰী আছিল যে তেখেতে আৰু বিজেপি দলে ২০১৪, ২০১৬, ২০১৯, ২০২১ আৰু ২০২৪ চনৰ নিৰ্বাচনৰ সময়ত অসমবাসী ৰাইজক কিছুমান প্ৰতিশ্ৰুতি দিছিল। তেখেত ভাৰতৰ গৃহমন্ত্ৰী, কেন্দ্ৰীয় চৰকাৰৰ দ্বিতীয় সৰ্বাধিক গুৰুত্বপূৰ্ণ মন্ত্ৰী। তেখেত বিজেপি দলৰ সভাপতিও আছিল। প্ৰথম প্ৰতিশ্ৰুতিটো ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিছিল। কিন্তু উক্ত প্ৰতিশ্ৰুতি পালন কৰাটো দেশৰ গৃহমন্ত্ৰী হিচাপে তেখেতৰে দায়িত্ব। ২ৰ পৰা ৭ নংলৈকে প্ৰতিশ্ৰুতিকেইটা তেখেতে গৃহমন্ত্ৰী হিচাপে নিজ মুখেৰে দিছিল। বাকী ৪টা তেখেত বিজেপি দলৰ সভাপতি হৈ থাকোঁতে বিজেপি দলে তেওঁলোকৰ 'দৃষ্টিপত্ৰ ২০১৬-২৫'যোগে অসমবাসীক দিছিল। সেই কাৰণে প্ৰতিশ্ৰুতিসমূহ পূৰণৰ মূল দায়িত্ব তেখেতৰেই। আমি তেখেতক আহ্বান জনাইছিলো আৰু আশা কৰিছিলো যে তেখেতে নিজৰ অসম ভ্ৰমণ কালত উক্ত প্ৰশ্নসমূহৰ উত্তৰ দিব। কিন্তু দুৰ্ভাগ্যজনক যে তেখেতে গুৱাহাটীত তিনিখনকৈ ৰাজহুৱা সভাত ভাষণ দিলে, অথচ আমি উত্থাপন কৰা এটা প্ৰশ্নৰো উত্তৰ নিদি, বিষয়বস্তুৰ পৰা পলায়ন কৰাই নহয়, নিজৰ প্ৰতাৰণামূলক ৰাজনৈতিক চৰিত্ৰ উদঙাই দিলে।" গগৈয়ে কয়, "দেশৰ গৃহমন্ত্ৰীয়ে আমাৰ এটাও প্ৰশ্নৰ উত্তৰ নিদিলে। আমাৰ দেশত এনে এটা ব্যৱস্থা চলি আছে যি ব্যৱস্থাত প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী আদিয়ে নিজৰ মুখেৰে দিয়া প্ৰতিশ্ৰুতি সমূহৰ প্ৰতিও দায়বদ্ধ নহয়। আমাৰ প্ৰশ্ন সমূহ প্ৰত্যক্ষ ভাৱেই গৃহমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ লগত জড়িত তেনেস্থলত তেওঁলোকে অসমৰ জনসাধাৰণক যোৱা ১০ বছৰে দি থকা প্ৰতিশ্ৰুতি সমূহ পূৰণ হ'ল নে নাই সেই সম্পৰ্কে ন্যুনতম দায়বদ্ধতাও নাই। প্ৰকৃততে নৰেন্দ্ৰ মোদী, অমিত শ্বাহ, হিমন্ত বিশ্ব শৰ্মা বা বিজেপি দল অসম আৰু অসমীয়াৰ প্ৰতি দায়বদ্ধ নহয় তেওঁলোকে কেৱল ভোটৰ বাবে, মানুহক আবেগিক হ'ব পৰা প্ৰতিশ্ৰুতি দিয়ে। কিন্তু এটাও প্ৰতিশ্ৰুতি পালন নকৰে আৰু এনে ধৰণৰ কাৰ্যক বিশ্বাসঘাতকতা আৰু প্ৰতাৰণা বুলি কয় আৰু সেই বাবেই আমি বিজেপি দলক নৰেন্দ্ৰ মোদী, অমিত শ্বাহ, হিমন্ত বিশ্ব শৰ্মা, সৰ্বানন্দ সোণোৱাল সহ সকলোকে জাতিৰ বাবে বিশ্বাসঘাতক আৰু প্ৰতাৰক বুলি অভিহিত কৰো।" তেওঁ কয়, "অমিত শ্বাহে উদাত্তকণ্ঠে ঘোষণা কৰিলে যে তেওঁ দক্ষ মুখ্যমন্ত্ৰীয়ে অসমৰ ১, ২৬, ০০০ একৰ মাটি অবৈধ অনুপ্ৰৱেশকাৰীৰ পৰা (ঘুচপেতিয়ো) মুক্ত কৰিলে। আমি দেশৰ গৃহমন্ত্ৰীৰ পৰা উদাত্তকণ্ঠে এইটোও অসমৰ ৰাইজক জনোৱাতো বিচাৰো যে, ইমান বৃহৎ পৰিমাণৰ মাটি ১, ২৬, ০০০ একৰ মানে ৪, ১৫, ৮০০ বিঘা মাটিত বসবাস কৰি থকা অবৈধ অনুপ্ৰৱেশকাৰীসকলক কি কৰিলে? দেশৰ সংবিধান মতে আমাৰ দেশত অবৈধ অনুপ্ৰৱেশকাৰী থাকিব নোৱাৰে তেনেস্থলত ৪ লাখ ১৫ হাজাৰ ৮০০ বিঘা মাটিত বসবাস কৰা ইমান বৃহৎসংখ্যক মানুহ বহিষ্কাৰ কৰা হ'ল নে নাই? দেশৰ গৃহমন্ত্ৰী হিচাপে দেশৰ সাৰ্বভৌমত্বৰ জড়িত ইমান গুৰুত্বপূৰ্ণ বিষয় এটা তেখেতে জনাতো প্ৰয়োজন।" গগৈয়ে কয়, "গৃহমন্ত্ৰী অমিত শ্বাহক তেখেতৰ বিশ্বস্ত আৰু দক্ষ মুখ্যমন্ত্ৰীয়ে চাগে উচ্ছেদ সম্পৰ্কে জনালে। কিন্তু এইটো নজনালে যে, গৃহমন্ত্ৰীৰ ভাষাৰ সেই অবৈধ অনুপ্ৰৱেশকাৰীসকলক ৰাইজৰ ৰাজকোষৰ ধনেৰে ভাৰতৰ ভূমিখণ্ডৰ অসমৰ ভৌগোলিক চাৰি সীমাৰ ভিতৰতেই পুনৰ সংস্থাপিত কৰিছে। এতিয়া গৃহমন্ত্ৰীয়ে আমাক জনাওক, অবৈধ অনুপ্ৰৱেশকাৰী বুলি জনাৰ পিছতো সেইসকলক বহিষ্কাৰ নকৰি ৰাজকোষৰ ধনেৰে অসমৰ মাটীত পুনৰ সংস্থাপন কৰাটো ৰাষ্ট্ৰদ্ৰোহ হয় নে নহয়। নিশ্চয় হয়। গতিকে হিমন্ত বিশ্ব শৰ্মাক ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত অভিযুক্ত কৰিব নে? দ্বিতীয়তে, গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াক বোধহয় তেখেতৰ বিশ্বস্ত অনুগত আৰু দক্ষ মুখ্যমন্ত্ৰী গৰাকীয়ে জনাই দিলে যে সেই ৪ লাখ ১৫ হাজাৰ ৮০০ বিঘা মাটিৰ পৰা উচ্ছেদ কৰা সকলৰ সকলো বোৰ অবৈধ অনুপ্ৰৱেশকাৰী। কিন্তু মুখ্যমন্ত্ৰীয়ে বোধহয় এইটো নকলে যে সেই উচ্ছেদিত মাটিৰ অধিক সংখ্যক মাটিৰ পৰা অসমৰ জনজাতীয় ভূমিপুত্ৰ খিলঞ্জীয়া মানুহকো উচ্ছেদ কৰিছে। তেনেস্থলত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অসমৰ জনজাতীয় খিলঞ্জীয়া ভূমিপুত্ৰ সকলকো অবৈধ অনুপ্ৰৱেশকাৰী আখ্যা দি অক্ষমনীয় অপৰাধ কৰিছে। গতিকে অমিত শ্বাহ আৰু হিমন্ত বিশ্ব শৰ্মাই শিলসাঁকো, লখিমপুৰৰ পভা, ফুকনহাট, নগাঁৱৰ মিকিৰ বামুণি, কাজিৰঙাৰ ইনলে পথাৰ আৰু হাতীখুলি, গুৱাহাটীৰ ওচৰৰ আমচাং সহ ৰাজ্যৰ উচ্ছেদিত খিলঞ্জীয়াৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিব লাগে। তৃতীয়তে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখোজ আগুৱাই গৈ ডিঙিৰ শিৰ ফুলাই ফুলাই কৈ দিলে যে তেখেতক মাদানী আদিয়ে ভাবুকি দিছে গতিকে অসমীয়া জাতিক ভাবুকি দিব নালাগে, অসমীয়া জাতিয়ে কাকো ভয় নকৰে, প্ৰয়োজনত হেংদাং তুলি ল'ব। এতিয়া কথা হ'ল, ভাৰতৰ সকলোতকৈ পাৱাৰফুল - তেখেতৰ নিজৰ ভাষাত, আমি তেনেকৈ নাবাৰো - অসমৰ মুখ্যমন্ত্ৰী জনক কোনোবাই ভাবুকি দিছে, আপুনি গ্ৰেপ্তাৰ কৰক। যিহেতু মাদানী, হামিদ, আজমল আদি আপোনাৰেই মানুহ, গতিকে আপোনাৰ নিজৰ মানুহে আপোনাক কিবা কৈছে আপুনি ব্যৱস্থা লওক। কিন্তু ক্ষমতাত থাকিবৰ বাবে আৰু লুণ্ঠন কৰিবৰ বাবে আপুনি অসমীয়া জাতিক সকলোতে কিয় সাঙুৰি লয়? আহোম সাম্ৰাজ্যৰ স্বাভিমানৰ প্ৰতীক, মহাবীৰ লাচিতৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক হেংদাংখনক এজন দুৰ্নীতিগ্ৰস্থ মুখ্যমন্ত্ৰীৰ সুৰক্ষাৰ বাবে ব্যৱহাৰৰ ভাবুকি দি অসমীয়া জাতিক অপমান কৰা হৈছে। এইটো কেনেকুৱা কথা যে, ড০ হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰী হৈ থাকিবৰ বাবে অসমীয়া জাতিলৈ মনত পৰে আৰু সম্পত্তিৰ পাহাৰ গঢ়িবলৈ লুণ্ঠন চলাওঁতে কেৱল নিজৰ পৰিয়াল আৰু অনুগত সকললৈহে মনত পৰে। আনহাতে কালি খানাপাৰাত অনুষ্ঠিত পঞ্চায়ত প্ৰতিনিধি সকলৰ সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিমুক্ত অসম গঢ়াৰ সংকল্প লোৱাৰ প্ৰসংগ উল্লেখ কৰি গগৈয়ে কয়, "এইটো একবিংশ শতিকাৰ শ্ৰেষ্ঠ কৌতুক নহয় জানো? গৰু, কয়লা, কাঠ, শিল বালি, কনী মাছ মাংস আদি সকলোতে নিজৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত চিণ্ডিকেট চলাই, এফালৰ পৰা অসমৰ মাটি গ্ৰাস কৰি, সকলো ব্যৱসায়ত বলপূৰ্বক ভাৱে প্ৰৱেশ কৰি, এফালৰ পৰা চাহ বাগিছা সমূহ নিজৰ অধীনলৈ আনি, লোকনিৰ্মাণকে ধৰি সকলো চৰকাৰী বিভাগত কমিচন নোলোৱাকৈ এটাও ঠিকা আবণ্টন নকৰা মানুহজনে দুৰ্নীতিমুক্ত ৰাজ্য গঢ়িব, কিমান ডাঙৰ কৌতুক। আৰু হিমন্ত বিশ্ব শৰ্মাক আমি দুৰ্নীতিগ্ৰস্থ বুলি কোৱা নাই, বিজেপি দলেই কৈ থৈছে। অমিত শ্বাহ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি হৈ থাকোঁতে, ২০১৫ চনৰ ২১ জুলাই তাৰিখে বিজেপি সংসদীয় দলে Saga of Scams in Cong-ruled States আৰু Water Supply Scam 2010 in Goa and Assam নামেৰে দুখন পুস্তিকা প্ৰকাশ কৰিছিল - য'ত দেশৰ দুৰ্নীতিগ্ৰস্ত মন্ত্ৰীৰ তালিকাৰ তিনি নম্বৰত হিমন্ত বিশ্ব শৰ্মাৰ নাম উল্লেখ কৰা হৈছিল। উক্ত পুস্তিকা উন্মোচনী অনুষ্ঠানত বিজেপিৰ তেতিয়াৰ অসমৰ প্ৰভাৱী এছ এছ আহলুৱালিয়া আৰু তেতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত আছিল। আহলুৱালিয়াই কৈছিল যে অসমত বিজেপিৰ চৰকাৰ গঠিত হ'লে সৰ্বপ্ৰথম কাম হ'ব হিমন্ত বিশ্ব শৰ্মাক জেলত পঠিওৱা। ২০১৫ চনতেই দেশৰ ৩নং স্থানত থকাজন ১০ বছৰৰ পিছত ২০২৫ চনত নিশ্চয় ১ম স্থান অধিকাৰ কৰিছে। এতিয়া সেইজন মানুহে দুৰ্নীতিমুক্ত অসম গঢ়িব বুলি ক'লে হাঁহি নুঠিবনে?

## GMCHৰ শিশুৰ মৃত্যুক

অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে চলি থকা অভিযান অব্যাহত থাকিব আৰু ভৱিষ্যতে ইয়াক আৰু তীব্ৰতৰ কৰা হ'ব। তেওঁ জানিবলৈ দিছে যে শুকুৰবাৰে ২৬জন অনুপ্ৰৱেশকাৰীক বাংলাদেশলৈ ঘূৰাই পঠোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয়, "অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে আমাৰ অভিযান নিৰন্তৰভাৱে চলি আছে। আমি দুটা পদ্ধতিৰে এই কাম কৰি আছোঁ। প্ৰথমতে, সীমান্তত অনুপ্ৰৱেশৰ সময়তেই তেওঁলোকক ধৰি ঘূৰাই পঠোৱা হৈছে। দ্বিতীয়তে, ১৯৭১ৰ পাছত অহা অনুপ্ৰৱেশকাৰীসকলক চিনাক্ত কৰি তেওঁলোকক নিজ দেশলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই প্ৰক্ৰিয়া অব্যাহত থাকিব আৰু আগন্তুক দিনত আৰু কঠোৰ হ'ব।" ইয়াৰ সমান্তৰালভাৱে, মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমতো এই বিষয়ে মতামত ব্যক্ত কৰিছে। তেওঁ তিনিখন ফটো শ্বেয়াৰ কৰি জানিবলৈ দিছে যে শেহতীয়াকৈ ৩৩জন বাংলাদেশী অনুপ্ৰৱেশকাৰীক তেওঁলোকৰ দেশলৈ ঘূৰাই পঠোৱা হৈছে। তেওঁ লিখিছে, "আমাৰ সীমান্তত অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে অভিযান অবিৰতভাৱে চলি আছে। আমাৰ এই কঠোৰ প্ৰচেষ্টা অব্যাহত থাকিব আৰু আগন্তুক দিনত এই যুঁজ আৰু শক্তিশালী হ'ব।" মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণ আৰু এন ডি এৰ পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ বিষয়েও মন্তব্য কৰিছে। তেওঁ কয়, "২০২৬ৰ বাবে আমাৰ বিভিন্ন এজেণ্ডাৰ বিষয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অসমত গুৰুত্ব দি কথা কৈছে। ভাৰত চৰকাৰে অসম চৰকাৰৰ উচ্ছেদ অভিযানক সম্পূৰ্ণ সমৰ্থন কৰিছে, আৰু এই সমৰ্থন গৃহমন্ত্ৰীৰ বক্তব্যত স্পষ্ট হৈছে। তেওঁ শেষ টুকুৰা মাটি মুক্ত নোহোৱালৈকে কেন্দ্ৰীয় চৰকাৰৰ সহায় অব্যাহত থাকিব বুলিও কৈছে।" ইয়াৰ উপৰিও, মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে যে গৃহমন্ত্ৰীয়ে সংসদত আৰু অসমত এজন নেতাৰ পাকিস্তানৰ সৈতে সম্পৰ্কৰ বিষয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে। তেওঁ কয়, "এই বিষয়টোৰ গুৰুত্ব সংসদৰ ভিতৰত আৰু বাহিৰত গৃহমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। ইয়াৰ পৰা বিষয়টোৰ গভীৰতা স্পষ্ট হয়।" তেওঁ আৰু কয় যে বিজেপি আৰু অগপৰ সাংগঠনিক শক্তি পঞ্চায়ত সন্মিলনত প্ৰতিফলিত হৈছে, আৰু এন ডি এ যিকোনো প্ৰত্যাহ্বানৰ বাবে প্ৰস্তুত। গুৱাহাটী মেডিকেল কলেজ হাস্পতালত (জি এম চি এইচ) শিশুৰ মৃত্যুৰ ঘটনাৰ তদন্ত প্ৰতিবেদনৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে কয়, "শুকুৰবাৰে আমি তদন্তৰ প্ৰতিবেদন লাভ কৰিছোঁ। ৰবিবাৰৰ ভিতৰত প্ৰতিবেদনত দোষী সাব্যস্ত হোৱা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। প্ৰতিবেদনত জি এম চি এইচৰ উন্নতিৰ বাবে বহুতো পৰামৰ্শও দিয়া হৈছে। আমি এই পৰামৰ্শসমূহ কাৰ্যকৰী কৰিম আৰু হাস্পতালখনৰ সেৱা আৰু উন্নত কৰিম। প্ৰথমে, ঘটনাৰ সৈতে জড়িত দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব, আৰু তাৰ পাছত প্ৰতিবেদনৰ পৰামৰ্শ অনুসৰি জি এম চি এইচৰ উন্নয়নৰ কাম আগবঢ়োৱা হ'ব।" মুখ্যমন্ত্ৰীৰ এই মন্তব্যই অসম চৰকাৰৰ সীমান্ত সুৰক্ষা, উচ্ছেদ অভিযান, আৰু স্বাস্থ্য সেৱাৰ উন্নতিৰ প্ৰতি দৃঢ় প্ৰতিশ্ৰুতি প্ৰকাশ কৰিছে।

## কংগ্ৰেছৰ টিকট প্ৰদানৰ

কৰি কয় যে বিজেপিৰ শাসনৰ পিছত মাদানী অসমত "হিৰ'ৰ পৰা জিৰ' হৈ পৰিছে।" শনিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এক সংবাদমেলত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এই মন্তব্য প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "২০১১ চনত মই শিক্ষামন্ত্ৰী হিচাপে দায়িত্ব পালনৰ সময়ত প্ৰথমবাৰৰ বাবে টেট শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিলোঁ। সেই সময়ত আৰ্ছাদ মাদানী অসমলৈ আহি তৎকালীন মুখ্যমন্ত্ৰী তৰুণ গগৈক এই নিযুক্তি বন্ধ কৰাৰ পৰামৰ্শ দিছিল। তৰুণ গগৈয়ে মিছন সঞ্চালকক এই প্ৰক্ৰিয়া বন্ধ কৰাৰ নিৰ্দেশ দিছিল, কিন্তু মই দৃঢ় অৱস্থান গ্ৰহণ কৰি এই প্ৰক্ৰিয়া অব্যাহত ৰাখিছিলোঁ।" তেওঁ আৰু কয়, "এই নিযুক্তিৰ পিছত মাদানীৰ নেতৃত্বাধীন গোটটোৱে মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰম্ভ কৰিছিল। তেওঁলোকৰ চাপৰ ফলত মই কংগ্ৰেছত থাকিব নোৱাৰিলেও তেওঁলোকৰ টেট শিক্ষক নিযুক্তি বন্ধ কৰাৰ উদ্দেশ্য সফল হ'বলৈ দিয়া নাছিলোঁ।" মুখ্যমন্ত্ৰীয়ে অভিযোগ কৰে যে কংগ্ৰেছৰ টিকট বিতৰণত মাদানীৰ মতামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু তেওঁলোকে অসমক দুৰ্বল কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈ আছে। তেওঁ কয়, "মাদানীৰ দৰে লোকৰ কাৰণে মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ হৈছিল, কিন্তু এতিয়া তেওঁলোকৰ প্ৰকৃত চৰিত্ৰ পোহৰলৈ আহিছে।" মুখ্যমন্ত্ৰীয়ে জোৰ দি কয়, "এক সময়ত মাদানীৰ প্ৰভাৱ বহুত আছিল, কিন্তু বিজেপিৰ শাসনৰ পিছত তেওঁ অসমত অপ্ৰাসংগিক হৈ পৰিছে। ২০১১ চনৰ পৰাই মাদানী মোৰ বিৰুদ্ধে লাগি আছে।" তেওঁ লগতে কয়, "শেহতীয়াকৈ বিগত এমাহৰ ভিতৰত মাদানীৰ দৰে বহু লোক, যেনে হৰ্ষ মান্দাৰ, হামিদ আদি তথা শ্বাহিনবাগৰ সৈতে জড়িত ব্যক্তি নিয়মীয়াকৈ অসমলৈ আহি অশান্তি সৃষ্টিৰ চেষ্টা কৰিছে।" শৰ্মাই আত্মবিশ্বাসৰ সৈতে কয়, "বিজেপি এতিয়া অত্যন্ত শক্তিশালী। ২০২৬ বা ২০৩১ চনতো তেওঁলোকে আমাৰ বিৰুদ্ধে কিবা কৰিব পাৰিব বুলি মই ভাবো না। কালিৰ পঞ্চায়ত প্ৰতিনিধি সন্মিলনত আমাৰ শক্তি স্পষ্ট হৈ পৰিছে। তেওঁলোকে কিবা অশান্তিৰ চেষ্টা কৰিব পাৰে, কিন্তু আমি তেওঁলোকৰ ওপৰত নজৰ ৰাখিম।" তেওঁ আৰু কয়, "আমাৰ পৰৱৰ্তী পদক্ষেপ হ'ব এনআৰচিৰ বিষয়ে। উচ্ছেদ অভিযান অব্যাহত থাকিব, আৰু আমাৰ আন কিছুমান এজেণ্ডাও আছে। মাদানীৰ বিৰুদ্ধে আমাৰ দীৰ্ঘম্যাদী পৰিকল্পনা আছে। কিন্তু আমাৰ লক্ষ্য মাদানী ব্যক্তিগতভাৱে নহয়, তেওঁৰ দৰে চিন্তাধাৰাৰ বিৰুদ্ধে। অসমক ইছলামিক প্ৰদেশ কৰাৰ যিকোনো চিন্তাৰ বিৰুদ্ধে আমি কাম কৰি যাম।"

## নগাঁও কেন্দ্ৰীয় কাৰাগাৰৰ

কেন্দ্ৰীয় কাৰাগাৰৰ ভিতৰলৈ অবৈধভাৱে নিষিদ্ধ ঘোষিত ড্ৰাগছ, গাঞ্জা আদি সৰবৰাহ কৰি এক ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ অভিযোগত আজি নগাঁও আৰক্ষীয়ে কাৰাগাৰখনৰ দুজন ওৱাৰ্ডেনক(প্ৰহৰী) গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ওৱাৰ্ডেন দুজন হ'ল উপেন হাজৰিকা আৰু বিৰাজ পটংগীয়া। উল্লেখ্য যে কালি নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাৰ সৈতে নগাঁও কেন্দ্ৰীয় কাৰাগাৰ আকস্মিক ভাৱে পৰিদৰ্শন কৰাৰ সময়ত কাৰাগাৰখনৰ ভিতৰত ড্ৰাগছৰ ব্যৱসায় চলাই থকাৰ ভয়ংকৰ তথ্য উন্মোচিত হয়। কাৰাগাৰখনৰ অধীক্ষক আৰু জেভিয়াৰৰ চকুৰ প্ৰচাৰতে নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলি আহিছে। কালি আয়ুক্ত গৰাকীয়ে কাৰাগাৰখন পৰিদৰ্শন কৰাৰ পিছতেই নগাঁও আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। এই তদন্তৰ আত ধৰিয়েই নগাঁও আৰক্ষীয়ে নগাঁও সদৰ আৰক্ষী থানাৰ ৬৯৭⁄২৫ নম্বৰত এক গোচৰ ৰুজু কৰি কাৰাগাৰখনৰ অভিযুক্ত দুই ওৱাৰ্ডেনক গ্ৰেপ্তাৰ কৰি অধিক তথ্য আহৰণৰ বাবে জেলা অব্যাহত ৰাখিছে। কেন্দ্ৰীয় কাৰাগাৰখনত দীৰ্ঘদিন ধৰি একাংশ বিষয়া কৰ্মচাৰীয়ে দীৰ্ঘদিন ধৰি ড্ৰাগছ, গাঞ্জা আদিৰ ব্যৱসায় কৰি মুনাফা দুটি আহিছিল। নিৰ্দিষ্ট পৰিমাণৰ ধনৰ বিনিময়ত কাৰাগাৰৰ কাৰাবন্দীসকলক ড্ৰাগছৰ যোগান ধৰি আহিছিল। কাৰাগাৰখনত এক বিলাসী কাৰবাৰ চলি আছিল। কালি জিলা আয়ুক্তই পৰিদৰ্শন কৰাৰ পিছত কাৰাগাৰ মহাপৰিদৰ্শক আৰু গৃহ বিভাগক ব্যৱস্থা গ্ৰহণৰ বাবে পত্ৰ প্ৰেৰণ কৰিছিল। ইপিনে আজি কাৰাগাৰ বিভাগৰ যোৰহাট চক্ৰৰ উপ মহাপৰিদৰ্শক অজিত দলেই নগাঁও কেন্দ্ৰীয় কাৰাগাৰত উপস্থিত হৈ কাৰাগাৰখনত সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। অৱশ্যে উপ মহাপৰিদৰ্শক গৰাকীয়ে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কোনো কথা নকৰে। নগাঁও কেন্দ্ৰীয় কাৰাগাৰত ড্ৰাগছ আদিৰ অবৈধ বেহা চলি থকাৰ সন্দৰ্ভত উচ্চ পৰ্যায়ৰ তদন্ত হোৱাৰ লগতে এই ব্যৱসায়ৰ লগত জড়িতসকলক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ সচেতন মহলে দাবী জনাইছে। নগাঁও কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক মুকুল ভূঞাক নিলম্বন। আনহাতে, আজি সন্ধিয়া নগাঁও কেন্দ্ৰীয় কাৰাগাৰৰ অধীক্ষক মুকুল ভূঞাৰ ছত্ৰচায়াতে কাৰাগাৰ খনত চলি থকা এই অবৈধ কৰ্মকাণ্ডৰ বাবে অধীক্ষক গৰাকীক নিলম্বন কৰা হৈছে। নগাঁও জিলা আয়ুক্ত গৰাকীৰ পৰিদৰ্শনত কালি পোহৰলৈ আহিছিল চাঞ্চল্যকৰ তথ্য। অধীক্ষকক নিলম্বনৰ পাছতহে গম পোৱা যাব এতিয়া কাৰাগাৰৰ ভিতৰত চলা এই কৰ্মকাণ্ডই পৰৱৰ্তী সময়ত কি ৰূপ লয়।

## জুলাইত ৮,৯০০ৰো অধিক

আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যু, বণ্ডেড লেবাৰ, শিশু, মহিলা, অনুসূচিত জাতি (এছ চি), অনুসূচিত জনজাতি (এছ টি), আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ (অ' বি চি) সৈতে সম্পৰ্কিত গোচৰসমূহ অন্তৰ্ভুক্ত। এনএইচআৰচিৰ প্ৰকাশিত তথ্য অনুসৰি, জুলাই মাহত লাভ কৰা মুঠ ৮, ৯১২টা অভিযোগৰ ভিতৰত ২২৯টা জিম্মাত মৃত্যুৰ (পুলিচ আৰু ন্যায়িক), ২৫টা আৰক্ষী এনকাউণ্টাৰত মৃত্যুৰ, ৩৮টা বণ্ডেড লেবাৰৰ, ২৫২টা শিশুৰ অধিকাৰৰ, ৫২৮টা মহিলাৰ অধিকাৰৰ, ১২২টা এছ চি/এছ টি/অ' বি চিৰ সৈতে জড়িত, আৰু ৭, ৭১৮টা অন্যান্য ধৰণৰ গোচৰ আছিল। এই সময়ছোৱাত আয়োগে পুৰণি গোচৰসহ মুঠ ৪, ৩৬০টা গোচৰ নিষ্পত্তি কৰিছে। এই নিষ্পত্তি কৰা গোচৰৰ ভিতৰত ১৭২টা জিম্মাত মৃত্যুৰ, ১৭৮টা মহিলাৰ অধিকাৰৰ, আৰু ২৭টা শিশুৰ অধিকাৰৰ সৈতে সম্পৰ্কিত আছিল। বৰ্তমান এনএইচআৰচিৰ হাতত মুঠ ৩৪, ৩৩৪টা গোচৰ বিচাৰাধীন হৈ আছে, য'ত মহিলাৰ অধিকাৰ খৰ্বৰ সৈতে জড়িত ২, ০৪৮টা আৰু শিশুৰ অধিকাৰ খৰ্বৰ সৈতে জড়িত ৬৬০টা গোচৰ অন্তৰ্ভুক্ত। জুলাই মাহত এনএইচআৰচিয়ে নিজৰ উদ্যোগত ১০টা গোচৰৰ তদন্ত আৰম্ভ কৰিছিল। এই গোচৰসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে উত্তৰ প্ৰদেশৰ ফাৰুখাবাদ জিলাত এজন ব্যক্তিৰ আত্মহত্যাৰ ঘটনা। অভিযোগ অনুসৰি, আৰক্ষীয়ে উৎকোচ দাবী কৰি তেওঁৰ ওপৰত শাৰীৰিক নিৰ্যাতন চলাইছিল, যাৰ পিছত ১৫ জুলাইত তেওঁ আত্মহত্যা কৰে। জানিব পৰা মতে, ব্যক্তিৰ পত্নীৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে তেওঁক থানালৈ মাতিছিল। এই ঘটনাৰ তদন্তৰ বাবে এনএইচআৰচিয়ে উত্তৰ প্ৰদেশৰ আৰক্ষী সঞ্চালক প্ৰধানক জাননী জাৰি কৰি বিশদ প্ৰতিবেদন বিচাৰিছে। ইয়াৰ উপৰি, জুলাই মাহত এনএইচআৰচিয়ে পাঁচটা গোচৰত মুঠ ২১, ০০, ০০০ টকাৰ সকাহৰ পৰামৰ্শ আগবঢ়াইছিল। বিগত বছৰৰ জুলাই মাহৰ তুলনাত এই বছৰৰ অভিযোগৰ সংখ্যা বৃদ্ধি পাইছে। ২০২৪ চনৰ জুলাইত এনএইচআৰচিয়ে মুঠ ৬, ৭১৮টা অভিযোগ লাভ কৰিছিল, য'ত জিম্মাত মৃত্যুৰ সৈতে জড়িত ১৭১টা, মহিলাৰ অধিকাৰৰ সৈতে জড়িত ৩৯৭টা, আৰু শিশুৰ অধিকাৰৰ সৈতে জড়িত ২৯টা গোচৰ আছিল। সেই সময়ত পুৰণি গোচৰসহ মুঠ ৫, ৮৯৫টা গোচৰ নিষ্পত্তি কৰা হৈছিল, আৰু ৭, ৯৭২টা গোচৰ বিচাৰাধীন আছিল। ২০২৪ চনৰ জুলাইত আয়োগে নিজৰ উদ্যোগত ৩৪টা গোচৰ পঞ্জীয়ন কৰিছিল। এই তথ্যই মানৱ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত এনএইচআৰচিৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু দেশত মানৱ অধিকাৰ উলংঘনৰ সৈতে জড়িত প্ৰত্যাহ্বানসমূহ প্ৰতিফলিত কৰে।




# কেন্দ্ৰীয় গৃহমন্ত্ৰী অসম ভ্ৰমণৰ বিৰোধিতাৰে ক'লা পতাকা প্ৰদৰ্শন, ধৰ্ণাৰে নাজিৰাত 'টাইপা'ৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, নামতি, ৩০ আগষ্ট ঃ** দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহ অসম ভ্ৰমণৰ তীব্ৰ বিৰোধিতা কৰি 'টাই আহোম যুৱ পৰিষদ, অসম'ৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে সমগ্ৰ অসমৰ লগতে নাজিৰা ৰাজপথটো আজি ক'লা পতাকা প্ৰদৰ্শন - ধৰ্ণাৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। গৃহমন্ত্ৰী নালাগে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও অসমলৈ আহিলে 'টাইপা'ই তীব্ৰ বিৰোধিতা কৰি বিভিন্ন ধৰণৰ গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব। এই ঘোষণা কৰি আজি নাজিৰা নগৰৰ মাজমজিয়াস্থ চাৰিআলিত 'টাই আহোম যুৱ পৰিষদ, অসম'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামোলীয়ে সংবাদ মাধ্যমৰ আগত দেশৰ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী যেতিয়াই অসমলৈ আহিব তেতিয়াই 'টাইপা'ৰ দ্বাৰা তীব্ৰ প্ৰতিবাদৰ মুখামুখি হ'ব লাগিব বুলি হুংকাৰ দিয়ে। উল্লেখ্য যে, ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰাকমূহূৰ্তত অসমত নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ আহি নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহে অসমৰ ছয় জনগোষ্ঠীয় সংগঠনৰ মূল দাবী ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা নিৰ্বাচনৰ ছমাহৰ পিছতে প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল। তদুপৰি প্ৰতিটো নিৰ্বাচনৰ সময়ত অসমত বিজেপি দলৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ আহি ছয় জনগোষ্ঠীৰ জনজাতি কৰণৰ বিষয়টো কেৱল ৰাজনৈতিক ইচ্ছ্যু হিচাপেহে গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ এই প্ৰতাৰণা - প্ৰৱঞ্চনাৰ তীব্ৰ গৰিহণা দিয়াৰ লগতে এই প্ৰৱঞ্চক নেতা দুজন যেতিয়াই অসমলৈ আহিব তেতিয়াই 'টাইপা'ই যিকোনো গণ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি অসমলৈ অহাৰ তীব্ৰ বিৰোধিতাৰে প্ৰতিবাদ কৰি যাব বুলি সকীয়াই দিয়ে কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামোলীয়ে। 'টাইপা' ৰ নাজিৰা মহকুমা সমিতিৰ সভাপতি অসীম ৰঞ্জন বুঢ়াগোঁহাই, কাৰ্যকৰী সভাপতি বিমান গগৈ, যুটীয়া সম্পাদক ৰিদিপ গগৈ, সাংগঠনিক সম্পাদক কনচেং গগৈকে ধৰি শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰি অমিত শ্বাহ গ'বেক, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰক, বি জে পি হায় হায়, প্ৰতাৰক - প্ৰৱঞ্চক নৰেন্দ্ৰ মোদী - অমিত শ্বাহ প্ৰৱঞ্চনা নচলিব আদি শ্ল'গান - ধৰ্ণাৰে লগতে ক'লা পতাকা প্ৰদৰ্শন কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

# বৰপেটাত তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩০ আগষ্ট ঃ** ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত পৰম্পৰাগতভাৱে পালন কৰি অহা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ দহদিনীয়া কীৰ্তন মহোৎসৱৰ লগত সংগতি ৰাখি দক্ষিণ বৰপেটা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ সোঁৱৰণী সমিতিয়ে যোৱা ৬২ বছৰ ধৰি নীৰৱচ্ছিন্নভাৱে গুৰুজনাৰ সোঁৱৰণী সভা আৰু সত্ৰীয়া গীত-মাত, নাট-ভাওনা আদিৰ আয়োজন কৰি আহিছে। এইবেলিও অহা ২৪, ২৫ আৰু ২৬ ভাদ ৫৭৬ শঙ্কৰাব্দ(১০, ১১ আৰু ১২ ছেপ্টেম্বৰ ২০২৫ খ্ৰীঃ) বুধ, বৃহস্পতি আৰু শুক্ৰবাৰে তিনিদিনীয়াকৈ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি মহোৎসৱৰ আয়োজন কৰা হৈছে। তিৰোভাৱ তিথি মহোৎসৱ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ভাৰত চন্দ্ৰ দাসক সভাপতি, ভুদেৱ দাসক কাৰ্যকৰী সভাপতি, অশোক কুমাৰ দাসৰ মুখ্য সম্পাদক আৰু প্ৰমথ ৰঞ্জন দাসক সম্পাদক হিচাপে লৈ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি মহোৎসৱ উদ্‌যাপন সমিতি নামেৰে এখন মূল সমিতি গঠনৰ লগতে পাঁচখন উপ-সমিতি সমিতি গঠন কৰা হৈছে। উল্লেখ্য যে শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ তিৰোভাৱ তিথি মহোৎসৱৰ লগত সংগতি ৰাখি বৰপেটা সত্ৰ প্ৰতিষ্ঠাৰ আদি

## প্ৰাঞ্জল শইকীয়ালৈ 'সুন্দৰা নটুৱা' বঁটা

ভাগত শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ দ্বাৰা ৰচিত অধুনালুপ্ত 'ৰাম ভাওনা' নামৰ নাটখন একেৰাহে পাঁচটি নিশা পৰিৱেশিত হোৱাৰ সময়ত গুৰুজনাৰ নিৰ্দেশত বিশেষ দায়িত্ব বহন কৰা তেখেতৰ একান্ত অনুগত, নৃত্যপটু, কাৰুশিল্পী 'সুন্দৰা নটুৱা'ৰ নামত এই বছৰৰ পৰা এক বঁটা প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সত্ৰীয়া শিল্পী প্ৰয়াত মনোৰঞ্জন দাস স্মাৰক প্ৰথম বাৰ্ষিক 'সুন্দৰা নটুৱা' বঁটা প্ৰদান কৰা হ'ব বিশিষ্ট চলচ্চিত্ৰ আৰু মঞ্চ অভিনেতা, পৰিচালক প্ৰাঞ্জল শইকীয়াক। ভাৰত চৰকাৰৰ অধীনৰ সংগীত নাটক একাডেমীৰ সৈতে যুক্ত হৈ অংকীয়া নাটৰ উৎকৰ্ষ সাধন আৰু প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবে তেখেতলৈ এই সন্মান আগবঢ়োৱা হ'ব। আজি বৰপেটা প্ৰেছ ক্লাবত এক সংবাদ মেল সম্বোধন কৰি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি মহোৎসৱ উদযাপন সমিতিয়ে এই বিষয়ে সংবাদ মাধ্যমক অৱগত কৰে। সংবাদমেলত প্ৰতিভাৱান চিত্ৰশিল্পী নিজু'ৰাজ দাসে অংকন কৰি উলিওৱা 'সুন্দৰা নটুৱা'ৰ এখন কাল্পনিক ছবি উন্মোচন কৰা হয়। ছবিখন উন্মোচন কৰে বৰপেটা সত্ৰৰ উদাসীন ভকত শ্ৰীযুত হেমেন বুঢ়াভকত বাপজনাই। সংবাদ মেলত উদযাপন সমিতিয়ে সদৰী কৰা মতে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ১০ ছেপ্টেম্বৰৰ বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা খোল-বাদন আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতাখনি উদ্বোধন কৰিব বৰপেটা নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অনিল কুমাৰ দাসে। ১১ ছেপ্টেম্বৰৰ সন্ধিয়া ৬ বজাৰ পৰা আৰম্ভ হ'বলগীয়া সোঁৱৰণী সভা আৰু বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰিব বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে। বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠক বাপজনাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সোঁৱৰণী সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ অধ্যক্ষ বিদ্যা সাগৰ বৰাই। নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰিব জ্যেষ্ঠ সাংবাদিক তথা প্ৰাগ নিউজৰ মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰুৱে। নিশাৰ ভাগত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ভাৰত চন্দ্ৰ দাসে। কাৰ্যসূচী অনুসৰি ১২ ছেপ্টেম্বৰৰ পুৱা খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লিৰ ভাগত থুল দক্ষিণ হাটীৰ বাপুসকলে বৰপেটা সত্ৰত কৰভাৰ প্ৰদান কৰিব। নিশাৰ ভাগত সত্ৰৰ দালানৰ সন্মুখত যোৰহাট জিলাৰ তিতাবৰৰ চেকুৰীয়া শাখা সত্ৰৰ শিল্পীসকলে 'দন্ত বক্ৰৰ মুক্তি লাভ' নামৰ এখন নাট পৰিৱেশন কৰিব। নাটখন উদ্বোধন কৰিব সদৌ অসম উকীল সন্থাৰ সম্পাদক দীপক কুমাৰ দাসে। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি মহোৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা আটাই বোৰ অনুষ্ঠানত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগ উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে।

## 'মহাবিদ্যালয়খনে মোক সৰ্বোত্তম উপহাৰ দিলে' - বিদায় সভাত অধ্যাপক ড° শইকীয়া

# পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ ড° কমল শইকীয়াৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ আগষ্ট ঃ** নিজৰ বিষয়ে ভাল ভাল কথা শুনি থকাৰ দৰে কষ্টকৰ কাম হয়টো পৃথিৱীত নাই। মই ভাবো এইটো অতি কঠিন কাম। মই ১৯৯১ চনতে বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত যোগদান কৰিছিলোঁ। তেতিয়াৰ পৰা আজিলৈকে মোক মহাবিদ্যালয় সৰ্বোত্তম উপহাৰ দিলে। মই মহাবিদ্যালয়খনত যোগদান কৰাৰ সময়ত চাকৰি তেনেই সুলভ আছিল। বহু সুবিধা পাই মই যোৱা নাছিলো। পুৰণিগুদামৰ প্ৰতি মোৰ থকা মৰম-চেনেহৰ বাবে অৱসৰৰ সময়লৈকে পুৰণিগুদামৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰালোঁ। এই মন্তব্য বিশিষ্ট শিক্ষাবিদ তথা মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° কমল শইকীয়াৰ। অহা ৩১ আগষ্টত অৱসৰ গ্ৰহণ কৰিবলগা বিশিষ্ট শিক্ষাবিদগৰাকীৰ আজি অৱসৰৰ বিদায়বেলাত মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগে ড° শইকীয়াৰ অৱসৰৰ উপলক্ষে এক ব্যতিক্ৰমী ধৰণেৰে কৰ্মচিন্তা দিন হিচাপে অনুষ্ঠিত কৰে। আনকি প্ৰতিটো শিক্ষাবৰ্ষতে ৩১ আগষ্টৰ দিনটো ইংৰাজী বিভাগে মহাবিদ্যালয়খনত কৰ্মচিন্তা দিন হিচাপে উদযাপন কৰি যোৱাৰো পৰিকল্পনা গ্ৰহণ কৰিছে। মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত আয়োজিত আজিৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিভাগটোৰ মুৰব্বী অধ্যাপক ড° যতীন শৰ্মাই সভাপতিত্ব কৰে। পুৱা ১১ বজাত এটি গুৰু বন্দনা আৰু সত্ৰীয়া নৃত্যৰে অনুষ্ঠিত হোৱা উক্ত বিদায় সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নগাঁও চহৰৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যাপক ড° মিলন নেওগে ড° কমল শইকীয়াৰ কৰ্মৰাজি আৰু চাৰিখন প্ৰকাশিত উচ্চ মানবিশিষ্ট গ্ৰন্থৰ ওপৰত আলোকপাত কৰি ড° কমল শইকীয়াৰ প্ৰজ্ঞা আৰু পাণ্ডিত্যৰ উচ্চ প্ৰশংসা কৰে। তদুপৰি অধ্যাপক ড° কমল শইকীয়াৰ প্ৰচুৰ অধ্যয়ন আৰু সমালোচনাত্মক চিন্তা-চেতনা সমন্ধে ড° মিলন নেওগে নিজৰ চমু বক্তব্যত আলোকপাত কৰে। শিক্ষা, সাহিত্য, সংস্কৃতি, ক্ৰীড়া তথা মহাবিদ্যালয়খনৰ উত্তৰণত বলিষ্ঠ ভূমিকা পালন কৰি সুদীৰ্ঘ সময় পুৰণিগুদামৰ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ প্ৰিয়ভাজন হৈ পৰা কমল শইকীয়াৰ অৱসৰে আজি সকলোকে আবেগিক কৰি তোলে। এই বিদায় সভাত নৱৰূপ জাতীয় বিদ্যাপীঠ, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, অনিৰ্বাণ গোষ্ঠীকে আদি কৰি মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, পুৰণিগুদামৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানে বিদায়বেলাত তেওঁক বিপুল আদৰণি জনায়। বিদায় সভাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মৃদুল শইকীয়া, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকা উপস্থিত থাকে।

## হোজাই জিলা আয়ুক্ত-একাউণ্ট আৰু ট্ৰেজাৰী সঞ্চালকালয়ত অভিযোগ দাখিল

# হোজাই কোষাগাৰ প্ৰাধিকাৰীক বিষয়াৰ মইমতালি

**অসম বাৰ্তা, মোৰাঝাৰ, ৩০ আগষ্ট ঃ** হোজাই কোষাগাৰ প্ৰাধিকাৰীক বিষয়াৰ মইমতালিয়ে হোজাই জিলাত তীব্ৰ প্ৰতিক্ৰিয়া আৰু অসন্তুষ্টিয়ে বিৰাজ কৰিছে। যাৰ ফলত অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী অতিষ্ঠ হৈ হোজাই জিলা আয়ুক্ত আৰু অসম চৰকাৰৰ একাউণ্ট আৰু ট্ৰেজাৰী সঞ্চালকালয়ত ৰাজহুৱা অভিযোগ দাখিল কৰিছে। চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ বিত্তীয় বিভাগৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগৰ বিষয়াৰ মইমতালি কোনেও সহজে লব পৰা নাই। যেন তেওঁ বিভাগটোৰ উঠিৰজা বহিৰজা হৈ পৰিছে। উল্লেখ্য যে ৰহস্যজনকভাৱে পেঞ্চনাৰী বিলক লৈ চৰম হাৰাশাস্তি কৰি আহিছে হোজাইৰ কোষাগাৰ বিষয়াই। চৰকাৰী পেন্সন গাইডলাইনত নথকা কিছু অদ্ভুত নীতি-নিয়মেৰে চলিছে কাৰ্যালয়। বিষয়াগৰাকীয়ে পেন্সন বিলৰ ক্ষেত্ৰত নিদিষ্ট কেইটামান দিন বান্ধি দিছে। মাহটোৰ সেইদিনতে পেন্সনৰ কাম হয়। বাকী দিনত কাম নথকাৰ অভিযোগ উঠিছে। আচলতে সেইটো কোনো নিয়ম নাই। কেৱল ধনৰ লালসাত এইগৰাকী বিষয়াই পেন্সনাৰ সকলক হাৰাশাস্তি কৰি আহিছে। পূৰ্বেও এইখন কাৰ্যালয়ৰ বিষয়াৰ মইমতালি আৰু ধন দাবী আদিৰ অভিযোগে ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছিল। সম্প্ৰতি বিশেষকৈ হোজাই জিলাৰ লংকা, যোগীজান, কঠীয়াতলি শিক্ষা খণ্ডৰ অৱসৰপ্ৰাপ্ত শিক্ষক সকলক চৰম হাৰাশাস্তি কৰাৰ অভিযোগ উঠিছে। একাংশ শিক্ষকৰ যাৱতীয় পেন্সনৰ ফাইল সাজু কৰি দিয়াৰ পিছতো ধন নিদিলে মাহৰ পিছত মাহ ফাইল পৰি থাকে এই গৰাকী বিষয়াৰ টেবুলত। পেঞ্চনেৰী বেনিফিটৰ বিল একাংশ কৰ্মচাৰীয়ে বিদ্যালয় পৰিদৰ্শকলৈ প্ৰেৰণ কৰিছে যদিও, বিদ্যালয় পৰিদৰ্শকৰ আদেশ অনুসৰি, ব্লক প্ৰাথমিক শিক্ষা বিষয়া, লংকা, অনলাইন পেঞ্চন বিলৰ লগতে হাৰ্ড কপিৰ সৈতে নিৰ্ধাৰিত পদ্ধতি অনুসৰি ট্ৰেজাৰী বিষয়াৰ কাৰ্যালয়, হোজাই চাব-ট্ৰেজাৰীত দাখিল কৰা বহু কৰ্মচাৰীয়ে হাৰাশাস্তিৰ সন্মুখীন হৈছে। নিৰ্দিষ্ট দিনত নহা কৰ্মচাৰীৰ বিল নাকচ কৰা হয় বুলি অভিযোগ উঠিছে। ইপিনে নিয়ম বহিৰ্ভূত বাবে ১০ক্ষ অনুমোদিত পৰিমাণৰ পৰা বিল কৰ্তন কৰা হয়, যিটো নিয়ম নহয়। ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ অধীনত কৰ্মচাৰী (NPS) আৰু প্ৰয়োজন হ'লে তেন্তে NPS কৰ্মচাৰীৰ কৰ্তন কৰা পৰিমাণ প্ৰত্যাহাৰৰ বাবে দাবী জনোৱা হৈছে। আনহাতে অনলাইন জিআইএছ জমা দিয়াৰ পিছত আৰু লংকাৰ খণ্ড উন্নয়ন বিষয়াৰ দ্বাৰা অনলাইন জি আই এছ জমা দিয়াৰ পিছত ট্ৰেজাৰী বিষয়াৰ আগত কিন্তু ট্ৰেজাৰী বিষয়াই পত্ৰ প্ৰেৰণ কৰি বিভিন্ন অজুহাতত পেঞ্চনৰ বিল নাকচ কৰা বা চৰম হেমাহি কৰাটো নিয়মত পৰিণত হৈছে। উল্লেখ্য যে সকলো প্ৰয়োজনীয় নথি-পত্ৰ প্ৰদান কৰি সকলো আনুষ্ঠানিকতা পূৰণ কৰাৰ পিছতো সংশ্লিষ্ট বিষয়াজনে কোনো বৈধ কাৰণ নোহোৱাকৈ অযুক্তিকৰভাৱে পেন্সন প্ৰক্ৰিয়াটোত বিলম্ব কৰি বিল অনুমোদনত হেমাহিৰ অভিযোগ উঠছে। মুঠতে বিষয়াগৰাকী যেন নেজেই সৰ্বেসৰ্বা হৈ পৰিছে। ইয়াৰ উপৰিও বিষয়াগৰাকীৰ পৰা একাংশ কৰ্মচাৰী অভদ্ৰ আচৰণৰ সন্মুখীন হৈছে, যাৰ ফলত মানসিক ভাৱে ভাগি পৰিছে বহু কৰ্মচাৰী। এনে কৰ্ম কাণ্ডই জ্যেষ্ঠ নাগৰিক আৰু পেঞ্চনাৰৰ কল্যাণৰ প্ৰতি হিমন্ত চৰকাৰৰ দায়বদ্ধতা উলংঘা কৰাই নহয়, প্ৰতিজন পেঞ্চনাৰৰ প্ৰাপ্য মৰ্যাদা আৰু সন্মানো ক্ষুণ্ণ কৰিছে। উক্ত বিষয়ৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি পেন্সনাৰ সকলক কৰা হাৰাশাস্তি বন্ধ কৰাৰ দাবী জনাইছে শিক্ষক সমাজে।

## 'ধঁপাত নহয়, জীৱনক বাচি লওক'

# হোজাইৰ ৰাজপথত বাটৰ নাট

**অসম বাৰ্তা, ডবকা, ৩০ আগষ্ট ঃ** আজি হোজাই চহৰৰ ৰাজপথত অগ্ৰণী শিক্ষানুষ্ঠান মৰ্কজ একাডেমি ইংলিশ হায়াৰ চেকণ্ডাৰী স্কুলৰ ছাত্ৰসকলে ধঁপাতৰ বিৰুদ্ধে এক সজাগতামোলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিভিন্ন ধৰণৰ ধঁপাতযুক্ত সামগ্ৰী যেনে বিড়ি চিগাৰেট, গুটখা, গাঞ্জা, ড্ৰাগছ আদি সেৱনৰ ফলত সমাজত যিধৰণৰ ৰোগ বিয়পি আছে, যুৱ প্ৰজন্ম যিদৰে বিপৰ্যয়ৰ দিশে গতি কৰি আছে সেই দিশবোৰ বাটৰ নাটৰ জৰিয়তে প্ৰদৰ্শন কৰে। মৰ্কজ একাডেমিৰ ছাত্ৰসকলে নিজ স্কুলৰ পৰা মেইন ৰোডেৰে ৰেঁলি কৰে য'ত বিভিন্ন শ্ল'গান দিয়ে আৰু হাতে হাতে বেনাৰ পোষ্টাৰ প্ৰদৰ্শন কৰে। Say no to tobacco, yes to life. be a fighter, not a smoker আদি শ্ল'গানেৰে ছাত্ৰসকলে পথচাৰীসকলৰ ধ্যান আকৰ্ষিত কৰাৰ চেষ্টা কৰে। মৰ্কজুল মাআৰিফৰ সভাপতি মৌলানা পাৰৱেজ আলম কাচিমী, সাধাৰণ সম্পাদক জাহিদুল হক চৌধুৰী আৰু শিক্ষা বিভাগৰ প্ৰজেক্ট ডাইৰেক্টৰ ড° ৰাজি আহমদ কাছিমীয়ে ছাত্ৰসকলৰ এই পদক্ষেপে ধপাতবিৰোধী সজাগতা সৃষ্টিত অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে।

## পদক লাভ শিমলুগুৰিৰ দুজন খেলুৱৈৰ

# কেৰেলাৰ কুচিত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত সোণ-ৰূপ




**অসম বাৰ্তা, নাজিৰা, ৩০ আগষ্ট ঃ** ৱৰ্ল্ড ফিটনেছ ফেডাৰেচন অব যোগাসনৰ ক্ৰীড়াৰ উদ্যোগত চলিত মাহৰ ১৩-১৪ আগষ্ট ২০২৫ তাৰিখে কেৰেলাৰ কুছিত সৰ্বভাৰতীয় পয্যায়ত, ৰাজীৱ গান্ধী ইন্দ'ৰ ষ্টেডিয়াম ত অনুষ্ঠিত হোৱা যোগাসন ক্ৰীড়া প্ৰতিযোগিতা খনিত অসম দলৰ হৈ অৱনীশ গগৈয়ে ৫ বছৰৰ পৰা ৯ বছৰ ল'ৰাৰ পৰম্পৰাগত যোগাসন ক্ৰীড়া প্ৰতিযোগিতা দ্বিতীয় আৰু লয়বদ্ধ কলাত্মক দলীয় শাখাত প্ৰথম স্থান লাভ কৰে আৰু ৰুচাঙ্ক কোঁৱৰে পৰম্পৰাগত যোগাসন ক্ৰীড়াত ৫ বছৰৰ পৰা ৯ বছৰ ল'ৰাৰ শাখাত পঞ্চম স্থান লাভ কৰে আৰু লয়বদ্ধ কলাত্মক দলীয় শাখাত প্ৰথম স্থান পাবলৈ সক্ষম হয়। এই সফলতাত বালিঘাটৰ নিৰাময় যোগ চেণ্টাৰত প্ৰশিক্ষক বিনীতা ৰাজকুমাৰী গগৈ আৰু যোগ গুৰু অসীম বৰুৱায়ে দুই গৰাকী খেলুৱৈ লৈ আন্তৰিক শুভেচ্ছা জনাই। প্ৰশিক্ষক বিনীতা ৰাজকুমাৰী গগৈ জনাই যে অৱনীশ গগৈ শিমলুগুৰি নিবাসী ইন্দ্ৰজিৎ গগৈ আৰু অঞ্জনা বৰুৱা গগৈৰ পুত্ৰ আৰু ৰুচাঙ্ক কোঁৱৰ বালিঘাট নিবাসী সুদীপ্ত কোঁৱৰ আৰু মমি চাংমাই কোঁৱৰৰ পুত্ৰ। দুয়োজন খেলুৱৈয়ে মালয়েছিয়াত অক্টোবৰত মাহত অনুষ্ঠিত হবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে। আৰু লগতে বালিঘাটৰ নিৰাময় যোগ চেণ্টাৰত মুখ্য যোগ প্ৰশিক্ষক বিনীতা ৰাজকুমাৰী গগৈ জনাই যে দুই গৰাকী খেলুৱৈ ক আন্তঃৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতালৈ যাবৰ কাৰণে আৰু অধিক উন্নত মানদণ্ডৰ অনুশীলন দিয়াৰ চিন্তা কৰিছে। আৰু অসমবাসী পৰা আশীৰ্বাদ বিচাৰিছে। যাতে দুয়োজন খেলুৱৈৰ আন্তঃৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতা খনিত ভাৰত তথা অসমলৈ সুমান কঢ়িয়াই আনিব পৰে আৰু লগতে ভগৱান ওচৰত প্ৰাৰ্থনা জনাইছে।

# শ্ৰীৰামপুৰ সমষ্টিৰ এপিবিৰ প্ৰাৰ্থী অলচেন কুমাৰ কিছকুক উষ্ম আদৰণি দলীয় কৰ্মীৰ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৩০ আগষ্ট ঃ** বিটিচিৰ পৰিষদীয় সমষ্টিত বৃহস্পতিবাৰে অল্টাৰনেটিভ পাৰ্টি অফ বড়োলেণ্ড(APB) দলৰ ১৭টা সমষ্টিৰ প্ৰাৰ্থীৰ পথম তালিকাত ঘোষণা কৰিছে। তালিকা প্ৰকাশৰ লগে লগে বিভিন্ন সমষ্টিৰ দলীয় কৰ্মীসকলে নিজৰ দলীয় প্ৰাৰ্থীসকলক জনাইছে উষ্ম আদৰণি। ঠিক একেদৰে বিটিচিৰ ৩ নং শ্ৰীৰামপুৰ সমষ্টিত এপিবিৰ দলৰ প্ৰাৰ্থী অলচেন কুমাৰ কিছকুৰ নাম ঘোষণা হোৱাত আজি ৩ নং শ্ৰীৰামপুৰ সমষ্টিৰ এপিবিৰ নিৰ্বাচনী পৰিচালনা সমিতিৰ কাৰ্যালয়ত উৎসৱ মুখৰ পৰিৱেশ দেখিবলৈ পোৱা যায়। সমষ্টিখনৰ এপিবিৰ প্ৰাৰ্থীজনক দলীয় কৰ্মী আৰু সমৰ্থকে ফুলাম গামোছা, ফুলৰটোপা আদিৰে উষ্ম আদৰণি জনায়। কৰ্মী সকলে ফটকা ফুটাই তেওঁক ঢোল-পেপা, নৃত্যৰে আদৰণি জনায়। অনুষ্ঠানটোত দলীয় কৰ্মকৰ্তা সকলে সভানেত্ৰী অঞ্জলি প্ৰভা দৈমাৰী জিন্দাবাদ, এপিবি জিন্দাবাদ, অলচেন কুমাৰ কিছকু জিন্দাবাদ আদি ধ্বনি দিয়ে। অনুষ্ঠানত তিন শতাধিক দলীয় কৰ্মী আৰু সমৰ্থকে অংশ লয়। অনুষ্ঠানৰ অন্তত এক পদযাত্ৰাৰ আয়োজন কৰা হয় আৰু পদযাত্ৰা প্ৰাৰ্থী গৰাকীৰ নিজা গৃহত সমাপ্ত হয়। আয়োজন কৰা আদৰণি অনুষ্ঠানত দলীয় কৰ্মকৰ্তা, সমৰ্থকৰ বিশাল ভিৰ আৰু উৎসাহ দেখি এপিবিৰ দলৰ ৩ নং শ্ৰীৰামপুৰ সমষ্টিৰ প্ৰাৰ্থী অলচেন কুমাৰ কিছয়ে কয় যোৱা ২২টা বছৰে বিটিচিত কোনোধৰণৰ উন্নয়ন হোৱা নাই ৩নং শ্ৰীৰামপুৰ পৰিষদিয় সমষ্টিৰ তেওঁৰ প্ৰতিদ্বন্দিতা কোনেও নাই বুলি কয়।

# বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ মাহেকীয়া পৰ্যালোচনা সভা সম্পন্ন

**অসম বাৰ্তা, খাৰুপেটীয়া, ৩০ আগষ্ট ঃ** দলগাঁও খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত খাৰুপেটীয়া টাউন প্ৰাথমিক বিদ্যালয়ত অনা আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ এদিনীয়া মাহেকীয়া পৰ্যালোচনা সভা অনুষ্ঠিত কৰা হয়। খাৰুপেটীয়া টাউন প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি এৰ্শ্বাদ আলম জিলা মান ৰক্ষক আন্নাছ আলী আব্দুল ছাত্তাৰৰ উপস্থিতিত খাৰুপেটীয়া টাউন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যতন কুমাৰ সোণাৰৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত শিক্ষা স্বেচ্ছাসেৱক আৰু শিক্ষা স্বেচ্ছাসেৱী সকলৰ লগতে বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সকল উপস্থিত থাকে। জিলা মানৰক্ষক হাইদৰ আলী চৌধুৰীয়ে আতধৰা সভাখনত জিলা আঁচনি বিষয়া মনোজ কুমাৰ শৰ্মাদেৱে উদ্দেশ্য ব্যাখ্যা কৰি কয় যে জিলাখনৰ চুকে-কুনে থকা কেতিয়াও বিদ্যালয়লৈ নোযোৱা আৰু আধাতে বিদ্যালয় ত্যাগ কৰা ল'ৰা-ছোৱালীক বুটলি আনি এই বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ সমূহত বয়স অনুপাতে নামভৰ্ত্তি কৰাই বিদ্যালয়মুখী কৰি দিয়াত যথেষ্ট অৰিহণা যোগাইছে। বিশেষ প্ৰশিক্ষণ কেন্দ্ৰত শিক্ষা লাভ কৰি বহুতো লৰা-ছোৱালীয়ে উচ্চ শিক্ষাও লাভ কৰিছে। বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে উপযুক্ত শ্ৰেণী কোঠাৰ ব্যৱস্থা কৰি দিয়াৰ লগতে বিদ্যালয় বহিঃৰ্ভুত লৰা ছোৱালী বিলাকক সামৰি লৈ মূলসুঁতিলৈ অনা শিক্ষাৰ্থীসকলৰ ধৰি ৰখাৰ ব্যৱস্থা কৰা সম্পৰ্কে বিশদকৈ আলোচনা কৰা হয় সভাত। আনহাতে মাতৃ গোট আৰু পৰিচালনা সমিতিৰ সমৰ্থনত বিদ্যালয় বহিঃৰ্ভুত ছাত্ৰ ছাত্ৰী সকলক চিনাক্ত কৰি বিদ্যালয়ত নিয়মীয়াকৰণ কৰাৰ ওপৰতো বিতংকৈ আলোচনা কৰা হয়। সামান্য পাৰিতোষিকৰ বিনিময়ত দীৰ্ঘদিন ধৰি কাম কৰা শিক্ষা স্বেচ্ছাসেৱক আৰু শিক্ষা স্বেচ্ছাসেৱী সকলৰ অভাৱ পূৰণ কৰা সন্দৰ্ভতো সভাত আলোচনা কৰা হয়।

# নিষ্ঠাবান সু-চিকিৎসক বিনোদ কুমাৰ মিলিৰ মৃত্যুত শোকৰ ছাঁ

**অসম বাৰ্তা, দিচাংমুখ, ২৯ আগষ্ট ঃ** দিচাংমুখৰ অতি ভিতৰুৱা অঞ্চল নৈপৰীয়া মামল গড়ভগা গাঁৱৰ সন্তান, নিষ্ঠাৱান সু-চিকিৎসক বিনোদ কুমাৰ মিলিয়ে কালি বিয়লি প্ৰায় ৪ বজাত তেজপুৰৰ বালিপৰা বাসগৃহত অন্তিম নিশ্বাস ত্যাগ কৰে। মৃত্যুসময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। ১৯৫৩ চনত জন্মগ্ৰহণ কৰা চিকিৎসক মিলিয়ে প্ৰথম পাঠ গ্ৰহণ কৰিছিল ৪৯৯ নং মামল গড়ভগা প্ৰাথমিক বিদ্যালয়ত। তাৰপিছত অফলা এম ই স্কুল আৰু দিখৌমুখ জনজাতি হাইস্কুলত শিক্ষা অৰ্জন কৰি ১৯৭১ চনত সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হয়। পিছত শিলচৰ মেডিকেল কলেজত চিকিৎসাশাস্ত্ৰ অধ্যয়ন আৰম্ভ কৰে। উল্লেখযোগ্য যে ১৯৭৯ চনৰ ভাষা আন্দোলনৰ সময়ত তেওঁক ছাত্ৰবাস খালি কৰি ঘৰলৈ আহিবলগীয়া হৈছিল। এই বৰ্ষতেই এমবিবিএচ চূড়ান্ত পৰীক্ষাত সফলতাৰ সৈতে উত্তীৰ্ণ হয়। ইনটানচিপ সম্পূৰ্ণ কৰি ডিব্ৰুগড় মেডিকেল কলেজৰ পৰা বামুণবাৰীত প্ৰথমে চিকিৎসা সেৱা আৰম্ভ কৰে। ১৯৮১ চনত গণেশবাৰী আৰু ১৯৮৬ চনত গুৱাহাটীৰ হেঙেৰাবাৰী মেলেৰিয়া প্ৰ'গ্ৰেম কাৰ্যালয়ত যোগদান কৰি নিষ্ঠা আৰু সততাৰে জনসাধাৰণৰ সেৱাত নিজকে নিয়োজিত কৰে। পৰৱৰ্তী সময়ত শোণিতপুৰ জিলাৰ উলুবাৰী চিকিৎসালয়ত দহবছৰ একেৰাহে চিকিৎসা সেৱা আগবঢ়ায়। তাৰ পিছত মংগলদৈ, কৈৰাবাৰী আৰু চাৰিদুৱাৰ চিকিৎসালয়ত জ্যেষ্ঠ চিকিৎসা বিষয়া হিচাপে দায়িত্ব পালন কৰে। কোকৰাঝাৰ জিলাৰ গোঁসাইগাঁও চিভিল হাস্পতালত SDMO হিচাপে সেৱা আগবঢ়াই ২০১৩ চনৰ ১ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছত ও তেওঁ থমকি ৰোৱা নাছিল। NRHM ৰ অধীনত পুনৰ ছবছৰ জনসাধাৰণক চিকিৎসা সেৱা আগবঢ়াই এগৰাকী সত্যিকাৰ স্বাস্থ্যসেৱকৰ ৰূপত পৰিচিত হয়। তেওঁৰ মৃত্যুত চিকিৎসক মহলত লগতে স্থানীয় সমাজত শোকৰ ছাঁ পৰে। সমাজসেৱী আৰু চিকিৎসা মহলৰ বহুতে তেওঁৰ আত্মাৰ শান্তি কামনা কৰি পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জনাই।

# উজনী মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ আগষ্ট ঃ** ভাৰতৰ কিংবদন্তী হকী খেলুৱৈ মেজৰ ধ্যানচান্দৰ জন্মদিন উপলক্ষে প্ৰতি বছৰে এই দিনটো ক্ৰীড়া দিৱস হিচাপে উদযাপন কৰা হয়। 'হকীৰ যাদুকৰ' খ্যাত মেজৰ ধ্যানচান্দক সুঁৱৰি তথা প্ৰতিজন ব্যক্তিৰ জীৱনত ক্ৰীড়া আৰু শাৰীৰিক কাৰ্যকলাপ অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তা আৰু লাভালাভৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই দিৱস পালন কৰি অহা হৈছে। আন্তঃৰাষ্ট্ৰীয় হকীৰ ক্ষেত্ৰখনত ধ্যানচান্দে নিজকে প্ৰতিষ্ঠিত কৰি দেশক কেইবাবাৰো সাফল্যৰ উচ্চ শিখৰত আৰোহণ কৰাইছিল। এই খেলুৱৈগৰাকীয়ে ভাৰতৰ হৈ ১৯২৮, ১৯৩২ আৰু ১৯৩৬ ত অলিম্পিকত সোণৰ পদক লাভ কৰিছিল। এই মহান খেলুৱৈগৰাকীৰ স্মৃতিত প্ৰদান কৰা মেজৰ ধ্যানচান্দ বঁটা ক্ৰীড়া জগতত জীৱনজোৰা সাফল্যৰ বাবে আগবঢ়োৱা সৰ্বোচ্চ সন্মান। মেজৰ ধ্যানচান্দক ভাৰত চৰকাৰে ১৯৫৬ চনত পদ্মবিভূষণ বঁটা প্ৰদান কৰে। উল্লেখ্য যে, ভাৰতত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২০১২ৰ পৰা পালন কৰি অহা হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি আজি উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ ইক' ক্লাৱৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰ চাৰ্চাবিদ তথা ক্ৰীড়া সংগঠক পবিত্ৰ নাথ। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰ চাৰ্চাবিদ তথা ক্ৰীড়া সংগঠক পবিত্ৰ নাথে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল প্ৰৱণতা জগাই তুলিবলৈ আহ্বান জনায়। তেখেতে খেল খেলিবলৈ কিদৰে শাৰীৰিক, মানসিক কছৰৎ কৰিব লাগে সেই বিষয়ৰ পৰা আৰম্ভ কৰি জীৱনৰ লক্ষ্যত উপনীত হোৱালৈকে বহুকেইটা গুৰুত্বপূৰ্ণ দিশ সাঙুৰি সময়োপযোগী বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° উপেন বৰাই আঁত ধৰা সভাখনিত বন্তী প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জাহ্নৱী লহকৰ বৰুৱাই। ড° জাহ্নৱী লহকৰ বৰুৱাই জীৱনৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইতিবাচক প্ৰতিযোগিতামূলক মনোভাৱ সৃষ্টি কৰি পেশাদাৰী দৃষ্টিভংগীৰে খেলক গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আজি অনুষ্ঠিত হোৱা সভাখনিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকাৰ উপৰিও পবিত্ৰ নাথৰ মাতৃ আৰু মোমায়েক উপস্থিত থাকে। সভাৰ শেষত মহাবিদ্যালয়ৰ অধ্যাপক ড° উপেন বৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য ৰাখি শলাগৰ শৰাই আগবঢ়ায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন